# সোণালী

৩৬ সংখ্যক সোণাৰি মহাবিদ্যালয়ৰ
বাৰ্ষিক আলোচনী, ২০২৩-২৪ বৰ্ষ



সম্পাদিকা
মানশ্ৰী কোঁৱৰ




ড° বিমল চন্দ্ৰ গগৈ

অধ্যক্ষ, সোণাৰি মহাবিদ্যালয়




ড° সুনীল দত্ত

উপাধ্যক্ষ, সোণাৰি মহাবিদ্যালয়

# সোণালী

## সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী

## ২০২৩-২৪ বৰ্ষ

সম্পাদিকা ঃ মানশ্ৰী কোঁৱৰ

প্ৰতি,

........................................................................................

........................................................................................

........................................................................................

**SONALEE :** Annual Magazine of Sonari College, Charaideo (Assam), published by Sonari College Students' Union of 2023-24 Session.

# সম্পাদনা সমিতি ঃ

**মুখ্য পৃষ্ঠপোষক** ঃ ড° বিমল চন্দ্ৰ গগৈ, অধ্যক্ষ

**উপদেষ্টা** ঃ ড° সুনীল দত্ত, উপাধ্যক্ষ
ড° ৰঘুনাথ কাগয়ুং
পদ্মকুমাৰী গগৈ
ড° লিণ্ডী গুডউইন
গীতিকা তালুকদাৰ

**তত্ত্বাৱধায়ক** ঃ ড° পৰানন কোঁৱৰ

**সম্পাদিকা** ঃ মানশ্ৰী কোঁৱৰ

**সদস্যা** ঃ জেচমিন গগৈ
চয়নিকা চেতিয়া

**প্ৰকাশক** ঃ ছাত্ৰ একতা সভা, সোণাৰি মহাবিদ্যালয় ২০২৩-২৪ শিক্ষাবৰ্ষ

**বেটুপাত** ঃ ঋহিত বৰুৱা

**ডিটিপি** ঃ অজিত গগৈ

**মুদ্ৰণ** ঃ ৰহমান প্ৰিণ্টিং প্ৰেছ, শিমলুগুৰি, শিৱসাগৰ

---

**Published by** Sonari College Student's Union, 2023-24

**Cover by** Rohit Boruah

**Printed at** Rohman Prinring Press, Simaluguri, Sivasagar (Assam)

মাননীয় লেখক-লেখিকাসকলৰ লেখনিৰ মৌলিকতা সম্পৰ্কত সম্পাদনা সমিতি দায়বদ্ধ নহয়।
— **সম্পাদনা সমিতি**



# শ্ৰদ্ধাঞ্জলি

বিগত বৰ্ষসমূহত আমাৰ মাজৰ পৰা
দেশ তথা সমাজৰ বিভিন্ন দিশত
অৱদান আগবঢ়াই পৰলোকগামী হোৱা
ব্যক্তিসকললৈ
৩৬ সংখ্যক "সোণালী"ৰ
জৰিয়তে শ্ৰদ্ধাঞ্জলি
নিবেদিছোঁ।

— সম্পাদনা সমিতি



# অধ্যক্ষৰ একলম...



সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী "সোণালী"খন প্ৰতি বছৰে ধাৰাবাহিকভাৱে প্ৰকাশ হৈ আহিছে। ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভাসমূহ বিকাশ আৰু প্ৰকাশৰ ক্ষেত্ৰত আলোচনীখনে এক উপযুক্ত মঞ্চ প্ৰদান কৰিছে। "সোণালী"ৰ পাতত প্ৰথমে লিখিবলৈ আৰম্ভ কৰা ছাত্ৰ-ছাত্ৰীসকলে ভৱিষ্যতে নিজকে কবি, গল্পকাৰ, প্ৰবন্ধকাৰ ইত্যাদি বিভিন্ন ৰূপত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'ব।

সোণাৰি মহাবিদ্যালয়ৰ ইতিহাসত ২০২৩-২৪ বৰ্ষটোৱে এক বিশেষ গুৰুত্ব লাভ কৰিছে। কিয়নো এই বৰ্ষতে অৰ্থাৎ ২০২৪ চনৰ মাৰ্চ মাহত NAAC ৰ Peer Team আমাৰ মহাবিদ্যালয়লৈ আহিছিল। তিনিগৰাকী সদস্যৰ দলটিয়ে তিনিদিন ধৰি মহাবিদ্যালয়ৰ আন্তঃগাঁথনি, পৰীক্ষাৰ ফলাফল, বিত্তীয় হিচাব নিকাচ, শৈক্ষিক পৰিৱেশ, পুথি ভঁৰাল, হোষ্টেল আদি সকলোবোৰ পৰ্যবেক্ষণ কৰে। তেখেতলোকে মহাবিদ্যালয়ৰ পৰিচালনা সমিতি, প্ৰাক্তন শিক্ষক-শিক্ষয়িত্ৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী তথা মহাবিদ্যালয়ৰ শুভাকাংক্ষীসকলৰ উপৰিও বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী আৰু প্ৰতিটো বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰী, গ্ৰন্থগাৰিকা, অধ্যক্ষ তথা কৰ্মচাৰীসকলৰ লগত মত বিনিময় কৰে। শেষত NAAC ৰ দলটিয়ে মূল্যায়নৰ প্ৰতিবেদন দাখিল কৰে আৰু ইয়াৰ পিছতে সোণাৰি মহাবিদ্যালয়ে B++ গ্ৰেড লাভ কৰে। এনে সন্মানজনক গ্ৰেড লাভ কৰি আমি সোণাৰি মহাবিদ্যালয় পৰিয়ালে গৌৰৱবোধ কৰিছোঁ। উল্লেখযোগ্য যে মহাবিদ্যালয়ে প্ৰথম পৰ্যায়ৰ মূল্যায়নত ২০০৪ চনত C++, দ্বিতীয় পৰ্যায়ত ২০১১ চনত B গ্ৰেড আৰু তৃতীয় পৰ্যায়ত ২০২৪ চনত B++ গ্ৰেড লাভ কৰিবলৈ সক্ষম হয়।

মহাবিদ্যালয়খনত NAAC মূল্যায়নৰ প্ৰস্তুতি স্বৰূপে আন্তঃগাঁথনি আৰু অন্যান্য দিশত তাৎক্ষণিকভাৱে বহুখিনি কাম কৰিবলগীয়া হৈছিল। এই সময়ছোৱাত মহাবিদ্যালয়ৰ প্ৰতিটো কোঠা, কাৰ্যালয়, বিভাগসমূহ, গ্ৰন্থাগাৰ, কেণ্টিন, হোষ্টেল আদি সকলোবোৰ নতুনকৈ ৰং কৰা হয়। প্ৰেক্ষাগৃহৰ মঞ্চটো নতুনকৈ ফলচিলিং, ফাইবাৰ আদি লগাই সুন্দৰ কৰি তোলা হয়। ভাৰছুৱেল হলটো নতুনকৈ চকী যোগান ধৰাৰ উপৰিও এখন ইণ্টাৰেক্টিভ পেনেল আৰু কেমেৰা সংযুক্ত কৰা হয়। গ্ৰন্থাগাৰৰ সন্মুখ ভাগ দুচলিয়া কৰি টাইলচ লগাই সুন্দৰ কৰি তোলা হয়। দুয়োটা হোষ্টেলত CCTV আৰু ইনভাৰ্টাৰ ব্যৱস্থা কৰা হয়। কেণ্টিনত Washroom-ৰ ব্যৱস্থা কৰা হয়। মহাবিদ্যালয়ৰ কেইবা ঠাইতো Sensor water টেপ লগোৱা হয় আৰু Sensor Bulb-ৰ ব্যৱস্থা কৰা হয়। বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ বাবে ৰেলিং, হুইল চেয়াৰ আদিৰ ব্যৱস্থা কৰা হয়। মহাবিদ্যালয়খনৰ আন্তঃগাঁথনিৰ বৃদ্ধিৰ লগে লগে এইবোৰৰ সঠিক ব্যৱহাৰ, সংৰক্ষণৰ ক্ষেত্ৰত মহাবিদ্যালয় পৰিয়ালৰ প্ৰতিজন সদস্যই দায়িত্বশীল হোৱাতো প্ৰয়োজন।

সদৌ শেষত সোণাৰি মহাবিদ্যালয়ৰ ৩৬ সংখ্যক বাৰ্ষিক আলোচনী "সোণালী"খন প্ৰকাশৰ বাবে সম্পাদিকা মানশ্ৰী কোঁৱৰৰ প্ৰচেষ্টাৰ শলাগ লৈছোঁ। তত্বাৱধায়ক ড° পৰানন কোঁৱৰদেৱৰ তৎপৰতাত আলোচনীখনৰ এই সংখ্যাটি প্ৰকাশ পোৱাত তেখেতলৈ অভিনন্দন জ্ঞাপন কৰিলোঁ। "সোণালী"ৰ ৩৬ সংখ্যাটিৰ সম্পাদনাৰ লগত জড়িত সকলোলৈকে কৃতজ্ঞতা জনোৱাৰ লগতে প্ৰেছৰ কৰ্মকৰ্তাসকলক ধন্যবাদ জনালোঁ।

জয়তু সোণাৰি মহাবিদ্যালয়।

**ড° বিমল চন্দ্ৰ গগৈ**
অধ্যক্ষ
সোণাৰি মহাবিদ্যালয়

# সম্পাদকীয়...



আৰম্ভণিতে সোণাৰি মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাতা আৰু মহাবিদ্যালয়ৰ প্ৰতিজন শিক্ষাদাতালৈ শ্ৰদ্ধা নিবেদিছো।

সাহিত্যৰ দলিলসমূহ প্ৰকাশিত হৈ আহিছে গ্ৰন্থ, আলোচনী আদিত। আমাৰ সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী ‘সোণালী’খনিত মহাবিদ্যালয়ৰ সাহিত্য অনুৰাগী এচাম ছাত্ৰ-ছাত্ৰীৰ শাব্দিক ভাস্কৰ্য্যত আলোচনীখন প্ৰাণ পাই উঠে। মহাবিদ্যালয়ৰ বৌদ্ধিক তথা চিন্তা বিপ্লৱৰ সূচনা আনিবলৈ প্ৰয়াস কৰা আলোচনীখনৰ সৈতে জড়িত শ্ৰদ্ধাৰ অধ্যাপক-অধ্যাপিকাসকল আৰু ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক দিশৰ গভীৰতা ইয়াৰ মাধ্যমেৰে বহিঃপ্ৰকাশ ঘটে।

সোণাৰি মহাবিদ্যালয়ৰ ২০২৩-২৪ বৰ্ষৰ ছাত্ৰ-একতা সভাৰ নিৰ্বাচনত আলোচনী সম্পাদিকা হিচাপে প্ৰতিদ্বন্দ্বিতা আগবঢ়াওঁ আৰু ভোটিং নিৰ্দেশত ২০২৩-২৪ বৰ্ষত ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদিকা হিচাপে নিৰ্বাচিত কৰা সোণাৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা দাদা-বাইদেউ, ভাইটি-ভণ্টি, সহপাঠীসকলৰ ওচৰত চিৰকৃতজ্ঞ। মহাবিদ্যালয়ৰ আলোচনী সম্পাদিকা হিচাপে যিমান আনন্দিত হৈছিলো, সমান্তৰালভাৱে দায়িত্বভাৰ পালন কৰাত দায়বদ্ধ আছিলো। সম্পাদিকাৰ দায়িত্বভাৰ লৈয়ে কেইমানমানৰ পাছতেই মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ অনুষ্ঠিত কৰা হয়। ক্ৰীড়া সপ্তাহত মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা ‘প্ৰত্যয়’ সম্পাদনা কৰাৰ লগতে প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো। ‘প্ৰত্যয়’ সম্পাদনা কৰাৰ পিছত ‘সোণালী’ৰ বাবে লেখা বিচাৰি জাননী দিলো। বহু ছাত্ৰ-ছাত্ৰীয়ে আলোচনীখনিৰ বাবে লেখনি দিলে। লেখাসমূহ ভিন্ন বিষয়ৰ লগতে অসমীয়া আৰু ইংৰাজী ভাষাত আছিল। মানুহ মাত্ৰেই ভুল হয়। আলোচনীখন প্ৰকাশৰ বাটত মোৰ অনিচ্ছাকৃতভাৱে কিবা ভুল-ভ্ৰান্তি ৰৈ গৈছে তেন্তে মই আপোনালোকৰ ওচৰত ক্ষমা প্ৰাৰ্থী।

ঐতিহ্যমণ্ডিত সোণাৰি মহাবিদ্যালয়ৰ ২০২৩-২৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ আলোচনী বিভাগৰ সম্পাদিকা হিচাপে মই সঁচাকৈয়ে গৌৰৱ অনুভৱ কৰিছোঁ। ছাত্ৰ একতা সভাত থাকি মহাবিদ্যালয়ৰ হকে কাম কৰি বহু নজনা কথা শিকিলোঁ লগতে নেতৃত্ব আৰু ব্যক্তিত্ব বিকাশত মোৰ যথেষ্ট সহায়ক হৈছিল। বিশেষকৈ আলোচনীখন প্ৰকাশ কৰিবলৈ যাওঁতে বহুতো নজনা কথা জানিব পাৰিলো।

আলোচনীখন সময় মতে প্ৰকাশ কৰাত সহায় কৰা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, শ্ৰদ্ধাৰ উপাধ্যক্ষ মহোদয় তথা শ্ৰদ্ধাৰ ড° পৰানন কোঁৱৰ ছাৰ, ড° ৰঘুনাথ কাগয়ুং ছাৰ আদি সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

শেষত, ‘সোণালী’ৰ দীৰ্ঘায়ু কামনা কৰিলোঁ।

জয়তু সোণাৰি মহাবিদ্যালয়
জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা

**মানশ্ৰী কোঁৱৰ**
আলোচনী বিভাগৰ সম্পাদিকা
২০২৩-২৪ বৰ্ষ

# সূচীপত্ৰ

## প্ৰৱন্ধ

■ অসমীয়া লোকভাষা ঃ পৰম্পৰাগত প্ৰয়োগ আৰু পৰিৱৰ্তন/পদ্মকুমাৰী গগৈ/১১

■ শিক্ষাৰ্থীৰ মাজত আৰ্থিকভাৱে স্বাৱলম্বী হোৱাৰ মানসিকতা/গীতিকা তালুকদাৰ/১৬

■ মই ভাল শিক্ষক হ'ব নোৱাৰিলো/মনীষা গগৈ/১৯

■ বিহু আনন্দীয়া বিহু বিনন্দীয়া বিহুৰে অমিয়া মাত/কবিতা গগৈ চাবুককধৰা/২৭

■ দ্বীপৰাষ্ট্ৰ শ্ৰীলংকাৰ কাহিনী 'সিংহল সমুদ্ৰ সৈকত'/ড° জুৰি ভূঞা/৩০

■ "কাঠনিবাৰী ঘাট" অথঃ মহিম বৰাৰ গল্প সাহিত্যত এভুমুকি/তনয়া ৰাজখনিকৰ/৩২

■ প্ৰেৰণা আৰু সফলতাৰ বাটত এগৰাকী শিক্ষাৰ্থীৰ যাত্ৰা/ময়ূৰী দেৱী চেতিয়া/৩৬

■ প্ৰাক্-স্বাধীন ভাৰতৰ নাৰী শিক্ষা/জয়শ্ৰী বৰা/৪০

■ The Role and Significances of Field Study Trips in Students' lives:/Priyo Protim Arandhara/৪২

■ Global Conflicts and Humanitarian Crises/Pranjit Boruah/৪৭

■ Nature/Kabita Kurmi/৪৮

■ BooksRupsana Begum/৪৮

■ নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা/বেবী ৰাজকোঁৱৰ/৪৯

■ নাৰী শক্তি/অনন্যা চাৰিঙ্গীয়া/৪৯

■ হোষ্টেলীয়া জীৱনৰ এক অভিজ্ঞতা/শিখামণি হাতীমূৰীয়া/৫০

■ হোষ্টেলীয়া জীৱনৰ বন্ধুত্ব/বৰ্ণালী দেৱী/৫১

■ পৰমবীৰ চক্ৰ/অপ্সৰা নেৱাৰ/৫২

## কবিতা

■ নাৰী/বৰষা গগৈ/৫৫

■ ৰোমন্থন/হীৰামণি বৰগোহাঁই/৫৫

■ বন্ধুত্ব/পলী ফুকন/৫৬

■ মা/চয়নিকা কোঁৱৰ/৫৬

■ আমি অসমীয়া/চুম্পী গগৈ/৫৬

■ দেউতা/সুভাষিণী কোঁৱৰ/৫৬

■ সপোনৰ ঘৰ/ঋষিকেশ দে/৫৭

■ শূন্যতাৰ প্ৰতিশ্ৰুতি/কাজৰিকা গগৈ/৫৭

■ একেলগ নে/এধানি বৰুৱা/৫৮

■ শান্তি/হিমাশ্ৰী গগৈ/৫৮

## নাটক

■ Interception/ডিম্বেশ্বৰ কোঁৱৰ/৬১

## চুটিগল্প

■ সংক্ৰান্তি/ড° ৰীতা দত্ত/৭৩

■ সুৰ/সমীৰণ বৰগোহাঁই/৭৭

■ খা বাপেকে ভীমকলটো/ত্ৰিভূবন গগৈ/৮০

ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলৰ প্ৰতিবেদন/৮৩-৮৮

# প্রবন্ধ

# অসমীয়া লোকভাষা ঃ পৰম্পৰাগত প্ৰয়োগ আৰু পৰিৱৰ্তন

● পদ্মকুমাৰী গগৈ
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ

লোকমনৰ, লোকজীৱনৰ ভাব প্ৰকাশৰ মাধ্যম হ'ল লোকভাষা (Folk Speech)। লোক মন আদিম মন; তথ্য আৰু যুক্তিতকৈ বিশ্বাস আৰু আচাৰ নীতিৰ ওপৰতহে লোকজীৱন অধিক নিৰ্ভৰশীল। লোকভাষাৰ মাধ্যমত লোকসাহিত্য ৰচিত হয়। অঞ্চলভেদে, সমষ্টিগত জীৱনভেদে মানুহৰ কথ্যভাষাৰ ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক বিশেষত্ব ফুটি উঠে। শব্দপ্ৰয়োগৰ ক্ষেত্ৰতো এনে বিশিষ্ট পৰিচয়ৰ পৃথকতা পৰিলক্ষিত হয়। লোকভাষা কওঁতাজনৰ দখলত থকা শব্দৰাজিৰ পৰিসীমাৰ মাজত এনে কিছুমান শব্দ থাকে যিবোৰ লিখাৰ প্ৰসংগত ব্যৱহাৰ কৰা নহয়; অথবা আনুষ্ঠানিক পৰিস্থিতিত প্ৰায়েই প্ৰয়োগ নহয়। এই শব্দৰাজিৰ মাজত অনেক নিষিদ্ধ শব্দও আছে। লোকভাষাৰ এনে বিশিষ্টতাই একো একোটা অঞ্চল নাইবা একো একোটা সমষ্টিৰ লোকজীৱনৰ বাকভঙ্গীৰ পৰিচয় বহন কৰে, লগতে সংশ্লিষ্ট লোকজীৱনৰ মানসিক বিশিষ্টতাৰ পৰিচয়ো বহন কৰে। লোকভাষা যিহেতু সাধাৰণ মানুহৰ স্বতঃস্ফূৰ্ত বচনভঙ্গী, সেয়ে ইয়াৰ কোনো ব্যাকৰণ নাই। অসমীয়া সমাজত প্ৰচলিত প্ৰবাদ-প্ৰবচন, ফকৰা যোজনা, জতুৱা খণ্ডবাক্য, গালি-শপনিত ব্যৱহাৰ কৰা ভাষা, বিয়া-সবাহ আদিত কৰা মুখৰোচক চুপতা-চুপতি আদিৰ মাজত লোকভাষাৰ ৰূপ পৰিলক্ষিত হয়। তদুপৰি লোকভাষাৰ ক্ষেত্ৰত বৃত্তিগত বিশিষ্টতা তথা প্ৰকৃতি নিৰ্ভৰ বিশিষ্টতাও ফুটি উঠা দেখা যায়।

লোকভাষা লোকসংস্কৃতি তথা সমাজভাষাবিজ্ঞানৰ অন্তৰ্গত বিষয়। ইয়াৰ অধ্যয়নৰ জৰিয়তে একোখন সমাজৰ সাংস্কৃতিক দিশবোৰৰ উমান পাব পাৰি। ১৯৬৪ চনত কেলিফৰ্ণিয়া বিশ্ববিদ্যালয়ৰ সমাজ ভাষাবিজ্ঞান সম্পৰ্কীয় এখন আলোচনা সত্ৰত হেনৰী মেচ হেনিগশ্বোৱাল্ড (Henry Max Hoenigswald) নামৰ এজন আলোচকে 'A proposal for the study of folk linguistics' নামৰ এখন গৱেষণা পত্ৰৰ জৰিয়তে পোনপ্ৰথমবাৰৰ বাবে লোকভাষাবৈজ্ঞানিক অনুসন্ধানৰ এক প্ৰস্তাৱ দাঙি ধৰিছিল। বৰ্তমান পাশ্চাত্য দেশত এই সম্পৰ্কে কিছু চিন্তা-চৰ্চা হৈছে কিন্তু অসমত এই বিষয়ে বিশেষ চিন্তা-চৰ্চা হোৱা নাই।

ব্যৱহাৰগত ভেদ (Register), প্ৰসংগ, পৰিৱেশ পৰিস্থিতি অনুযায়ী কৰা ভাষাৰ প্ৰয়োগ আদিৰ বাবে ভাষাবিজ্ঞানীসকলে ভাষাৰ তিনিটা স্তৰৰ কথা উল্লেখ কৰিছে—

১. সাধু বা কৰ্ষিত ভাষা (Cultivated speech)
২. সাধাৰণ ভাষা (Common speech)
৩. লোকভাষা (Folk speech)

কৰ্ষিত ভাষা হ'ল উচ্চ বৃত্তিধাৰী, উচ্চ মধ্যবৃত্ত লোকে ব্যৱহাৰ কৰা পৰিশীলিত বা পৰিমাৰ্জিত ভাষা। কম শিক্ষিত নিম্ন মধ্যবিত্ত লোকৰ ভাষাক সাধাৰণ ভাষা বোলা হৈছে। লোকভাষা হৈছে বিচ্ছিন্ন জনগোষ্ঠীয়ে ব্যৱহাৰ কৰা ভাষা বিশেষৰ ক্ৰমক্ষয়িষ্ণু ৰূপ। এই দৃষ্টিৰে নাগৰিক জীৱনৰ পৰা

আঁতৰৰ, সাধু বা শিষ্ট ভাষাৰূপৰপৰা নিলগৰ এক অমার্জিত গ্রাম্য ভাষাৰূপকে লোকভাষা বুলিব পাৰি।

কোনো আলোচকে লোকভাষাক উপভাষাৰ সৈতে একাকাৰ কৰিব খুজিলেও কিন্তু ই কোনো বিশেষ অঞ্চলৰ উপভাষা নহয়। ই নাগৰিক লক্ষণবিহীন (পৰিশীলিত বা পৰিমার্জিত নহয়) ভাষা। একোটা ভাষা সম্প্রদায়ৰ মাজত থকা স্বতন্ত্র লক্ষণবিশিষ্ট কথ্য ৰূপবোৰকেই লোকভাষা বুলিব পাৰি।

সাধাৰণতে মান্যভাষাৰ লিখিত ব্যাকৰণ থাকে। তেনেদৰে অলিখিত হ'লেও উপভাষাৰো ব্যাকৰণ থাকে। কিন্তু লোকভাষা কোনো প্রচলিত ব্যাকৰণৰ গণ্ডীত আবদ্ধ নহয়। এই ভাষাত ব্যাকৰণ বিৰুদ্ধ প্রয়োগহে পৰিলক্ষিত হয়। মান্যভাষাৰ শব্দৰ ৰূপ আৰু অর্থ লোকভাষাত সলনি হৈ ব্যঞ্জিত অর্থত ব্যৱহাৰ হোৱা দেখা যায়। ভাষা এটাত প্রয়োগ হৈ থকা ফকৰা যোজনা, প্রবাদ প্রবচন, লোকনিৰুক্তি আদি বচন ভঙ্গীত লোকভাষাৰ স্বৰূপ নিহিত হৈ থাকে।

**পৰম্পৰাগত প্রয়োগ ঃ**

গতিশীল সময়ে সমাজ ব্যৱস্থালৈ পৰিৱর্তন আনে। পৰিৱর্তিত সমাজ ব্যৱস্থাই মানুহৰ জীৱন ধাৰণৰ ওপৰত বিশেষ প্রভাৱ পেলায়। বিশেষতঃ সমাজৰ পৰিৱর্তনৰ লগে লগে ভাষা ব্যৱহাৰৰ ক্ষেত্রত পৰিৱর্তনে দেখা দিয়ে। অসমীয়া লোকভাষাৰ প্রয়োগৰ ক্ষেত্রত অসমীয়া সমাজৰ পৰিৱর্তনেও বিশেষ প্রভাৱ পেলাইছে। লোকভাষা মূলত মৌখিকভাৱে প্রবাহিত হ'লেও কবি সাহিত্যিকসকলে তাৰ সার্থক প্রয়োগ কৰি আহিছে। কিয়নো সৃষ্টিশীল সাহিত্যত বাস্তৱ সমাজ প্রতিফলিত হয়। লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞি বৰুৱা প্রভৃতি সাহিত্যিকৰ নাটকৰ সাধাৰণ চৰিত্রসমূহৰ মুখত লোকভাষাৰ প্রচুৰ প্রয়োগ কৰা দেখা যায়। বিৰিঞ্চি কুমাৰ বৰুৱাৰ উপন্যাসতো লোকভাষাৰ প্রচুৰ উপাদান পোৱা যায়। তদুপৰি নৱকান্ত বৰুৱা, নীলমণি ফুকন (কনিষ্ঠ), হীৰেন ভট্টাচার্য, নির্মল প্রভা বৰদলৈ আদি কবিৰ ৰচনাতো লোকভাষাৰ প্রয়োগ পৰিলক্ষিত হয়। প্রণৱ জ্যোতি ডেকা (বৈহতা, বেওৱাৰিচ লাচ), সৌৰভ কুমাৰ চলিহা (লাখটকীয়া) আদি লেখকৰ গল্পতো লোকভাষাৰ প্রয়োগ কৰা দেখা গৈছে।

লোকভাষাৰ বৈশিষ্ট্যৰাজিক ভাষাবৈজ্ঞানিক দৃষ্টিৰে এনেদৰে আলোচনা কৰিব পাৰি -

১. ধ্বনিগত দিশ
২. ৰূপগত দিশ
৩. শব্দগত দিশ
৪. বাক্যগত দিশ
৫. লোকসমাজৰ বিভিন্ন বাকভঙ্গী
৬. লোকসমাজত প্রচলিত বিভিন্ন গালি শপনি
৭. লোকসমাজত প্রচলিত প্রবাদ বাক্য
৮ লোকসমাজত প্রচলিত বিভিন্ন বিদেশী শব্দৰ জতুৱাকৰণ

**ধ্বনিগত দিশ ঃ**

অসমীয়া লোকসমাজত প্রচলিত লোকভাষাৰ লগত মান্যৰূপৰ ধ্বনিগত দিশত কিছু পার্থক্য পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে,

ক) 'আ'ৰ সলনি 'অ'ৰ ব্যৱহাৰ, কেতিয়াবা 'এ' ৰ ব্যৱহাৰ-

পতাল (পাতাল) (টেটোন তামুলী, পৃষ্ঠা-২৮)
এধা (আধা) (গাঁওবুঢ়া, পৃষ্ঠা-২৭৫)

খ) 'ও'ৰ সলনি 'উ'ৰ ব্যৱহাৰ-

বুপাই (বোপাই) (গাঁওবুঢ়া, পৃষ্ঠা-২৬৮)
(জয়মতী, পৃষ্ঠা-৬২)

গ) মধ্যবর্তী 'এ' আৰু 'ই' স্বৰধ্বনিৰ লোপ

এই কিটা (কেইটা) (গাঁওবুঢ়া, পৃষ্ঠা-২৭১)
চাউল কেটা (কেইটা) (গাঁওবুঢ়া, পৃষ্ঠা-২৮০)

ঘ) 'ৰ'ৰ ঠাইত 'ল'ৰ ব্যৱহাৰ, কেতিয়াবা 'ৰ' ধ্বনিৰ লোপ-

শৰীল (শৰীৰ), (গাঁওবুঢ়া, পৃষ্ঠা-২৫৬)
চাইটামান (চাৰিটামান) (গাঁওবুঢ়া, পৃষ্ঠা-২৭১)

ঙ) 'এ'ৰ সলনি 'অ' ৰ প্রয়োগ-

অখন্তক (এখন্তেক) (গাঁওবুঢ়া, পৃষ্ঠা-২৭১)
খপিয়াই (খেপিয়াই) (টেটোন তামুলী, পৃষ্ঠা-৩৯)

চ) যুক্তাক্ষৰৰ প্রয়োগ কম

অইনাই (অন্যায়), শকতি (শক্তি) (জয়মতী)

ছ) লোকভাষীয়ে নিজা অসমীয়া শব্দসমূহৰ উচ্চাৰণৰ সৰলীকৃত ৰূপহে ব্যৱহাৰ কৰে। ফলত অক্ষৰ লোপ, বর্ণ বিপর্যয়, অপিনিহিতি আদিৰ প্রয়োগ যথেষ্ট পৰিলক্ষিত হয়। যেনে-

খুইছা (খুজিছা), ভাইগ (ভাগ্য), পুইণ (পুণ্য) - (টেটোন তামুলী)

সজ (সহজ), তুতি (স্তুতি), ৰুকুণী (ৰুক্মিণী) - (বুঢ়ী আইৰ সাধু)

**ৰূপগত বিশেষত্ব ঃ**

ভাষাৰ মান্যৰূপৰ লগত লোকভাষাৰ ৰূপগত দিশত কিছু পাৰ্থক্য পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে,

১) হেমচন্দ্ৰ বৰুৱাৰ 'কানীয়াৰ কীৰ্ত্তন' নাটকত-

ক) কিনা - হয় আই, আছে যদি ছালি **এখান** দিয়ক, **মুখখান** গুছিল আৰু।... (পৃষ্ঠা-৩১)

খ) বৃকো - অ' আমাৰ ডেকা বৰুৱাদেও, **আহোক**, **বহোকহি**, দেউতা। (পৃষ্ঠা-৩২)

ইয়াত এখন> এখান আৰু মুখখন> মুখখান হৈছে। অৰ্থাৎ নিৰ্দিষ্টবাচক প্ৰত্যয় 'খন'ৰ পৰিবৰ্ত্তে 'খান' হৈছে। তদুপৰি 'আহ' আৰু 'বহ' ধাতুৰূপৰ লগত 'অক' প্ৰত্যয়ৰ সলনি 'ওক' প্ৰত্যয় প্ৰয়োগ হৈছে।

২) লোকভাষাত পুংলিঙ্গবাচক শব্দত স্ত্ৰী-বাচক প্ৰত্যয় সংযোগ কৰি লিংগ পৰিৱৰ্তন কৰা দেখা যায়।

যেনে— ল'ৰাটো> ল'ৰাজনী/ল'আজনী/ল'ৰাজনী (ছোৱালী)

**শব্দগত বিশেষত্ব ঃ**

অসমীয়া লোকসমাজত প্ৰচলিত অনেক শব্দ যেনে-সংখ্যাবাচক শব্দ, নামবাচক শব্দ, সম্বোধনবাচক শব্দ, অনুৰূপ শব্দ আদি মান্যভাষাৰ লগত পাৰ্থক্য পৰিলক্ষিত হয়। উদাহৰণ-

**সংখ্যাবাচক শব্দ ঃ** চাইটা (চাৰিটা), এবেলি (এইবেলি) (গাঁওবুঢ়া, পৃষ্ঠা-২৭১, ২৬৯)

**নামবাচক শব্দ ঃ** ৰুকুণী, কাঁচনী, গঙাই, পানেশৈ (বুঢ়ী আইৰ সাধু); ধনাই, মনাই (টেটোন তামুলী)

নিতাই, নালীয়া (সাধনী)

**সম্বোধনবাচক শব্দ ঃ** ককাই, বাই, কাইটি, আই হেৰেই (বুঢ়ী আইৰ সাধু); কাইটি, শাহুটি (টেটোন তামুলী),

দৌতা, ককাইটি (গাঁওবুঢ়া)

**অনুৰূপ শব্দ ঃ** চতৰ-বতৰ, ডেওদোপাল, হায়ঔবিউ, মেনে মেনে, টাং বাং, আতৌপুতৌ, টেমাক-টেমাক্কৈ, শুকাই - উবাই, চুৰ তাৰি, টেকেলা বেঙেনা, টিকচি বিকচি আদি। (বুঢ়ী আইৰ সাধু, গাঁওবুঢ়া)

**বাক্যগত বিশেষত্ব ঃ**

অসমীয়া ভাষাৰ (মান্য ৰূপৰ) বাক্য গঠনৰ ক্ষেত্ৰত দেখা যায় পুৰুষ অনুযায়ী ক্ৰিয়া ৰূপৰ বিভক্তি বেলেগ বেলেগ। কিন্তু কেতিয়াবা এইবোৰৰ প্ৰয়োগত বিশেষকৈ লোকভাষাত পাৰ্থক্য পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে-

মান্য অসমীয়াৰ দ্বিতীয় পুৰুষৰ অতি মান্যাৰ্থৰ 'আপুনি' সৰ্বনামৰ লগত প্ৰয়োগ হোৱা ক্ৰিয়াপদৰ প্ৰয়োগ লোকভাষাত সুকীয়া। যেনে—

পেজান - (আগচি ধৰি) ক'তা, **আপুনি** পইচা **নিদিলাচোন**? (গাঁওবুঢ়া, পৃষ্ঠা-২৭১)

ইয়াত 'আপুনি' সৰ্বনামৰ ক্ৰিয়াপদ হ'ব লাগিছিল 'নিদিলেচোন' কিন্তু ইয়াৰ পৰিবৰ্ত্তে দ্বিতীয় পুৰুষৰ মান্যাৰ্থৰ 'তুমি' সৰ্বনামৰ ক্ৰিয়াপদহে যোগ হৈছে।

সমাজভাষাবিজ্ঞানৰ অধ্যয়নত ভাষাৰ এনে লোকৰূপক Hypercorrection বা অতিশুদ্ধিকৰণ বুলি কৈছে। সাধাৰণতে দেখা যায়, এজন ব্যক্তিয়ে কোনো ভাষাৰ ব্যৱহাৰ ব্যাকৰণগতভাৱে ভুলকৈ কৰিলে, সেয়া ভুল বুলি উপলব্ধি কৰি তেওঁ শুদ্ধ কৰিবলৈ প্ৰয়াস কৰে। কিন্তু কেতিয়াবা দেখা যায় ভাষাৰ ব্যাকৰণগত নিয়ম নাজানি শুদ্ধ কৰিছোঁ বুলি পুনৰ ভুলকৈ প্ৰয়োগ কৰে। ভাষাৰ এনে প্ৰয়োগকে 'অতিশুদ্ধিকৰণ 'বুলি কোৱা হয়। অৰ্থাৎ স্বাভাৱিকভাৱে সিদ্ধ হোৱা ব্যাকৰণিক ৰূপটোকে ভুল বুলি ভাবি আৰু শুদ্ধ কৰিবলৈ গৈ অশুদ্ধিটোৱেই 'অতিশুদ্ধিকৰণ'।[২]

**লোকসমাজৰ বিভিন্ন বাকভঙ্গী ঃ**

লোকভাষাৰ কথনভঙ্গীৰ সুৰত কথকৰ মনৰ ভাৱ স্পষ্টৰূপত প্ৰকাশ পায়। উপমা, উদাহৰণেৰে বক্তাই সেইভাষা ফুটাই তোলে। উদাহৰণস্বৰূপে—

ক) ভোগাই - এ, ছাঁতে বহি **অখন্তক** জিৰাই **উৰাহটো** লৈছোঁ বোপাই! ৰাম ৰাম ৰাম ৰাম (জয়মতী, পৃষ্ঠা-৬১)

খ) নদাই - ইঃ **ধৰমীটো নেদেসিছাঁ**? ই নমৰে, **ভাৰস্তৰ নিকাৰমসা সাই** ইয়াতে থাকিব। (জয়মতী, পৃষ্ঠা-৬২)

গ) বান্দীয়ে হাতযোৰকৈ ক'লে, "দেউতা, **বেটীক মাৰকেই বা কাটকেই নকৈ নোৱাৰোঁ, আই দেউতাৰ ল'ৰা পাবৰ** হৈছিল দেখি মই বেজিনীক মাতি লৰি গৈছিলোঁ। (বুঢ়ী আইৰ সাধু, পৃষ্ঠা-৮৩)

**লোকসমাজত প্ৰচলিত বিভিন্ন গালি শপনি ঃ**

লোকসমাজত প্ৰচলিত বিভিন্ন গালি শপনিৰ মাজত লোকভাষাৰ পৰিচয় পোৱা যায়। যেনে-

ক) ধনাই ঃ (জাঁপ মাৰি উঠি) **ঔ কটা, লাপুং!** ইমানটো আকৌ বোলে ইহে ভাল, মইহে বেয়া, হেৰ, **গঁতাত মূৰ নৌ ছিঙোতেই** গুচি যা..। (টেটোন তামুলী, পৃষ্ঠা-৩৪)

খ) গেদগেদীয়ে গৰৈক জোকোৰা মাৰি উত্তৰ দিলে, "**বন্দী টভংমৰা; পোৱালি খোৰা**, নেখাওঁ যা।" (বুঢ়ী আইৰ সাধু, পৃষ্ঠা-৭২)

গ) কি অ' এইজনী **গোঁৱাৰ গোবিন্দ শাঁখিনী** তেজা। (জীৱনৰ বাটত, পৃষ্ঠা-৭২)

ঘ) "**পৈয়েৰৰ মূৰখাতী**, তোৰ আকৌ উভহা উত্তৰখন কিয়? (জীৱনৰ বাটত, পৃষ্ঠা-৭৪)

**লোকসমাজত প্ৰচলিত প্ৰবাদ বাক্য ঃ**

অসমীয়া লোকসমাজত প্ৰচলিত প্ৰবাদ পটন্তৰবিলাকৰ মাজত লোকভাষাৰ প্ৰয়োগ পৰিলক্ষিত হয়। যেনে—

ক) চাপৰিলে মেঘ নেৰায়। (গাঁওবুঢ়া, পৃষ্ঠা-২৭৬)

খ) সাতপুৰুষ গ'ল উদৰ কেঁচা মাছ খাওঁতে এতিয়া তাক লাগে ভজা, খড়িকাত দিয়া আৰু পাতত দিয়া (সাধনী, পৃষ্ঠা-১৪)

গ) মানুহে কথাতে কয়, "কাউৰী টেঙৰ মাউৰী টেঙৰ' (বুঢ়ী আইৰ সাধু, পৃষ্ঠা-৩২)

**লোকসমাজত প্ৰচলিত বিভিন্ন বিদেশী শব্দৰ জতুৱাকৰণ[3] ঃ**

বিদেশী ভাষাৰ কিছুমান শব্দ লোকভাষীৰ মুখত নতুন ৰূপ লৈ নিজা ভাষাৰ দৰে ব্যৱহাৰ কৰা হয়। কেতিয়াবা নিজ ভাষাৰ প্ৰত্যয়, সমাৰ্থক শব্দ যোগ কৰি শব্দটো একেবাৰে জতুৱা বা ঘৰুৱা ৰূপ দিয়া হয়। উদাহৰণ—

Godown > গোদাম, Report > ৰেপট, Mobile > মবিল, Train > তেন Charger > চাজাৰ ইত্যাদি।

**নিজা প্ৰত্যয়ৰ সংযোগত সৃষ্ট শব্দ** যেনে - Master + অনী = মাষ্টৰণী, doctor + অনী = ডাক্তৰণী

**সমাৰ্থক শব্দৰ সংযোগত সৃষ্ট শব্দ** যেনে - Bus + গাড়ী = বাছগাড়ী, Pocket + গৰম = পকেট গৰম

**পৰিৱৰ্তন ঃ**

সমাজৰ দ্ৰুত পৰিৱৰ্তনৰ লগে লগে ভাষাটোলৈও পৰিৱৰ্তন আহিছে। বৰ্তমান সময়ত তথ্য আৰু প্ৰযুক্তি বিদ্যাই সমগ্ৰ পৃথিৱীখনক এখন গাঁৱত পৰিণত কৰিছে। ইণ্টাৰনেটৰ জৰিয়তে সমগ্ৰ পৃথিৱীৰ খবৰ আমি মুহূৰ্ততে ল'ব পাৰোঁ। ফেচবুক, ৱাট্চএপ, টুইটাৰ (X), ই-মেইলৰ জৰিয়তে পৃথিৱীৰ যিকোনো স্থানৰ ব্যক্তিৰ লগত আমি যোগাযোগ কৰিব পাৰোঁ। বৰ্তমান সময়ত সমগ্ৰ পৃথিৱীখনতে দখল কৰা ইংৰাজী ভাষাৰ যথেষ্ট প্ৰভাৱ অসমীয়া ভাষাত পৰিছে। সমাজৰ পৰিৱৰ্তনে অসমীয়া ভাষালৈ পৰিৱৰ্তন অনাৰ লগে লগে অসমীয়া লোকভাষাৰ প্ৰয়োগৰ ক্ষেত্ৰতো পৰিৱৰ্তন পৰিলক্ষিত হৈছে। অতি সাম্প্ৰতিক কালত বিশেষকৈ যুৱ প্ৰজন্মৰ মুখত শুনিবলৈ পোৱা - **বিণ্ডাছ, ঝকাচ, কামোৰ, ব'ৰ, বেল, হেড অফিচ/টেমা (মূৰ), চিয়ান, চেনি, ফাল্টু, জেং, গেহেৰা, চেটেপ, চামচা, লেবেল দিয়া, মাথা মাৰ, কমচে কম, গুলি মাৰ, বে, আবে, মস্তি কৰ, ফাই-ফাই, ফাটাফাটি, আসাম টেক্টৰ (গাহৰি মাংস), বৈদ্য, বেজাই (বৰ বেছি)** আদি নতুনকৈ সৃষ্টি হোৱা লোকভাষাৰ উদাহৰণ।

**বৃত্তিগতভাৱেও কিছুমান লোকভাষাৰ সৃষ্টি হৈছে।** যেনে পোৱালি (হেন্দিমেন), যাব দিয়া / যা যা, জল্দি ইত্যাদি যাত্ৰীবাহী বাছৰ ক্ষেত্ৰত ব্যৱহাৰ কৰে। গাড়ী মটৰৰ বিভিন্ন 'পাৰ্টচ'ৰ নামো তেওঁলোকে নিজা ধৰণেৰে উচ্চাৰণ কৰে। যেনে— চকেট জাবাৰ (Shock absorber), পামচাৰ (puncture) ইত্যাদি।

**লোকভাষাত লোক ব্যুৎপত্তি বা লোক নিৰুক্তি** (Folk etymology)**ৰ দ্বাৰা সৃষ্ট কিছুমান শব্দ পোৱা যায়।** তেনে শব্দ 'মূলত কিবা আছিল; কিন্তু সাদৃশ্যতাজনিত কাৰণত নিজৰ চিনাকি শব্দৰে অৰ্থ দিবলৈ বৃথা যত্ন কৰা দেখা যায়। যেনে— Arm chair ক বাহুযুক্ত চকীৰ পৰিৱৰ্তে আৰামী চকী বোলা[4] হয়।

**অতি সাম্প্ৰতিকত বিভক্তিহীনতা অসমীয়া লোকভাষাৰে এক লক্ষণ।** যেনে—

শিৱসাগৰ যাওঁ, দেউতা ঘৰত আছেনে?

(শিৱসাগৰলৈ যাওঁ, দেউতাৰা ঘৰত আছেনে? )

**অতি সাম্প্ৰতিক কালৰ ছাত্ৰ-ছাত্ৰীসকলৰ কথোপকথনত দুইধৰণৰ ভাষাৰূপ দেখা যায়**— অসমীয়া মাধ্যমত পঢ়া ছাত্ৰ-ছাত্ৰীসকলৰ মুখৰ খাটি অসমীয়া ভাষা আৰু ইংৰাজী মাধ্যমৰ বিশেষকৈ- Conventত পঢ়া ছাত্ৰ-ছাত্ৰীসকলৰ মুখৰ অসমীয়া ভাষা। Convent-ত পঢ়া ছাত্ৰ-ছাত্ৰীসকলৰ মুখত

অসমীয়া ভাষাৰ শব্দৰ উচ্চাৰণ স্বাভাৱিকতে এনে শুনা যায়— মায়ে খয় (মায়ে কয়), বেছি খৰে (বেছি কৰে), ওৱানটা, ফাইভটা, থাৰ্টীটা ইত্যাদি।

তদুপৰি ইংৰাজী আৰু হিন্দী ভাষাৰ প্ৰভাৱত অসমীয়া ভাষাৰ বাক্যত ব্যৱহাৰ কৰা সদৰ্থক 'হয়' ৰূপৰ প্ৰয়োগ পৰিলক্ষিত হয়। যেনে—

তেওঁ মোৰ ভাইটি হয়। (He is my brother / ৱহ মেৰা ভাই হায়।)

ভাষাৰ এনে লোক ৰূপক অতিশুদ্ধিকৰণৰ আওতাত অন্তৰ্ভুক্ত কৰিব পাৰি।

**উপসংহাৰ ঃ**

"অসমীয়া লোকভাষা ঃ পৰম্পৰাগত প্ৰয়োগ আৰু পৰিৱৰ্তন" শীৰ্ষক অধ্যয়নৰ যোগেদি সামগ্ৰিকভাৱে তলৰ সিদ্ধান্তকেইটাত উপনীত হ'ব পাৰি—

১. লোকভাষা জীৱন্ত, কৃত্ৰিমতাবিহীন, স্বাভাৱিক ভাষা।

২. লোকভাষা কোনো প্ৰচলিত ব্যাকৰণৰ সীমাৰেখাত আবদ্ধ নহয়।

৩. লোকভাষাৰ মাজত অঞ্চলভেদে, সমষ্টিগত জীৱনভেদে মানুহৰ কথ্য ভাষাৰ ধ্বনিগত, ৰূপগত, শব্দগত বিশেষত্ব ফুটি উঠে।

৪. ইয়াৰ অধ্যয়নৰ জৰিয়তে একোখন সমাজৰ সাংস্কৃতিক দিশবোৰৰো উমান পাব পাৰি।

৫. লোকভাষাৰ মাজতহে অসমীয়া ভাষাৰ প্ৰকৃত স্বৰূপ প্ৰকাশিত হয়। অৱশ্যে পৰিৱৰ্তিত লোকভাষাই অসমীয়া ভাষাৰ প্ৰকৃত স্বৰূপ দাঙি ধৰিব নোৱাৰে।

পৰিশেষত ক'ব পাৰি যে একো একোটা ভাষাৰ স্বাভাৱিক তথা প্ৰকৃত সৌন্দৰ্য লোকমুখৰ ভাষাৰ মাজতহে জীয়াই থাকে। অৱশ্যে লোকভাষাৰ তথ্য আহৰণৰ ক্ষেত্ৰত বিশেষ সাৱধানতা গ্ৰহণ কৰা প্ৰয়োজন। কিয়নো পৰিৱৰ্তনশীল সমাজে ভাষাক নিয়ন্ত্ৰণ কৰে। পৰিৱৰ্তিত সমাজৰ কৃত্ৰিমতাই ভাষাক আৱৰি ধৰিলে লোকভাষাই কৃত্ৰিমতাৰ বুকুত স্বকীয়ত্ব হেৰুওৱাৰ সম্ভাৱনা প্ৰবল। সেয়ে লোকভাষা সম্পৰ্কীয় তথ্য আহৰণ তথা বিশ্লেষণৰ ক্ষেত্ৰত বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ জ্ঞান অতিকৈ প্ৰয়োজন। ❑❑

**প্ৰসংগ টীকা ঃ**

১. W. Edson Richmond, Folklore and Folklife, Ed. R.M.Dorson, p-148

২. উপেন ৰাভা হাকাচাম, লোকভাষাৰ প্ৰকৃতি বিচাৰ, পৃষ্ঠা-১০২

৩. উল্লিখিত, পৃষ্ঠা-১১

৪. উল্লিখিত, পৃষ্ঠা-৪

**প্ৰসংগ পুথি ঃ (অসমীয়া)**


১. কোঁৱৰ, অৰ্পণা
শৰ্মা, অনুৰাধা (সম্পা.), ২০০৮ ঃ **ভাষাবিজ্ঞান পাৰিভাষিক কোষ**, অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়।

২. গোহাঞি বৰুৱা, পদ্মনাথ, ২০০৮ ঃ **টেটোন তামুলী**, এম. এল পাব্লিকেচন, গুৱাহাটী, প্ৰথম প্ৰকাশ।

৩. গোহাঞি বৰুৱা, পদ্মনাথ, ২০০৮ ঃ **গোহাঞি বৰুৱা ৰচনাৱলী**, গুৱাহাটী, চতুৰ্থ প্ৰকাশ।

৪. বৰুৱা, বিৰিঞ্চি কুমাৰ, ১৯৯৭ ঃ **জীৱনৰ বাটত**, বীণা লাইব্ৰেৰী, গুৱাহাটী।

৫. বেজবৰুৱা, লক্ষ্মীনাথ, ২০০৫ ঃ **বুঢ়ীআইৰ সাধু**, বীণা লাইব্ৰেৰী, গুৱাহাটী।

৬. শৰ্মা, নবীন চন্দ্ৰ, ২০১০ ঃ **অসমীয়া লোকসংস্কৃতিৰ আভাস**, বাণী প্ৰকাশ, গুৱাহাটী।


**প্ৰবন্ধ ঃ**


**লোকভাষা আৰু অসমীয়া লোকভাষা**, উনত্ৰিশ সংখ্যক পৰিশীলন পাঠ্যক্ৰম, মানৱ সম্পদ উন্নয়ন কেন্দ্ৰ, গুৱাহাটী বিশ্ববিদ্যালয়ত প্ৰদান কৰা বক্তৃতা, খগেশ সেন ডেকা।

# শিক্ষাৰ্থীৰ মাজত আৰ্থিকভাৱে স্বাৱলম্বী হোৱাৰ মানসিকতা

● গীতিকা তালুকদাৰ
সহকাৰী অধ্যাপিকা, শিক্ষাতত্ত্ব বিভাগ

সৰল অৰ্থত আৰ্থিকভাৱে স্বাৱলম্বী হোৱা মানে কোনো এজন ব্যক্তি আন এজন ব্যক্তিৰ ওচৰত অৰ্থনৈতিকভাৱে নিৰ্ভৰশীল নোহোৱা অৱস্থাক বুজায়। এই ধাৰণাটো বৰ্তমানৰ সামাজিক প্ৰেক্ষাপটত অতি তাৎপৰ্যপূৰ্ণ। কিয়নো এখন দেশৰ অৰ্থনৈতিক বিকাশত দেশখনৰ জনসাধাৰণৰ আৰ্থিক স্বাৱলম্বিতাৰ এক ওতঃপ্ৰোত সম্পৰ্ক আছে। প্ৰতিজন নাগৰিকৰ প্ৰকৃত জনমূৰি আয় বৃদ্ধিয়ে দেশখনৰ ৰাষ্ট্ৰীয় আয় বৃদ্ধিত অৰিহণা যোগায়। এই নাগৰিকসকল আন কোনো নহয়, দেশখনৰ প্ৰতিগৰাকী শিক্ষাৰ্থী যিয়ে ভৱিষ্যৎ সমাজখনৰ নাগৰিক হিচাপে নিজক প্ৰতিনিধিত্ব কৰে। সেয়ে কোৱা হয় যে আজিৰ ছাত্ৰ কাইলৈৰ নাগৰিক। গতিকে ফুল কুমলীয়া ছাত্ৰ-ছাত্ৰী তথা শিক্ষাৰ্থীৰ মন-মগজুত অধ্যয়নৰ অৱস্থাৰ পৰাই আৰ্থিকভাৱে স্বাৱলম্বী হোৱাৰ মানসিকতা গঢ় দিব লাগে যিটো বিভিন্ন উন্নত দেশ (উদাহৰণস্বৰূপেঃ আমেৰিকা)ত আৰ্থিকভাৱে স্বাৱলম্বী হোৱাৰ ওপৰত ছাত্ৰাৱস্থাৰ পৰাই অধিক গুৰুত্ব প্ৰদান কৰা হয়। অৱশ্যে, আমাৰ সমাজ ব্যৱস্থাত ইয়াৰ ওলোটা ছবিহে দেখা পোৱা যায়। আমাৰ সমাজ ব্যৱস্থাত সন্তানৰ পঢ়া-শুনা সম্পূৰ্ণ নোহোৱালৈকে অভিভাৱকে সম্পূৰ্ণ দায়িত্ব বহন কৰে। অৱশ্যে দুই-একৰ ক্ষেত্ৰত ব্যতিক্ৰম পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে যদিহে অভিভাৱকৰ আৰ্থিক অৱস্থা স্বচ্ছল নহয় তেতিয়া সন্তানে উপায়বিহীন হৈ নিজৰ পঢ়াৰ খৰচ উলিওৱাৰ লগতে যাৱতীয় অন্যান্য খৰচ বহন কৰি অভিভাৱকৰ ওপৰত আৰ্থিক নিৰ্ভৰশীলতাৰ পৰা মুক্ত হোৱাৰ সমান্তৰালভাৱে পৰিয়ালক আৰ্থিক সকাহ প্ৰদান কৰে। ঠিক সেইদৰে পঢ়ি থকা অৱস্থাতেই চাকৰি লাভ কৰা সন্তানেও পৰৱৰ্তী অধ্যয়ন কাৰ্য নিজৰ উপাৰ্জিত ধনেৰে কৰাৰ লগতে পৰিয়ালকো আৰ্থিক সকাহ দিবলৈ সক্ষম হয়। এনে দুই-এক পৰিস্থিতিৰ বাহিৰে আমাৰ সমাজত পঢ়ি থকা অৱস্থাত আৰ্থিকভাৱে স্বাৱলম্বী হোৱাৰ উদাহৰণ কম দেখা যায়। এনে পৰনিৰ্ভৰশীলতাৰ মানসিকতা ব্যক্তিগত তথা সামাজিক উন্নতিৰ কাৰণে শুভলক্ষণ বুলি ক'ব নোৱাৰি, এজন ব্যক্তি আৰ্থিকভাৱে পলমকৈ স্বাৱলম্বী হোৱা অথবা নিবনুৱা হৈ থকাটো এখন দেশৰ অৰ্থনৈতিক প্ৰগতিক্ষেত্ৰত প্ৰধান অন্তৰায় বুলি ক'ব পাৰি। সেয়ে, আমাৰ সমাজত পৰম্পৰাগতভাৱে প্ৰচলিত হৈ থকা ধাৰণা পঢ়ি থকা অৱস্থাত সন্তান পৰনিৰ্ভৰশীল হৈ থাকিলেও অভিভাৱকে সম্পূৰ্ণকৈ সন্তানৰ দায়িত্ব লৈ সন্তানক সচেতন নকৰা দিশ তথা মনোভাৱৰ পৰিৱৰ্তন দৃষ্টিভংগীৰে চোৱাৰ মানসিকতা আহি পৰিছে। কিয়নো বৰ্তমান নিত্য ব্যৱহাৰ্য

সামগ্ৰীৰ জুই-চাই দামে কিছুসংখ্যক জনসাধাৰণক প্ৰতিদিনে স্বাভাৱিক কেলৰিযুক্ত খাদ্য খোৱাৰ পৰা বঞ্চিত কৰিছে নতুবা তেনে পৰিস্থিতিৰ উপক্ৰম হৈছে। এই ক্ষেত্ৰত আজিৰ পৰা দহ বছৰ আগৰ আৰু বৰ্তমান অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যৰ মাজত এক বৃহৎ ব্যৱধান আছে বুলি ক'ব পাৰি। এই দিশৰ পৰাও এতিয়াৰ সমাজখনত এজন ব্যক্তিৰ ওপৰত আৰ্থিকভাৱে সকলো নিৰ্ভৰশীল হ'লে ব্যক্তিগত পৰ্যায়ত পৰিয়ালটো আৰ্থিকভাৱে দুৰ্বল হৈ পৰাটো স্বাভাৱিক। সেয়ে, প্ৰতিজন ব্যক্তিয়ে নিজৰ সামৰ্থ অনুসৰি আৰ্থিকভাৱে স্বচ্ছল হোৱাৰ প্ৰয়োজনীয়তা আছে কিন্তু, আমাৰ সমাজ ব্যৱস্থাত যদিহে লক্ষ্য কৰা হয় তেতিয়া দেখিবলৈ পোৱা যায় যে ২১/২৪ বছৰ বয়সলৈ সন্তানে অভিভাৱকৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰশীল হৈ আনুষ্ঠানিক শিক্ষা সম্পূৰ্ণ কৰে। অধ্যয়ন কাৰ্য শেষ হোৱাৰ পৰৱৰ্তী পৰ্যায়ত সন্তানে অভিভাৱক, সম্পৰ্কীয় তথা শুভাকাংক্ষীৰ হেঁচাত লাহে লাহে নিজাকৈ কিবা এটা কৰিব লাগে বুলি অনুভৱ কৰিবলৈ লয়। কিন্তু যিসকল ল'ৰা-ছোৱালীয়ে ভাবিও কোনো অৰ্থনৈতিক পথৰ সন্ধান উলিয়াবলৈ সক্ষম নহয়, তেতিয়া উপায়বিহীন অভিভাৱকে পুনৰ সন্তানৰ ভৱিষ্যতৰ বাবে দোকান তথা ব্যৱসায়িক প্ৰতিষ্ঠান খুলি দিবলৈ বাধ্য হয়। আনকি উপযুক্ত বয়সলৈ আৰ্থিক কোনো পথৰ সন্ধান উলিয়াবলৈ সক্ষম নোহোৱা সন্তানক অভিভাৱকে বিয়াৰ সম্পূৰ্ণ খৰচ সন্তানৰ পৰা কোনো আৰ্থিক সহায় নোপোৱাকৈ নিজে ব্যয় কৰাৰ উদাহৰণ আমাৰ সমাজত তেনেই সুলভ। এই যে আমাৰ সমাজ ব্যৱস্থাত এনেকুৱা পৰিৱেশৰ সঘনাই সাক্ষী হোৱা যায়, ইয়াৰ বাবে প্ৰত্যক্ষভাৱে সন্তানক দোষাৰূপ কৰিব নোৱাৰি। কিয়নো, আমাৰ সমাজত অতীতৰ পৰাই পৰম্পৰাগতভাৱে প্ৰচলিত হৈ আহিছে। সেয়ে, সমাজ ব্যৱস্থাত প্ৰচলিত এনেবোৰ পৰিৱেশৰ সংশোধন ঘটোৱাটো নিশ্চয় প্ৰয়োজন আছে। ইয়াৰ বাবে আমাৰ শিক্ষাৰ্থীসকলৰ মানসিকতাৰ পৰিৱৰ্তন কৰিব লাগিব। ইয়াৰ দায়িত্ব আপোনাৰ মোৰ সমাজৰ প্ৰতিজন সদস্য-সদস্যাৰ।

এই ক্ষেত্ৰত অভিভাৱকৰ ভূমিকা সম্পৰ্কে কেইটামান দিশ আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে—

* অভিভাৱকে সন্তানক বিদ্যালয় স্তৰৰ শিক্ষাৰ পৰাই প্ৰণালীবদ্ধভাৱে সহজ-সৰল ভাষাত স্বাৱলম্বিতাৰ ধাৰণা সম্পৰ্কে সচেতন কৰি তুলিব লাগে।

* অভিভাৱকে সন্তানক স্বাৱলম্বিতাৰ ধাৰণা বাস্তৱমুখী কৰি তুলিবলৈ ঘৰুৱাভাৱে আন আন শিক্ষাৰ্থীক টিউচন কৰিবলৈ প্ৰেৰণা যোগাব পাৰে।

* সন্তানে নিজাকৈ অৰ্জন কৰিবলৈ শিকিলে মনত লাভ কৰা আত্মসন্তুষ্টিয়ে যে দুগুণ উৎসাহেৰে আন আন কাম কৰিবলৈ আগ্ৰহ বাঢ়িব এই বিষয়ে অভিভাৱকে বুজাব লাগে।

* অভিভাৱকে সন্তানক পঢ়ি থকা অৱস্থাতেই বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠান, কম্পিউটাৰ কেন্দ্ৰ আদিত যিকোনো সুবিধাজনক সময়ত আংশিকভাৱে যে কাম কৰিব পাৰে এই বিষয়ে উদগনি যোগাব পাৰে।

* বৰ্তমানৰ সামাজিক প্ৰয়োজনত কম্পিউটাৰৰ মৌলিক ধাৰণা প্ৰতিগৰাকী শিক্ষাৰ্থীৰ বাবে প্ৰয়োজনীয়। এই দিশটোৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি সন্তানৰ বাবে কম্পিউটাৰৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে যিয়ে সন্তানক সংস্থাপন লাভ কৰাত সহায় কৰিব পাৰে।

* অভিভাৱকে সন্তানক সকলোতকৈ বেছি হৃদয়ংগম কৰিব পাৰে। সেয়ে সন্তানৰ দেহ-মানসিক দিশটোক অগ্ৰাধিকাৰ প্ৰদান কৰি সাধাৰণ পাঠ্যক্ৰমৰ সমান্তৰালকৈ বৃত্তিমুখী পাঠ্যক্ৰমত শিক্ষা গ্ৰহণৰ প্ৰতি আগ্ৰহী কৰি তুলিব লাগে অৰ্থাৎ বৌদ্ধিক দিশৰ বিবেচনাৰে সন্তানক উচ্চ শিক্ষা, কাৰিকৰী শিক্ষা, বৃত্তিমূলক শিক্ষাৰ স্তৰত শিক্ষা গ্ৰহণৰ বাবে সাজু কৰি তুলিব লাগে।

* অভিভাৱকে সন্তানক সদায় বৰ্তমানৰ সমাজখনৰ অৰ্থনৈতিক দিশটোৰ বাস্তৱতাৰ লগত পৰিচয় কৰাব লাগে। এই অৰ্থনৈতিক দিশটোৰ লগত ভাৰসাম্য স্থাপনৰ বাবে স্বাৱলম্বিতা যে অতিকৈ গুৰুত্বপূৰ্ণ সেই বিষয়ে সামগ্ৰিকভাৱে বোধগম্য কৰিব লাগে যাতে সন্তানে বুজি উঠে যে কেৱল মাত্ৰ দেউতাক অথবা পিতৃ-মাতৃ উভয়ৰে ওপৰত সম্পূৰ্ণ নিৰ্ভৰশীল হ'লে পৰিয়ালৰ অৰ্থনৈতিক দিশটো দুৰ্বল হ'ব। গতিকে প্ৰথম পৰ্যায়ত ব্যক্তিগতভাৱে আৰু পৰৱৰ্তী পৰ্যায়ত এখন দেশৰ অৰ্থনৈতিক প্ৰগতিৰ বাবে স্বাৱলম্বিতা অতি প্ৰয়োজন।

* অভিভাৱকে সন্তানৰ অধ্যয়নৰ দিশত কেৱল মাত্ৰ নিজৰ হেঁচা প্ৰয়োগ কৰাৰ পৰিৱৰ্তে তেওঁলোকৰ ইচ্ছা-আকাংক্ষা, লক্ষ্য, সামৰ্থ্যতাকো গভীৰভাৱে বিশ্লেষণ কৰি চাব লাগে। কেতিয়াবা অভিভাৱকৰ ভুলৰ বাবেও সন্তানে

স্বাৱলম্বিতাৰ পথ হেৰুৱায় অথবা যথেষ্ট পলম হয়।

অভিভাৱকৰ সন্তানৰ প্ৰতি প্ৰথম ভূমিকা থকাৰ পিছতেই শিক্ষানুষ্ঠানৰ শিক্ষকসকলে দ্বিতীয় অভিভাৱক হিচাপে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। এই সম্পৰ্কত কেতবোৰ দিশ আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে—

* শিক্ষকে শ্ৰেণীকোঠাত শিক্ষাদান কৰাৰ সমান্তৰালভাৱে স্বাৱলম্বিতা মানে কি? স্বাৱলম্বিতাৰ জৰিয়তে শিক্ষাৰ্থীসকলে অধ্যয়ন কৰি থকা সময়ছোৱাতো নিজৰ খৰচ নিজে উলিওৱাৰ লগতে অভিভাৱকক কিছু হ'লেও সকাহ দিব পাৰে এই বিষয়ে বুজাবলৈ চেষ্টা কৰিব লাগে।

* শিক্ষকে শিক্ষাৰ্থীসকলক স্বাৱলম্বী হ'বলৈ বিভিন্ন কাহিনী অথবা উদাহৰণ দাঙি ধৰিব পাৰে যিয়ে শিক্ষাৰ্থীৰ মানসিকতাত পৰিৱৰ্তন আনিব পাৰে।

* শিক্ষকে শিক্ষাৰ্থীসকলক ঘৰতে থাকি কৰিব পৰা কামবোৰৰ কথা ক'ব পাৰে যিবোৰৰ বজাৰ মূল্য বা ব্যৱসায়িক ভিত্তি আছে আৰু যিবোৰ Online অথবা Offline দুই ধৰণে বিক্ৰীৰ বাবে যোগ্য। উদাহৰণস্বৰূপে— কেক্ তৈয়াৰ কৰা, বিভিন্ন আচাৰ তৈয়াৰ কৰা, বাঁহ-বেতেৰে ঘৰ সজোৱা বিভিন্ন বস্তু তৈয়াৰ কৰা অলংকাৰ হিচাপে বাঁহেৰে প্ৰস্তুত কৰিব পৰা বস্তু (উদাহৰণস্বৰূপে- কাণ ফুলি, ডিঙিত পিন্ধা আ-অলংকাৰ) ইত্যাদি।

* শিক্ষকে শিক্ষাৰ্থীক পঢ়ি থকা অৱস্থাতেই বিভিন্ন চাকৰিৰ বিজ্ঞাপন দেখিলে আবেদন কৰা, পৰীক্ষা দিয়া আৰু চাকৰি লাভ কৰিলে দুয়োটাকে সমানেই আগবঢ়াই লৈ যোৱা ইত্যাদি ধৰণে শিক্ষাৰ্থীক সজাগ কৰি তুলিব লাগে।

* শিক্ষাৰ্থীৰ বাবে শিক্ষক আদৰ্শ ব্যক্তি। বহুক্ষেত্ৰত সন্তানে অভিভাৱকৰ উপদেশতকৈ শিক্ষকে প্ৰদান কৰা উপদেশক অধিক গুৰুত্ব সহকাৰে লয়। সেয়ে শিক্ষকে যিকোনো প্ৰকাৰে অৰ্থাৎ সাম্প্ৰতিক পৰিস্থিতিত ক'ত কেনেধৰণে সংস্থাপন হৈছে, কেনেধৰণে শিক্ষাৰ্থীসকলে বৰ্তমানৰ লগত মিলিব পৰাকৈ নিজক প্ৰস্তুত কৰিব লাগিব, এই সম্পৰ্কে অভিৰোচিত কৰিব লাগে।

* শিক্ষানুষ্ঠানত শিক্ষকে সাধাৰণ পাঠ্যক্ৰম গ্ৰহণ কৰা শিক্ষাৰ্থীক সময়োপযোগী বৃত্তিমূলক পাঠ্যক্ৰম গ্ৰহণ কৰাৰ প্ৰতিও আগ্ৰহী কৰিব লাগে।

* শিক্ষানুষ্ঠানত সাধাৰণ পাঠ্যক্ৰমৰ সমান্তৰালকৈ বৃত্তিমূলক পাঠ্যক্ৰমৰো ব্যৱস্থা থাকিব লাগে। মেধাৰ ভিত্তিত উচ্চ শিক্ষাৰ বাবে শিক্ষাৰ্থী নিৰ্বাচন কৰাৰ সমান্তৰালকৈ বিদ্যায়তনিক দিশত দুৰ্বল শিক্ষাৰ্থী নিৰ্বাচন কৰাৰ সমান্তৰালকৈ বিদ্যায়তনিক দিশত দুৰ্বল শিক্ষাৰ্থীক বিভিন্ন বৃত্তিমূলক পাঠ্যক্ৰমত কম খৰচত পঢ়াৰ সুবিধা প্ৰদান কৰিব লাগে।

চৰকাৰেও এই ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে—

* চৰকাৰে সকলো স্তৰৰ শিক্ষাৰ্থী যাতে সমানে উপকৃত হয়, তাৰ বাবে যিদৰে সাধাৰণ পাঠ্যক্ৰমৰ শিক্ষানুষ্ঠান আছে ঠিক সেইদৰে বৃত্তিমূলক পাঠ্যক্ৰমৰ শিক্ষানুষ্ঠানো খুলিব লাগে। ইয়াৰ ফলত শিক্ষাৰ্থীসকল দক্ষতা ভিত্তিক পাঠ্যক্ৰমৰ প্ৰতি আগ্ৰহী হ'ব। অৱশ্যে, অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰীয়ে অলপতে ঘোষণা কৰে যে দহখন দক্ষতা ভিত্তিক শিক্ষানুষ্ঠান অসমৰ বিভিন্ন জিলাত খোলা হ'ব।

* বিশেষকৈ আৰ্থিকভাৱে পিছপৰা শিক্ষাৰ্থীসকলক কম খৰচত বৃত্তিমূলক পাঠ্যক্ৰম গ্ৰহণৰ সুবিধা প্ৰদান কৰিব লাগে।

* বৰ্তমানে উদ্যোগীসকলৰ প্ৰতি চৰকাৰে যি ইতিবাচক দৃষ্টিভংগী গ্ৰহণ কৰিবলৈ চেষ্টা চলাই আছে অদূৰ ভৱিষ্যতেও যাতে এনেধৰণে পদক্ষেপ গ্ৰহণ কৰিবলৈ প্ৰস্তুত থাকে।

মুঠৰ ওপৰত সামগ্ৰিকভাৱে আমাৰ শিক্ষাৰ্থীসকলৰ মনত পঢ়ি থকা অৱস্থাৰ পৰাই স্বাৱলম্বী হ'বলৈ সমাজৰ প্ৰতিজন ব্যক্তিয়ে উৎসাহ যোগাব লাগিব। কামৰ যে সৰু-বৰ নাই; নিজে অৰ্জন কৰাৰ মাদকতা যে সুকীয়া সেই কথা আমি শিক্ষাৰ্থীসকলক হৃদয়ংগম কৰিবলৈ শিকাব লাগিব। অভিভাৱকৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰশীল হোৱাৰ মানসিকতা ত্যাগ কৰি নিজৰ ক্ষমতা তথা সামৰ্থ্য অনুসৰি যিকোনো সৰু-বৰ কামৰ প্ৰতি আগ্ৰহী হৈ স্বাৱলম্বী হ'বলৈ শিকিব লাগিব। কিয়নো, এখন দেশে উন্নত দেশৰ মৰ্যাদা পাবলৈ দেশখনৰ কেইজনমান ব্যক্তিয়ে আৰ্থিকভাৱে স্বচ্ছল হ'লেই নহ'ব, দেশখনৰ প্ৰতিগৰাকী নাগৰিকৰ অৰ্থনৈতিক অৱদান প্ৰয়োজনীয়। সেয়ে, ভৱিষ্যত নাগৰিক ৰূপে পৰিচিত বৰ্তমানৰ শিক্ষাৰ্থীৰ মাজত আৰ্থিকভাৱে স্বাৱলম্বী হোৱাৰ মানসিকতা গঢ় দি তোলাটো সমাজৰ দায়িত্বশীল ব্যক্তি হিচাপে অভিভাৱক, শিক্ষক, জ্যেষ্ঠজন আৰু প্ৰশাসনিকভাৱে চৰকাৰৰ ইতিবাচক দৃষ্টিভংগী সদায় তাৎপৰ্যপূৰ্ণ। ❑❑

# মই ভাল শিক্ষক হ'ব নোৱাৰিলো

● মনীষা গগৈ
অংশকালীন শিক্ষয়িত্ৰী, উদ্ভিদ বিজ্ঞান বিভাগ

আজি লিখিব বিচাৰিছোঁ মোৰ মনে-প্ৰাণে বিচৰা এটা লেখনি। ক'ত আৰম্ভ কৰোঁ ক'ত শেষ কৰোঁ একো উৱাদিহ পোৱা নাই। দুই বছৰৰ অংশকালীন শিক্ষকতাৰ অভিজ্ঞতাৰ ফালৰ পৰা বহুদিনেই হাঁহিছো, বহুদিনেই চকুলো টুকিছোঁ। শিক্ষাদানক পেচা হিচাপে নহয় নিচা হিচাপে গ্ৰহণ কৰিছোঁ। সেইবাবেই চাগৈ মাহেকৰ মূৰত দৰমহা নোপোৱাকৈও কেতিয়াবা কেতিয়াবা মহাবিদ্যালয়লৈ ঢাপলি মেলিব লগা হয়। ল'ৰা-ছোৱালীৰ মায়াত আবদ্ধ হৈ নিজৰ বিপদক আওকাণ কৰি মহাবিদ্যালয়লৈ বুলি ঢপলিয়াওঁ। মহাবিদ্যালয়লৈ যাবলৈ বুলি কেতিয়াবা এনেকুৱাও হৈছে স্বাৱলম্বিতাৰ সপোনৰ পিছত দৌৰিব খোজা ছোৱালীজনীয়ে আই-পিতাইক টকা দহটা বিচাৰিবলৈ সংকোচ কৰি বেলেগৰ পৰা ধাৰ ল'ব লগা হয়। এই অতবোৰ কষ্টক সাৰথি কৰি নিজৰ মাজতে বহুবোৰ গোপনীয়তা বৰ্তাই ৰাখি হঠাৎ কেতিয়াবা যদি ছাত্ৰ-ছাত্ৰীক অমনোযোগী যেন দেখা পাওঁ তেতিয়াই মোৰ খং উঠে।

আজিৰ কাহিনীবোৰ মোৰ জীৱন অভিজ্ঞতাৰ পৰাই আৰম্ভ কৰিব বিচাৰিছো। মোৰ নিতৌ মনত হোৱা এটি প্ৰশ্ন "শিক্ষক-শিক্ষাৰ্থীৰ মধুৰ সম্পৰ্কত ঘূণে ধৰিছে" কিন্তু কিয়?

চাৰিটা ষাণ্মাসিক পঢ়ালোঁ, প্ৰতিদিনেই বহু নতুন নতুন ছাত্ৰ-ছাত্ৰীৰ লগত সংযোগ ঘটিল। প্ৰথম শিক্ষকতাৰ অভিজ্ঞতাত সিহঁতৰ আচাৰ-আচৰণ মনবোৰ সহজে বুজিব পৰা নাছিলোঁ। অৱশ্যে এতিয়ালৈ ময়ো মুখ মেলিলেই গৰ্ভ দেখা হ'লোঁগৈ।

বৰ বেছি দূৰ নাযাওঁ আমি কলেজত পঢ়ি থকা দিনলৈকে সকলোবোৰ ঠিক যেন লগা আছিল। ছাত্ৰ-ছাত্ৰীৰ শিক্ষকৰ লগত মধুৰ সম্পৰ্ক দেখা পাইছিলোঁ। দূৰতে গুৰুক দেখিলে শৃংখলাৱদ্ধ হৈ খোজ লোৱাৰ দিন আছিল। কিন্তু বৰ্তমান সময়ত ৮০ শতাংশ ছাত্ৰ-ছাত্ৰীৰ গাত এয়া স্বভাৱ পৰিস্ফুট নহয় যেন প্ৰতিদিনে প্ৰতিক্ষণে দেখি আহিছোঁ।

নিতৌ ডাঙৰ ল'ৰা-ছোৱালীৰ লগত লাগি থাকোঁ বাবে হয়তো বুজিব পাৰিছোঁ ইহঁতবোৰৰ মনবোৰ। অলপতে নিলিখোঁ বুলি ভবা বহুবোৰ কথাই মই লিখি ৰাখিলোঁ। ছাত্ৰ-ছাত্ৰীৰ লগত গুৰুৰ মধুৰ সম্পৰ্ক এই বিষয়ে আগতেও বহুবাৰ লিখিছোঁ। এয়াই প্ৰথম নহয়।

ঘপহকৈ কলেজৰ ছাত্ৰ-ছাত্ৰীবোৰ অ'ত ত'ত লগ পাওঁ, সিহঁতবোৰে আমাক দেখিলে নেদেখাৰ ভাও ধৰে। এটা কথা লক্ষ্য কৰিছো ইহঁতবোৰৰ মতে কেৱল মাত্ৰ যিজন শিক্ষকে পাঠদান কৰে তেওঁকহে সন্মান কৰিব লাগে। বাকীবোৰ সিহঁতৰ মতে কোন কূটা।

মোৰ অভিজ্ঞতা ফালৰ পৰা কওঁ এটা সঁচা কাহিনী। আনদিনাৰ দৰে মহাবিদ্যালয়লৈ যাবলৈ ময়ো গাড়ীত বহিলোহি। সেই গাড়ীখনত মই পঢ়োৱা মহাবিদ্যালয়ৰে কেইবাগৰাকী ছাত্ৰ-ছাত্ৰী আহিছিল। তাৰে এগৰাকীয়ে মেম আহিলে বুলি সন্মানেৰে মূৰ দোঁৱালে। গাড়ীখনত বহিবলৈ চিট এটাই মাত্ৰ খালী আছিল। ময়ো সময়তে শ্ৰেণী কোঠাত প্ৰৱেশ কৰিবৰ বাবে যেনে-তেনে তাতে বহি কলেজলৈ বুলি ৰাওনা হ'লোঁ। মোৰ ওচৰতে কলেজৰ আন এগৰাকী ছাত্ৰী বহি গৈছিল।

তাইক মই চিনি পাইছোঁ। কিন্তু তাইক মই নপঢ়াও বাবেই চাগৈ মোক মতাও নাছিল। গপত গংগাটোপযেন হৈ বহি গৈছিল। মোৰ বহিবলৈ চিটটোত অসুবিধা হৈছিল। ঠাইকণ ঠেক আছিল। অথচ তাই লৰচৰ নহ'ল। ময়ো অৱশ্যে তাইক অনুৰোধ নকৰিলোঁ। কষ্ট কৰি তেনেকৈয়ে বহি গ'লোঁ। কিছুদূৰ যোৱাৰ পাছত তাই মোৰ ভৰিৰ ওপৰত তাইৰ ভৰিখন থৈ গচক মাৰি দিলে। মই ভালকৈয়ে জানো যে সেয়া তাইৰে ভৰি হয়। কাৰণ অনুভৱেও সঁচা প্ৰমাণকে দি যায়। তাইৰ ফালে মই ঘূৰি চাই একো নজনাযেন দেখুৱাই ক'লোঁ তোমাৰ ভৰিটো মোৰ ভৰিৰ ওপৰত ৰাখিছা। গম পোৱা নাইনে? তাইৰ মুখত মইবৰ যেন লগা এটা হাঁহি দেখা পালোঁ। মই জানো যদি কলেজৰ চৰকাৰী শিক্ষক হ'লোহেঁতেন এয়া ব্যৱহাৰ হয়তো তাই মোক নকৰিলহেঁতেন। এই ব্যৱহাৰত তাইক মই টানকৈ একো নক'লোঁ। মনতে বহুত ডাঙৰ এটা দুখ লৈ মহাবিদ্যালয়ত প্ৰৱেশ কৰিলোঁ। অৱশ্যে এই দুই এটা ঘটনাই মোক বহুত দুখ দি যায়।

লক্ষ্য কৰো শিক্ষক-শিক্ষয়িত্ৰী ওচৰত থাকিলেও কিছুমানে বেয়া কথা ক'বলৈ লাজ নকৰে। ইমান তললৈ যাব পাৰেনে আমাৰ ল'ৰা-ছোৱালীবোৰ। হয়, সেই ঠাইৰ পৰা নিজেই অৱশেষত আঁতৰি আহিব লগা পৰিস্থিতিৰ উদ্ভৱ হয়। হয়তো কোনোবাদিনা সিহঁতৰ বাবেই নোখোৱাকৈয়ে মহাবিদ্যালয়লৈ বুলি দৌৰ মাৰোঁ। ঘৰৰ পৰা ৩০ মিনিটৰ বাট। কিজানিবা ভাতকেইটা গিলি গ'লে দেৰি হয় ভাবি নোখোৱাকৈও ঢপলিয়াই যাব লগা হয়। দিনটোৰ শ্ৰমৰ অন্তত আমি অংশকালীন অধ্যাপকসকলে যি মাননি মাহটোৰ শেষত লাভ কৰো সেয়া নিচেই নগণ্য। অথচ জ্ঞানদানৰ সমান পুণ্য কাম নাই বুলি মনতে ভাবি মই বৃত্তি হিচাপে নলৈ নিচা হিচাপে গ্ৰহণ কৰি আজি দুবছৰে মহাবিদ্যালয়ৰ সহকাৰী অংশকালীন অধ্যাপিকা হিচাপে নিয়োজিত হৈ আছোঁ। কেৱল পাঠদানৰ মাজতেই সীমাবদ্ধ নাথাকি বহুবোৰ নীতিশিক্ষা সময়ত দি যাবলৈ যত্ন কৰোঁ। মই নিজকে ছাত্ৰ-ছাত্ৰীৰ আগত শিক্ষক হিচাপে অনুভৱ নকৰাওঁ। কাৰণ মই নিজেই অনভিজ্ঞ। হয়, বেয়া দেখিলে গালি পাৰোঁ, ধমকিও দিওঁ সেয়া শিক্ষক হিচাপে দায়িত্ব। কিন্তু তাতেই আমাৰ সন্মানকণ শেষ হৈ যায় নেকি?

অৱশ্যে... এজন বা দুজন ছাত্ৰ-ছাত্ৰীৰ বাবে সৰহসংখ্যক ছাত্ৰ-ছাত্ৰীক বেয়া বুলি ক'লে হয়তো ভুল হ'ব। কিছুমান ছাত্ৰ-ছাত্ৰী আছে ভয় শংকা দূৰতে দলিয়াই নজনাটোক সুধিবলৈ বা জানিবলৈ ঢপলিয়াই আহে। শিক্ষকৰ ভয়াৰ্ত মুখাবয়ব দেখিও মৌৰস দি হুঁহুৱাবলৈ কুণ্ঠাবোধ নকৰে। এইবোৰ দেখি উদাস মনটো আনন্দত নাচি উঠে। মোৰ লগত এনেকুৱাও হৈছে যিকেইজন সৎ, নিষ্ঠাবান, মেধা ছাত্ৰ-ছাত্ৰী আছে সিহঁতৰ মুখখন দিনটোত এবাৰ দেখিলেই মন ভৰি পৰে। জীৱনৰ সকলো দুখ যেন তাতেই মই হেৰুৱাই পেলাওঁ। তেওঁলোক প্ৰকৃত পক্ষত ভাল মানুহ হওক মই সেয়াই আশা কৰোঁ। শেষত নিজকে অপদাৰ্থ শিক্ষক হিচাপে তুলনা কৰি হ'লেও ক'ব খোজোঁ ভগৱানক- "তোমালোকৰ ভাল হওক"।

**অভিজ্ঞতা - ২**

শিক্ষক আৰু শিক্ষাদানৰ মাদকতাই সুকীয়া নহয় জানো? এই বিশেষ দিনটোত মই বৰ দুখী সেয়ে হয়তো কথাবোৰ শ্বেয়াৰ কৰিবৰ মন গ'ল।

নিজকেই কেতিয়াবা সৰুৰ ওচৰত ক্ষমা বিচাৰি পাইছেনে? যদি নাই পোৱা কাহিনীটোৰ মাজলৈ যাওঁ ব'লক।

দিনটোৰ সদা ব্যস্ততা মহাবিদ্যালয়ত ৯ বজাৰ পৰাই আৰম্ভ হয়। নিতৌ একেখিনি কামকেই হয়তো কৰা হয়। পঢ়ুওৱা হয়, পৰীক্ষা লোৱা হয়। কিন্তু মই নিজক অলপ বেলেগকৈ চাব শিকিছোঁ বাবেই হয়তো ছাত্ৰ-ছাত্ৰীবোৰকো পৃথকভাৱে শিকাব চেষ্টা কৰি আছোঁ। সেয়া পাঠ্যপুথিৰ শিক্ষা নহয়। তাৰ লগতে সংলগ্ন নীতি কথাহে।

যুৱচামৰ লগত প্ৰতিটো দিন এইদৰেই পাৰ কৰোঁ। এনেকৈয়ে দুটা বছৰে হ'ল। ইহঁতবোৰক বুজিছোঁ সেয়ে হয়তো কোনোবাখিনিত ইহঁতক নম্বৰ কেন্দ্ৰিক শিক্ষা প্ৰদান কৰাতকৈও প্ৰকৃত মানুহ হোৱাৰ জ্ঞানকণো দি যাব মন যায়। সেয়ে প্ৰথম class-টো কৰি ওলাই আহোঁতে দ্বিতীয় class-টোৰ বাবে ৰৈ থকা B.Sc. Minor student (4th semester) সিহঁতক বেলেগ এটা কক্ষত বহি থকা দেখা পালো। ঘপহকৈ চকু গ'ল বেঞ্চৰ শেষলৈ এইটো ষাণ্মাসিকত এদিনো class-ত নেদেখা এশাৰীকৈ ল'ৰা। মোৰ দেখিয়ে খং উঠি গ'ল কাৰণ ইহঁতৰ হয়তো কাৰোবাৰ বাবে এয়াই প্ৰথম class। আনফালে

ষাণ্মাসিকৰ ফাইনেল পৰীক্ষা ওচৰ চাপিলে। তেতিয়াই ভাবিলো গালি দিওঁনে পঢ়াই লওঁ। এই ভাবি লাহেকৈ ময়ো কমন ৰুমৰ পৰা ওলাই আহিলো হাতত কিতাপ আৰু ৰেজিষ্টাৰখন লৈ। ৰুমত সোমায়ে ক'লো শেষৰকেইজন যে আজিহে দেখিছোঁ! অ'তদিন ক'ত লুকাই আছিলা? সিহঁতৰ অৱশ্যে মাত নাই। কাৰণ মোৰ খংটো জনাই জানে। সিহঁতৰ লগতে সদায় অহাকেইটাও তল মূৰ কৰা লক্ষ্য কৰিলোঁ।

Slybus-খন লগতে মই পঢ়োৱা পেপাৰখনৰ নাম কি সুধিলো। সেয়া যেনিবা অলপ পৰ ৰৈ ক'ব পাৰিলে। তাৰ মাজতনো কি কি কথা আছে, কি কি পঢ়ালোঁ সুধোতে নোৱাৰিলে।

অৱশ্যেই এইটো কথাত যাৰ হ'লেও খং উঠিব। সেয়ে এফালৰ পৰা ন-পুৰণি সকলোকে গালি দিবলৈ আৰম্ভ কৰিলো। ক'লো যে- কলেজলৈ কেৱল প্ৰেম কৰি আড্ডা দিবলৈকে আহে নেকি? কলেজ অহাৰ উদ্দেশ্যই এয়াইনে? নে আন কিবা আছে? মা-দেউতাৰ টকাৰে কিমান দিন উৰিবা-ফুৰিবা। আৰু এটা বৰ্ষ আছে তাৰ পাছতটো ঘৰত কোনেও বহি খাব নিদিয়ে, কি কৰি খাবা। কোনোবাই বুকুত হাত থৈ ক'ব পাৰিবানে যে মই নিজৰ ইনকামেৰে পঢ়িছোঁ বুলি? নাই ইমানপৰে কাৰো মাত নাই। সিহঁতে গম পালে মোৰ খংটো যে চুলিৰ আগত আছেহি।

এনেকৈ বহু কথা বুজাই গ'লো। ক'লো মা-দেউতাৰটো মন যায় এযোৰ ভাল কাপোৰ ল'বলৈ, দূৰ দূৰণিলৈ ফুৰিবলৈ যাবলৈ, ভাল মিঠাই খাবলৈ কিন্তু তোমালোকৰ বাবেইটো য'ত যেনেকৈ এটকা পাই আলফুলে সাঁচি ৰাখে কিজানিবা ল'ৰাটো বা ছোৱালীজনীৰ ছেমিষ্টাৰ পৰীক্ষাত প্ৰয়োজন হয়। কিন্তু তোমালোকে কেতিয়াবা এই কথা ভাবি চাইছানে যে মা-দেউতাই কিমান ত্যাগ কৰি তোমালোকক কলেজত পঢ়িবলৈ পঠাইছে? কিমান মানুহৰ ওচৰত দুটকা ধাৰ খুজি ককৰ্থনা শুনিছে? আশাৰে চাগে ৰৈ আছে নহয়নে যে সন্তানে আৰু এবছৰ পাছত ডিগ্ৰী পঢ়ি ওলাব, চাকৰি কৰিব, আমাৰ দুখ আঁতৰিব এইবুলি! কিন্তু তোমালোকে কৰি আছা কি? সময়ৰ সোঁতত আন এচামৰ দৰেই উৰি গৈ নিজক নষ্ট কৰাৰ বাহিৰে কিবা ভাল কাম কৰিছা জানো?

মই ক'লো যে কেৱল তোমালোকক পঢ়ালে বুলিয়ে সেইজনকে যে গুৰু জ্ঞান কৰিবা তেনে নহয়, আমাৰ দৰে কম দৰমহা পোৱা Contractual teacher ক বহু ছাত্ৰ-ছাত্ৰীয়ে ৰাস্তাত জানি বুজি গছকি থৈ গৈছে ভিৰৰ মাজত, বাটত দেখিলে মুখখন ঘূৰাই দিছে? কাৰণটোনো কি? আমিবোৰ শিক্ষক নহয় নেকি? নে টকা নাইকিয়া শিক্ষক হোৱাৰ বাবেই আমাৰ সন্মান নাই?

সিহঁতক বুজাব যত্ন কৰিলোঁ যে এদিন টকা হ'ব কিন্তু আমাৰ আজিয়ে এই অৱস্থা হ'লে চৰিত্ৰ ভাল নাথাকিব। ধিতিঙালি কোবাই আমি বৰ্তমানেই নিজক নষ্ট কৰি আছোঁৱে। ঘৰৰ ওচৰৰ ভাইটি এটাক টাউনত লগ পালে দেচোন ২০ টকা কৈ কেপি, শিখৰ নিজেও খাওঁ লগতে সেইজন ভাইটিকো শিকাওঁ। কিন্তু ১৮ ৰ পৰা ২১ বছৰ বয়সীয়া পূৰ্ণ মগজুৰে পৰিপূৰ্ণ এইবোৰ কথাই জানো তহঁতৰ জীৱনত শোভা পায়? তহঁতিয়েতো দেশৰ ধৰণী। এতিয়াই নিজক চিনি নাপালে, চৰিত্ৰ, ব্যৱহাৰ আদি ঠিক কৰি নল'লে আৰু দুটা বছৰৰ পাছত জানো তহঁতবোৰে সমাজ এখনত লাজ নাপাবি?

কেৱল এইখন মহাবিদ্যালয়তে এইটো কোঠাতেই, এইখিনি বন্ধুৰ মাজতেই নিজক বিচাৰি কিয় চলাথ কৰিছ, দূৰলৈ এবাৰ চাই দেচোন, তহঁতৰ দৰেই সমবয়সৰ এজাক তৰুণ-তৰুণীয়ে নিজৰ জীৱনৰ বাবেনো কৰা নাই কি? আৰু তহঁতবোৰে?

এই যে এগালমান কথা কৈ আছো উদ্দেশ্য মোৰ এটাই তহঁতবোৰ প্ৰকৃত মানুহ হৈ থিয় দে। নম্বৰ ধেৰ পাবি কিন্তু প্ৰকৃত মানুহ হ'বলৈ কোনোবাখিনিত হয়তো ৰৈ যাবি।

এনেকৈ কথাবোৰ কৈ থাকোঁতে লক্ষ্য কৰিলো সেই যে সিহঁতৰ মুখবোৰ কিবা শেঁতা পৰি গৈছে। তাৰে দুজনমানে সাঁচি ৰখা দুচকো বাগৰাইছে। আনফালে দুগৰাকীমান ছাত্ৰীয়ে চশমাৰ ফাকেৰে চকুলো মোহাৰিছে। কাৰোবাৰ চকু ৰঙা পৰি ৰৈ গৈছে...

উফ... শ্ৰেণীৰ প্ৰায়সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে আজি উচুপিছে। এই দৃশ্যই মোক বৰ দুখ দি গ'ল। বৰ বিৰল দৃশ্য। সেয়ে কাহিনীটো লিখিবলৈ বুলি মন গ'ল।

সেইদিনাই নিজক কৈছিলোঁ সেই বিশেষ দিনটো সিহঁতৰ বাবেই মই উৎসৰ্গা কৰিলোঁ এইদৰেই—

শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী এৰাব নোৱাৰা বান্ধোন। ভাল

মানুহ হ বুলিয়ে নিজকে স্বাৰ্থপৰ সজাই লৈ গালিসোপা পাৰিলোঁ। হয়তো কোনোবাখিনিত মহাবিদ্যালয়ত যোগদান কৰা দিনৰে পৰা তহঁতেই মোক জীৱন কি শিকাৰ পাঠ দিছিলি। মোৰ হতাশাৰ জীৱনটোত তহঁতেই হাঁহি ঘূৰাই আনি দিব পাৰিছিলি। সেয়ে হয়তো বেলেগতকৈও তহঁতবোৰে ভুল কৰিলে মোৰ বৰ খং উঠে। তহঁতৰ মুখবোৰ দেখিয়ে হাঁহি-ধেমালি কৰিব শিকিছিলোঁ। মোৰ মুখৰ হাঁহি তহঁতেই ঘূৰাই আনিছিলি সেয়া মই কেৱল নিজেই অনুভৱ কৰোঁ।

ভাল মানুহ হ মানুহৰ দৃষ্টিৰে, অহংকাৰী নহ'বি। আজি নিৰ্ভেজাল তহঁতবোৰৰ শেঁতা পৰা মুখত দুচকুত চকুলো দেখি মই দুখী যেন অনুভৱ কৰিলো। বুকুখন বিষাই গ'ল অ'। বুকুৰ আপোন নিজৰ বুলি ভাবি লৈহে এয়া গালি দিলোঁ... মোৰ দৃষ্টিৰে তহঁত সদায় ভাল শিক্ষাৰ্থী। ভাল হওক তহঁতবোৰৰ জীৱন যাত্ৰা... ভগৱানে মংগল কৰক... মোৰ এই যাত্ৰাত চকুপানীবোৰৰ বাবে মই তহঁতৰ ওচৰত চিৰ ঋণী... তাতকৈও বেছি ঋণী মই পিছদিনাৰ ঘটনাটোৰ বাবে। গালি পৰা ছাত্ৰ-ছাত্ৰীৰ ভিতৰৰে এজনে দ্বিতীয়দিনা শ্ৰেণীকক্ষত সোমাওঁতে মোক হাতত এটা চকলেট দি ক'লে মেম কালিৰ কথাবোৰৰ বাবে আপোনাৰ ওচৰত দুখিত। ছাত্ৰগৰাকীৰ ব্যৱহাৰ দেখি মই আবেগিক হোৱাৰ পৰা নিজক বচাই ৰাখিলোঁ। সেই দিনটোত ৰাতিলৈ নানান ছাত্ৰ-ছাত্ৰীৰ ভাগে ভাগে মেচেজৰ ধুমুহা বলিব ধৰিলে। বহুজনে বহুভাগে মোৰ ওচৰত ক্ষমা বিচাৰিলে। কাৰণ উক্ত গালিবোৰ দিবলৈ যাওঁতে আবেগিক হৈ শ্ৰেণীকক্ষৰ মাজতে দুচকু বাগৰি আহিছিল। যাৰ মূল্য হয়তো সিহঁতবোৰে অনুমান কৰি ল'ব পাৰিছিল। সেয়ে সিহঁতৰ মাজৰে এজনে কৈছিল, মেম জীৱনত শিক্ষকৰ চকুত চকুলো বোৱা আজি মই প্ৰথম দেখিছোঁ।

তাৰে ভিতৰতে বহুজনে ভাল হোৱাৰ প্ৰতিশ্ৰুতিও দিলে। সেই কথাবোৰ মই মোৰ ডায়েৰীৰ একোণত এতিয়াও সযতনে সঞ্চিত কৰি ৰাখিছোঁ। কাৰণ সেই শিক্ষা কেৱল মই সিহঁতকে দিয়া নাছিলোঁ, সিহঁতৰ আচাৰ-আচৰণেও মোৰ জীৱনত অন্য এক শিক্ষা প্ৰদান কৰি গ'ল।

এই শিক্ষক আৰু শিক্ষাৰ্থী নামৰ পৱিত্ৰ সম্পৰ্ক এইদৰেই জীয়াই থাকক যুগ যুগান্তৰলৈ চিৰদিন চিৰকালৰ বাবে...

**অভিজ্ঞতা - ৩**

দিনটো আছিল ২৪ মে', ২০২৫। বহুত দুখী আছিলো সেইদিনা। সেয়ে নিজকে কৈছিলো এইবুলি— "হে জনগণ, আমি শিক্ষকেই কৈছোঁ...

কেইবাটাও দিন হ'ল প্ৰেক্টিকেল পৰীক্ষা অনুষ্ঠিত হৈ আছে... তাৰ মাজতে দুই তিনিজন ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষা সম্পৰ্কীয় বহী, Assignment, চহী ইত্যাদিত গাফিলতি কৰা দেখিবলৈ পোৱা যায়। যদিওবা মোৰ কোনো প্ৰয়োজন নাছিল অথচ নিজৰ পেপাৰৰ পৰীক্ষা থকা বাবে বিভাগীয় কাকোৱে সহায় নিবিচাৰি Specimen নিজেই বিচাৰি আনিছিলোঁ। পুৱা ৪ টা বজাতে শুই উঠি দাঁতিকাষৰীয়া দুই তিনিখন গাঁও ঘূৰি পুৱা ৭.৩০ লৈকে নিজাকৈ টকা ৫০ টা খৰচ কৰি যোগান ধৰিছিলো পৰীক্ষাত ব্যৱহৃত Specimen। হয়তো ব্যক্তিগতভাৱে এয়া কৰিবলৈ মোৰ কোনো প্ৰয়োজনো নাছিল। তথাপি... মই যে যি হ'লেও কাৰোবাৰ বাবে অলগদ্ধ নতুবা অংশকালীন হ'লেও শিক্ষক।

ছেমিষ্টাৰটোৰ আৰম্ভণিতেই Assignment দিছিলো সেয়াও দেখা-দেখি নাই। পৰীক্ষাৰ বহীত এটাও চহী নাই। আগ-পিছ কোনো চিন-মোকামেই নাই। কি কৰো নকৰোকৈ নিজৰ ওপৰতে খং বাঢ়ি গৈ থাকিল। গালি দি জানো কিবা লাভ হ'ব? হয়তো পৰীক্ষকৰ আগত শিক্ষককেই লাজ দিয়া ধৰণৰ কথাহে ক'ব। বোলে— আমুকে পঢ়োৱা নাছিল, কৰোৱা নাছিল ইত্যাদি ভিন্ন অভিযোগনামা।

এৰা, বুকুৰ আপোন তহঁতবোৰৰ পৰা কোনো শিক্ষকে সন্মান খুজি খুজি নিবিচাৰে। কিন্তু প্ৰাপ্যৰ পিছতো যদি অৱমাননা কৰে, বদনামৰ সমভাগী হয়, এগৰাকী প্ৰকৃত শিক্ষকে সেই দিনবোৰৰ বাবে সময়ে সময়ে নীৰৱেই উচুপি উঠে।

এৰা এনেবোৰ কামত... খংটো যেতিয়া চুলিৰ আগ পাইগৈ সেয়া হয়তো কোনো ভগৱান আহি ৰখাব নোৱাৰে। অভিভাৱকৰ ফোন নং লৈ Parents call কৰিলো। অৱশ্যে এজন অভিভাৱকৰ ভাষ্য শুনি সন্তোষিত হ'লো। তেওঁ যে নিজৰ সন্তানৰ প্ৰতি দায়িত্ব বুজি পাই সেয়া তেখেতৰ কথাবোৰতেই পৰিলক্ষিত হ'ল।

কিন্তু আনজন... তেওঁ মতে তেওঁৰ সন্তান সদায় ভাল। ৰুমত থাকে। ভাল ৰুমত থৈ পঢ়াইছে। ল'ৰাই এনেকুৱা ভুল

কেতিয়াও কৰিব নোৱাৰে। মই বহুসময় একো নক'লো। লাহেকৈ মোৰ মুখ মেল খালে- আপুনি কেনে অভিভাৱক যিয়ে নিজৰ সন্তানৰ গুণ-গান গাব খোজে? সন্তান কলেজত পঢ়িলে বুলিয়ে বহু ডাঙৰ মানুহ হ'ল নেকি? আমাৰ অভিভাৱকসকলৰ এয়াই হৈছে ভুল ধাৰণা। সেয়ে চাগৈ মহাবিদ্যালয়ত কিছুসংখ্যক শিক্ষাৰ্থীয়ে একাংশ শিক্ষকক গুৰু বুলি মান্য কৰিব নিবিচাৰে।

এৰা, মোৰো মন আছিল সপোনে হাতবাউল দি মাতিছিল এগৰাকী প্ৰকৃত শিক্ষক হোৱাৰ... এতিয়া যেন কোনোবাখিনিত মনটো সেমেকি উঠিছে। দুচকু বাগৰিছে। অভিজ্ঞতাবোৰে কন্দুৱাইছে। অংশকালীন শব্দটোৱে বুকুত আঁচোৰ মাৰিছে।

কাৰণ এযাৰ কথা আছে— "শিষ্যপুত্ৰ আৰু বীৰ্যপুত্ৰ সমান। শিষ্যৰ লগত শিক্ষকৰ সম্পৰ্ক পিতা-পুত্ৰৰ সমান।

এনেধৰণৰ নানান অভিজ্ঞতাৰে সমৃদ্ধ হৈ কথাবোৰ লিখিবলৈ অৱশ্যে মন নোযোৱা নহয়।

**অভিজ্ঞতা - ৪**

শিক্ষক হোৱাৰ অভিজ্ঞতা সঁচাকৈয়ে অনন্য।

"মোক ক'লে— তাই মমৰ দৰে গলি গলি শিক্ষয়িত্ৰী হ'ব খোজে" —কণমানিজনীৰ ভাষ্য। কিন্তু কিয় নাজানো?

এদিন হঠাৎ মহাবিদ্যালয়ৰ কৃষ্ণচূড়াৰ দীঘলী বাটটোত পিছফালৰ পৰা কোনোবাই হঠাৎ মোৰ নাম ধৰি মতা শুনিলোঁ। ঘূৰি চাই দেখিলোঁ "১৮ বছৰীয়া কণমানিজনী"। মুখত এটি শেঁতা পৰা হাঁহিৰে মোক পুৱাৰ সম্ভাষণ জনাইছিল। লগে লগে তাই যেন একে উশাহে মনৰ কথাবোৰ কৈ পেলাইছিল "বাইদেউ মোৰ ফৰ্ম ফিলাপৰ আজি শেষ তাৰিখ, টকা তিনিশ কম হৈছিল, আপুনি দিব নেকি?" মোৰ মূৰত সৰগখন খহি পৰা যেন অনুভৱ হ'ল। উক্ত দিনটোত মই নিজেই নিৰুপাই হৈ ভাবি আহিছিলোঁ পইচাৰ কথা। দেউতাৰ পৰা ধাৰ কৰি নিয়া এশ টকাৰে কলেজলৈ বুলি গৈছিলোঁ। সেই দিন ময়ো পাৰ কৰি আহিছিলো, সেয়ে তাইৰ কাকূতি-মিনতি হৃদয়ত অনুধাৱন কৰিব পাৰি নিৰুপাই হৈও আশ্বাস দি কৈছিলো "আধা ঘণ্টা দেৰিকৈ মোৰ ওচৰলৈ আহিবা" চেষ্টা কৰিম।

শেষ শব্দটো মই কৈ নহওঁতেই দেখা পাইছিলো দুচকুৰে তাইৰ বিশ্বাসৰ চকুলো বৈ আহিছে। এহাতে তাইক বিদায় দি মই নিজৰ বিভাগলৈ বুলি ঢপলিয়াই গ'লো। শিক্ষকতাৰ এয়া যেন অনন্য অভিজ্ঞতা।

আজিৰ তাৰিখত তাই নতুন জীৱন পালে, তাইৰ মুকলি হাঁহিটো দেখি মই অতিকৈ সুখী। হয়তো তিনিশ টকাৰ বাবেই কণমানিজনীয়ে উচ্চতৰ মাধ্যমিকৰ দেওনাখনকে পাৰ হ'ব নোৱাৰিলেহেঁতেন। এয়াই জীৱন।

**অভিজ্ঞতা - ৫**

মহান মনীষীৰ কথাৰেই- "প্ৰতিটো ভুলেই একোটা সুযোগ। ভুলক ভুল বুলি জনাটো এক ডাঙৰ আৱিষ্কাৰ"।

মোৰ দুচকুৰে দেখিছিলো উজ্জ্বল এক ভৱিষ্যত, যি ভৱিষ্যতৰ পোহৰে মোক মোৰ অৱসাদ, ত্যাগ, কষ্ট সকলোবোৰকেই হীৰালৈ ৰূপান্তৰিত কৰিছিল। দুচকুৰ চকুপানী মোহাৰিছিলো নিজক বুজাব নোৱাৰা এক আনন্দত।

এৰা, ৰূপান্তৰেহে জগত জিনে, নহয় জানো। আমিও ৰূপান্তৰিত হ'ব লাগিব, আমাৰ মনবোৰ, আমাৰ চিন্তাবোৰ বৃহৎ হ'ব লাগিব। চৌদিশে আৱৰা সমাজখনক ঢুকি পাব পৰাকৈ সৎ তথা শুদ্ধ চিন্তাই পোখাব লাগিব।

"মোৰ দেউতাৰ পাছতেই যদি কাৰোবাক সন্মান কৰো সেয়া আন কোনো নহয়, আপুনিয়ে মেম" মই মোৰ নিজৰ ভুল স্বীকাৰ কৰিছোঁ।

এই যে কাৰোবাৰ বাবে তেওঁৰ জীৱনৰ প্ৰিয় ব্যক্তিৰ স্থান দেউতাকৰ পাছতেই থাকিব পাৰে সেয়া হয়তো অকল্পনীয় কথা। বহু সময় ভাবি ৰ'লোঁ। এয়া দৈৱবাণী নে... ভগৱানে দিয়া উপহাৰ নিশ্চয়। মই নিজক প্ৰশ্ন কৰিছোঁ, মই ভাল শিক্ষক কেতিয়াৰ পৰা হ'ব পাৰিলোঁ?

মেম, আপুনি জানে আপোনাক লৈ মই কিমান আবেগিক, আপোনাৰ অলপ কথাতেই মোৰ চকু পানী ওলাই আহে। মই পাহৰিব পৰা নাই বাইদেউ, মোৰ গোটেই মগজুত এই কথাটোৰে ঘূৰি আছে "সেয়া হৈছে আপুনি আঘাত পোৱা কথাটো" মই কেনেকৈ এইবোৰ মনত লৈ পঢ়িব পাৰিম মেম।

নোৱাৰিছোঁ নহয় মেম, কি কৰোঁনো বুজা নাই একো। আপোনাৰ কথা ভাবিলেই চকুপানী ওলাই আহিছে। মেম, ইমান বেয়াতো নহয় আমিবোৰ, যে আপোনাৰ মনত আঘাত

দি আমি আনন্দ মনেৰে থাকিব পাৰিম। দেউতাৰ পিছতেই আপোনাক ভাল পাওঁ, কেনেকৈ প্ৰভাৱ নপৰিব বাৰু মেম।

ওপৰৰ বাক্যকেইটা আপুনি ভালদৰে পঢ়িলে চাগৈ। আচলতে এয়া এগৰাকী শিক্ষাৰ্থীয়ে অনুতপ্ত হৈ মোক এইদৰেই কৈছিল। সেইয়া হয়তো তাইৰ জীৱনৰ এটা ডাঙৰ ভুল আছিল, যি ভুলে তাইক শান্তিৰ টোপনি কাঢ়ি নিছিল। আচলতে পৰীক্ষাত বেয়া কাম কৰাৰ বাবে মই মনত দুখ পাইছিলোঁ। কাৰণ সিহঁতবোৰক মই নিজতকৈও বেছি ভাল পাইছিলোঁ। আন শিক্ষকৰ আগত কাগজ ধৰা পৰা বাবে, তাকো স্বয়ং আপোন শিক্ষকজনৰ আগতে ধৰা পৰাত, মোৰ সন্মুখত সিহঁত অপমানিত হোৱাত সেই ছাত্ৰ-ছাত্ৰীসকলে অনুশোচনাত ভুগিছিল। সেয়ে আবেলিৰ পৰা তিনিদিনমানলৈ মেচেজেৰে মোবাইল ভৰি গৈছিল। মেচেজকেইটাত কেৱল মাত্ৰ ক্ষমা প্ৰাৰ্থনা আৰু অনুশোচনাৰ বাক্যৰ বাহিৰে আন একো নাছিল। যেতিয়া এজন শিক্ষাৰ্থীয়ে শিক্ষকক দেউতাকৰ পিছতেই স্থান দিয়াৰ কথা কয়, ইয়াতকৈও চাগৈ ডাঙৰ উপহাৰ এজন শিক্ষকৰ বাবে আৰু একো নালাগে। নিজৰ ভুল বুজি, শিক্ষকৰ মনত আঘাত দিয়া কথাবোৰ অনুভৱ কৰি ভুল নকৰাকৈও যেতিয়া সহপাঠীয়ে বন্ধুৰ হৈ, শিক্ষকৰ আদৰৰ মমতাত হাতযোৰ কৰে, ইয়াতকৈও বিষাদৰ কাহিনী চাগৈ দ্বিতীয় একো নোলাব।

আকৌ এটি নতুন অভিজ্ঞতাৰে সেই দিনটোত মই বহুত কান্দিছিলো। হয়তো সপোন দেখিছিলো সিহঁতক লৈয়ে যিয়ে মোক প্ৰতিটো খোজত মানুহ হোৱাৰ পূৰ্ণতা যুগুতাই দিছে।

**অভিজ্ঞতা - ৬**

আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত ল'ৰা-ছোৱালীবোৰৰ in-charge হৈ যাব লগা হৈছিল। মোৰ লক্ষ্য আছিল একোহতে মহাবিদ্যালয়ে পুৰস্কাৰ আনিব নোৱাৰিলেও কিন্তু Best Discipline Award আমি আনিবই লাগিব। তাৰ বাবে মই মোৰ দায়িত্ব গ্ৰহণ কৰিছিলো। নিৰ্দিষ্ট দিনত উপস্থিত হৈ শিকোৱাৰ ধৰণেই তাত ছাত্ৰ-ছাত্ৰীৰ দলটিয়ে মোক সঁহাৰি জনাইছিল। হয়তো কেতিয়াবা চকুৰ টোপনি বহু আঁতৰত থৈ হাতে হাতে ঝাড়ু লৈ শিক্ষক আৰু শিক্ষাৰ্থী উৰে ৰাতি উজাগৰে আছিলো। মই লক্ষ্য কৰিছিলো যেতিয়াই মই সিহঁতবোৰক ফোন কৰি সাজু হ'ব কওঁ তেতিয়াই সিহঁতবোৰ সময়ত মোৰ কাষত উপস্থিত হৈছিলহি। সেই তিনিটা দিনত একো বেলেগ নিশিকিলেও অন্ততঃ জীৱনৰ নিয়মানুৱৰ্তিতা, সময়ানুৱৰ্তিতা, পৰিৱেশ সজাগতা আদি বহু জ্ঞান সিহঁতবোৰে আয়ত্ত কৰিব পাৰিছিল। সিহঁতবোৰৰ চকুৰ টোপনি কাঢ়ি মোৰ অন্তৰখনে বৰ দুখ পাইছিল। নীৰৱে উচুপিছিলো। বেলেগ বেলেগ কলেজৰ লগত প্ৰতিযোগিতাত নামি পৰোতে সিহঁতেও এদিন মোক কৈছিল "মেম আজি নিশা আমি কোনো শুবলৈ নাযাওঁ, মুঠৰ ওপৰত আমাৰ মহাবিদ্যালয়ৰ প্ৰতিজন শিক্ষাৰ্থী যে নিয়মানুৱৰ্তিতা মানি চলে আমি বিশ্ববিদ্যালয়ৰ আগত দেখাব লাগিব।" অৱশ্যে পুৰস্কাৰ ঘোষণা কৰা দিনা আমি অতি ব্যাকুলতাৰে সেই পুৰস্কাৰটিৰ বাবে আশাৰে ৰৈ আছিলো। ঘোষণা কৰোঁতে শিক্ষক-শিক্ষাৰ্থীৰ আবেগৰ চকুলো বৈ আহিছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমূহ কলেজবোৰৰ আগত। এৰা, এয়াও এক সুকীয়া মাদকতা, তথা অভিজ্ঞতা। ইয়াৰ উপৰি আমাৰ ছাত্ৰ-ছাত্ৰী ভাল হোৱাৰ অন্য এক কৌশল নহয়নে বাৰু? এতিয়াও সিহঁতবোৰে লগ পালে Inter College Youth Festival ৰ মুহূৰ্তবোৰ আলোচনা কৰে। সিহঁতবোৰ সলনি হোৱা দেখি মনটো আনন্দত নাচি উঠে।

এতিয়া কাহিনী সামৰি আহোঁ কিছু ভিতৰুৱা কথাৰ মাজলৈ। পাঠদানৰ মাজতে সিহঁতক মই চেষ্টা কৰো মানৱীয়তা, জীৱনবোধৰ কিছু আভাস দি যাবলৈ। মোৰ প্ৰায়ে অনুভৱ হয় ছাত্ৰ-ছাত্ৰীবোৰ যেন বেয়া হৈছে? অৱশ্যে দেখিছোঁ। কেতিয়াবা শিকাব যত্ন কৰোঁ আমাৰ জীৱনটো এখন নাটক, কাৰ কেতিয়া যৱনিকা পৰিব কোনেও গম নাপায়। সেয়ে জীয়াই থকা দিনকেইটা কেৱল নিজৰ বুলি নাভাবি সমাজৰ হৈ দুই এটা কাম কৰিলে ভাল। পৰচৰ্চা কৰাতকৈ নিজৰ কামত মনোনিৱেশ কৰিলে সময়বোৰক ভালকৈ ধৰি ৰাখিব পাৰি।

আন এক কথাত জীৱন এক গল্পৰ সমাহৰ, কোনোবাখিনিত কবিতা কবিতা লগা এক অনুভৱ।

বেছি অঘাইটং দেখিলে কওঁ প্ৰথমে নিজক সন্মান কৰিব শিকা, তাৰ পাছত মা-দেউতা, তাৰ পিছতহে শিক্ষাগুৰু। যিয়ে আদিগুৰু পিতৃ-মাতৃকে সন্মান কৰিব নাজানে তেনে শিষ্যৰ ভৱিষ্যত কি হ'ব ওলাই আছে। মনত ৰাখিবা- কোনোবা এজন

শিক্ষকক আঙুলি টোৱাই কথা কোৱাৰ আগতে নিজে কি জানা নিজক এবাৰ হ'লেও প্ৰশ্ন কৰিবাচোন। লাজ নিজৰ মাজতেই পাবা।

শিক্ষকে কেতিয়াও সন্মান বিচাৰি ঘূৰি নুফুৰে, কিন্তু তেওঁলোকৰ কষ্ট, ত্যাগক সন্মান জনাবলৈতো সিমানকণ শিষ্টাচাৰ অন্ততঃ তিনিটা/চাৰিটা বৰ্ষত শিকিব লাগে। সেয়া কিতাপত লিখা নাথাকে। কেৱল নম্বৰে জীৱন নগঢ়ে, নতুবা পৰিচয় ফুটাই নোতোলে। তোমাৰ ব্যৱহাৰেই তোমাৰ পৰিচয়।

কেতিয়াবা এনে ভাব হয় ভুলবোৰ শিক্ষকসকলৰ নেকি? আমি শিক্ষা দিব জনা নাই নেকি? যদি আমাৰ ভুল সলনি হওঁ আহকচোন এইদৰেই।

শিক্ষক একো একোজোপা বটবৃক্ষ। যাৰ ছাঁত বহি একো একোজন ছাত্ৰ-ছাত্ৰী জিৰাব পাৰে। প্ৰকৃত মানুহ হৈ জীৱন জীয়াব পাৰে।

হয়, আমিবোৰ শিক্ষক। "শিক্ষক" নামৰ তিনিটা আখৰ আমি মানি চলোনে? শি-শিষ্টাচাৰ, ক্ষ-ক্ষমা, ক-কৰ্তব্যপৰায়ণ। কোনোবাখিনিত বাৰু আমাৰ গাফিলতি দেখা দিয়া নাইনে?

সঁচা অৰ্থত মই যদি শিক্ষক হ'ব পাৰিলোহেঁতেন মগজুটো প্ৰতিটো ক্ষণতেই সুস্থিৰ কৰি ৰাখিব জানিলোহেঁতেন। ছাত্ৰ-ছাত্ৰীৰ বেয়াবোৰক আঙুলিয়াই দেখুৱাই ভাল পথৰ যাত্ৰীৰূপে গঢ়ি তুলিবলৈ সক্ষম হ'লোহেঁতেন।

হয়, আমি শিক্ষকবোৰে ছাত্ৰ-ছাত্ৰীৰ বেয়াবোৰক দেখো কিন্তু শুধৰণি কৰি দিবলৈ কেইজন শিক্ষক আগুৱাই যাওঁ বাৰু? ১৮ ৰ পৰা ২১ বছৰ বয়সৰ কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ দলটি একো একোজন পূৰঠ মগজুৰে পৰিপূৰ্ণ কিশোৰ-কিশোৰী। যাৰ হাতত আছে এডাল মেৰুদণ্ড। যি মেৰুদণ্ডৰ বাবেই এখন দেশ সজাবও পাৰে ধ্বংস কৰিবও পাৰে। কেৱল দেশেইনে? সমগ্ৰ বিশ্বকে ধ্বংসৰ গৰাহত নিব পৰা ক্ষমতা কলেজীয়া শিক্ষাৰ্থীৰ হাততেই আছে।

সেয়ে, একো একোটা বৈজ্ঞানিক চিন্তাশীল মানসিকতা থকা উচ্চ শিক্ষিত শিক্ষকসকলে কেৱল মাত্ৰ মাহেকৰ শেষত টকাৰ জাপটোৰ কথা নাভাবি মানৱ সম্পদ গঢ়াৰ উদ্দেশ্য আগত ৰাখি শিক্ষাদান কৰিলে ভাল বুলি ভাবো।

আপুনি হয়তো নাজানিব পাৰে! কিন্তু সত্য এইটোৱে যে কলেজৰ প্ৰতিজন পূৰ্ণাংগ শিক্ষাৰ্থীৰ চকু দূৰদৃষ্টিলৈ আবদ্ধ হৈ থাকে। মানুহৰ আদৰ-কাইদাবোৰ সিহঁতেও পৰ্যবেক্ষণ কৰে। কিন্তু মুখ খুলিহে ক'ব নোৱাৰে অথবা নুখোজে। আমি কিছু কিছু মুহূৰ্তত সেয়ে শিক্ষক হিচাপে লজ্জিত হ'ব লগা হয়।

শিক্ষকৰ মহান বৃত্তিটোক আমি পৱিত্ৰ হিচাপে আজিও যেন আঁকোৱালি ল'ব জনাই নাই। পেচাতেই আবদ্ধ হৈ আছে। নিচা যেন আহিবলৈ এতিয়াও বহুযুগৰ অপেক্ষাত।

প্ৰকৃত শিক্ষক এজনে ছাত্ৰ-ছাত্ৰী কেৱল মাত্ৰ নম্বৰ অথবা মাৰ্কচিটখনৰ মাজতেই আবদ্ধ হৈ থাকক বুলি নাভাবে। শুভ চিন্তাৰ উদ্দেশ্যেৰে শিক্ষকতাৰ বৃত্তিত জড়িত এনে লোক এতিয়াও নথকা নহয়। কিন্তু খুব কম। তেওঁলোক সদায় মানৱ সম্পদ গঢ়াৰ পৰিপন্থী। মানৱ সম্পদ ইয়াকে কয়- নহয়নে? যিয়ে শিষ্টাচাৰ কি জানে? দানৱৰ পৃথিৱীত মানুহ হ'ব খোজে? ভোকাতুৰক এসাজ নিজে নাখাই খুৱাব পাৰে? সমাজ সচেতন মন এটা নিজৰ মাজত গঢ়ি তোলে। এয়াই আমাৰ সেউজ ধৰণী নহয় জানো।

তেনেহ'লে এই সেউজ ধৰণী গঢ়াৰ উদ্দেশ্যক তিৰস্কাৰ কৰি শিক্ষকবোৰ আমি কিয় অৱহেলাৰে বহি পৰিছো। নিজৰ ক্ষমতাবোৰক সঁচা অৰ্থত কামত কিয় লগাব পৰা নাই? তেন্তে আমি শিক্ষক হোৱাৰ যোগ্যতা এতিয়াও হোৱা নাই নেকি?

ছাত্ৰ-ছাত্ৰীক কেৱল শাসন কৰিলেই নহ'ব, শাসনৰ বাঘজৰীৰে কেনেদৰে বান্ধিলে সিহঁতবোৰ পোন হ'ব, পোন ৰাস্তাৰে বাট বুলিব সেয়া গাণিতিকভাৱে সূত্ৰৰ মাজত পেলাব জনাটো আপোনাৰ Talent। ছাত্ৰ-ছাত্ৰীৰ মনটোক কেতিয়াও চোকা-গাধাৰ মাজত তুলনা কৰিব নাযাবচোন। তেওঁলোকৰ মনবোৰক পৰীক্ষা কৰিব, সিহঁতবোৰ সঁচাই মানুহ হ'ব পৰা ক্ষমতা আছেনে নাই এইবুলি। আমাৰ ছাত্ৰ-ছাত্ৰীবোৰ খুব কোমল মনৰ। কিছু শিক্ষকৰ আচৰণৰ বাবেই হয়তো সিহঁতিও ধাৰ তুলিবলৈ বাধ্য হয়। সজম নোহোৱা ঔষধ খুৱালে শেষত নিশ্চয় এয়াই প্ৰতিকাৰ পায়।

সিহঁতবোৰক মৰম কৰিব, পঢ়ুৱাৰ ন ন কৌশল অৱলম্বন কৰিব, ভুল কৰিলে কাৰণটো বুজাই দিব, গালি পাৰিব কিন্তু কাৰণটো লগত লৈ। লাহে লাহে আপুনি দেখিব মহাবিদ্যালয়লৈ আপোনাৰ টকাৰ বাবে যাবলৈ মন যোৱা নহয়, ইহঁতবোৰ সলনি হোৱাৰ বাবেহে যাবলৈ মন গৈছে। ইয়াৰ মাজতো দুই এটা বেয়া ছাত্ৰ-ছাত্ৰী নথকা নহয়। Ignore কৰক যিবোৰক

আপুনি পোনাব নোৱাৰে।

সৰুতে পঢ়িছিলোঁ, শিক্ষক এডাল মমবাতি যি নিজে গলি আনক পোহৰ দিয়ে। কিন্তু এতিয়া ক'ব পৰা যাবনে বাৰু এই বাক্যষাৰ।

এতিয়াৰ প্ৰেক্ষাপটত বহুলোকৰ মতে যদি শিক্ষকসকল ডাক্তৰ হ'লহেঁতেন, শিক্ষাৰ্থী যদি ৰোগী হ'লহেঁতেন তেনেহ'লে ভুল ঔষধ খাই সকলোবোৰ মৰিলহেঁতেন।

এৰা কথাষাৰৰ বহুল তাৎপৰ্য আছে। ভাবকচোন।

আমিবোৰ শিক্ষক হয়, সমাজ ভাল কৰাৰ মূল চাবিপাত এতিয়া আমাৰ হাতত। সময় সমাগত- নতুনক আদৰাৰ। নহ'লে ইতিহাসে হাঁহিব, ভৱিষ্যতে কন্দুৱাব।

ময়ো মৌন হৈ কেতিয়াবা কেতিয়াবা কিছু কথা ভাবো এইদৰেই, কোনোবাখিনিত শিক্ষক হিচাপে নিজকে বৰ অসুখী যেন অনুভৱ কৰোঁ।

মই শিক্ষক হ'ব নোখোজোঁ, নে মই শিক্ষক হ'ব নোৱাৰিলোঁ? কাৰণ মই গঢ় দিব নাজানো জীৱন। দেখুৱাব নাজানো সপোন।

উৰিবলৈ শিকাবও নোৱাৰোঁ। ধুমুহাত ঢলি পৰা গছবোৰৰ কাষত থিয় হৈ মই ক'বও নোৱাৰোঁ..., বহু শিক্ষকক মিথ্যাচাৰেৰে থকা-সৰকা কৰা দেখিছোঁ, বহু শিক্ষকক অভিযোগেৰে ৰেপি ৰেপি কটা দেখিছোঁ, বহু শিক্ষকক মনে মনে চকুলো মচা দেখিছো। বেতনৰ আশাত বহু শিক্ষকৰ দুগাল শুকাই যোৱা দুখন মুখ মই দেখিছোঁ, এখন মুখ কাকোৱে দেখুৱাব নোৱাৰা চকুলোৰে ভৰা, আনখন গহীন-গম্ভীৰ ব্যক্তিত্বৰ মুখা। কি কৰিব, কেনেকৈ জীৱন আগুৱাব।

এৰা, শিক্ষক হ'ব পাৰে, শিক্ষকে সকলো যাতনা নিৰ্বিবাদে মূৰ পাতি ল'ব পাৰে। সকলোবোৰ কষ্টকৰ যাতনা বুকুতে সামৰি-সুতৰি থব পাৰে। শিক্ষকে কৰো ক'লে সকলো কৰিব পাৰে। আপুনি বা, মই নোৱাৰো বাবেই হয়তো আজি শিক্ষক হ'ব নোৱাৰিলো। হোৱাহেঁতেনো চাগে ভাল শিক্ষক নহ'লোহেঁতেন। হোৱাহেঁতেনো চাগে কাৰোবাৰ জীৱন গঢ়িব নোৱাৰিলোহেঁতেন। শিক্ষক মানে কাৰোবাৰ হৃদয়ৰ মণিকোঠাত সোমাই থকা একো একোটা চৰিত্ৰ। ক্ষমা কৰিব মই শিক্ষক হ'ব নোৱাৰিলো, শিক্ষকৰ জীৱনটো ভালকৈ বুজিব নোৱাৰিলো।

মই আশা কৰো শিক্ষক-শিক্ষাৰ্থীৰ মৰমবোৰ, একতাবোৰ, যুগ যুগ ধৰি সজীৱ হৈ থাকক। ছাত্ৰ-ছাত্ৰীবোৰো ভাল হ'ব শিকক, শিক্ষকসকলেও পাঠদানৰ কৌশলসমূহ সময়ে সময়ে নতুনকৈ আয়ত্ত কৰক। দেখিব আপুনি মই গম নোপোৱাকৈয়ে পংকিল আমাৰ সমাজখন তথা যুৱ সমাজ সলনি হৈ পৰিছে। প্ৰথম কথা আমি প্ৰতিজন মানুহেই ভাল হ'ব লাগিব মানুহৰ ৰূপত। নৈতিকতা হৃদয়ত থাকিব লাগিব। বৰ্তমান একবিংশ শতিকাৰ সমাজখন বৰ ভয়লগা। চৌপাশৰ কাণ্ডবোৰ দেখি ভয়ত কম্পিত হৈ ৰওঁ। মই ভাবোঁ কলেজৰ শিক্ষাতেই আমি শিক্ষাৰ্থীক মানুহ গঢ়াৰ আদিপাঠ দিওঁ আহকচোন। যি কেৱল নিজেই সলনি নহয়, নিজৰ লগতে সমাজ সলনি কৰিব পাৰিব। হয়তো এনে মানসিকতাৰ গঢ় লৈ উঠিলে ভৱিষ্যতে ক'ব লগা নহ'ব এইদৰেই— "যে আমাৰ শিক্ষাৰ্থীসকল ইমান অভদ্ৰ হৈছে, শিক্ষকৰ ব্যৱহাৰ নাজানে"।

শেষত সংগীতসূৰ্যই কোৱাৰ দৰেই—

জিলিকাব লুইতৰে পাৰ
শত শত বন্তিৰে
জ্ঞানৰে দীপাৱলীৰে
জিলিকাব লুইতৰে পাৰ।

❑❑

# বিহু আনন্দীয়া বিহু বিনন্দীয়া বিহুৰে অমিয়া মাত

● কবিতা গগৈ চাবুককধৰা
প্ৰাক্তন ছাত্ৰী

মহাবিষুৱ সংক্ৰান্তিৰ সময়ত প্ৰকৃতিৰ পয়োভৰ হয়, সেয়ে প্ৰকৃতি ন-সাজেৰে জিলিকি উঠে। আদিম অৱস্থাৰ পৰাই আনন্দ প্ৰকাশৰ বাবে মানুহে বসন্ত ঋতুৰ পৰশত গছে-বনে ন-কুঁহিপাত মেলে, কুলি-কেতেকীয়ে সুৰীয়া গীত জুৰে, নাহৰ-তগৰ, কেতেকী ফুলৰ সুগন্ধই চৌদিশ আমোল মোলায়। এই মাদকতা ভৰা সময়তে প্ৰতিজন অসমীয়াৰ হিয়া ভৰি পৰে আনন্দ-উলাহেৰে, কাৰণ অসমত পালন কৰা হয় বাপতি-সাহোন ৰঙালী বিহু।

বিহু অসমীয়া জাতিৰ জাতীয় উৎসৱ, অসমীয়া জাতিৰ প্ৰাণ। বিহু অবিহনে অসমীয়া জাতিৰ অস্তিত্বৰ কথা ভাবিবই নোৱাৰি। গতিকে বিহু আৰু অসমীয়া জাতি এটা মুদ্ৰাৰ দুটা পিঠি। অসমীয়া জন-জীৱনলৈ বিহুৱে বোৱাই আনে আনন্দ, সম্প্ৰীতি, প্ৰেম আৰু মিলনৰ বন্যা। বিহুৰ লগত অসমীয়া সমাজ এনেদৰে বান্ধ খাই আছে যে বিহুক বাদ দি অসমীয়া জাতিৰ কৃষ্টি-সংস্কৃতি, সভ্যতা আনকি সাহিত্যৰ ভঁৰাল উৰুঙা হৈ ৰ'ব।

বিহু উপলক্ষে বিভিন্ন ৰীতি-নীতি পালন কৰা হয়। অতীতত চহা কৃষকসকলে খেতি-বাতি কৰিয়েই জীৱন নিৰ্বাহ কৰিছিল। সেয়ে খেতিক কেন্দ্ৰ কৰিয়েই বিহু উদ্‌যাপন কৰিছিল। বিহু বুলি ক'লেই গাৰ লগৰ ছাঁৰ দৰে বিহুনামৰ কথা আহি পৰে। বিহুনাম, বিহুনাচ আৰু হুঁচৰি অবিহনে বিহুৰ কথা ভাবিবই নোৱাৰি। সেয়ে ঢোল, পেঁপা, গগনাৰ মাত শুনি গাভৰু নাচনীৰ গাত তত নাইকিয়া হয়। সেয়ে বিহুনামত গায়—

এইবেলি বিহুটি ৰমকে জমকে
নাহৰ ফুল ফুলিবৰ বতৰ
নাহৰ ফুলৰ গোন্ধ পাই লাহৰীৰ গাত ততেই নাই
গচকত ভাঙি যায় যঁতৰ।

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই অসম আৰু অসমীয়া ভাষা-প্ৰীতিৰ বাবে সৃষ্টি কৰি থৈ গ'ল অমৰ সৃষ্টিৰাজি। বেজবৰুৱাৰ সাহিত্যৰ আদৰ অসমীয়া ভাষাত কোনো কালে কমি নাযায়। আজিৰ নতুন প্ৰজন্মই বেজবৰুৱাৰ সাহিত্যৰ সতে পৰিচয় হোৱাৰ অতি প্ৰয়োজন আছে। বেজবৰুৱাৰ কৃপাবৰ বৰুৱাৰ ৰচনাত বিহু বিষয়ে লিখা যৎকিঞ্চিত পাঠকৰ বাবে আগবঢ়োৱা হ'ল— "বিহুৱে কাকো দুখ নিদিয়ে, সকলোকে ৰং দিয়ে, সেই দেখি বিহুক লোকে হাঁহে, বেয়া পায়। বিহুৱে গছৰ পাতত কোমল ৰহণ সানি উলিয়াই জেউতি বঢ়াই ঈশ্বৰৰ বাগিচা সজাই দিয়ে। কপৌফুলত চিকুণ মালা একোধাৰি আঁকি দি তাক দেখিবলৈ চিকুণ কৰে, অশোক গছত থোপাথোপে ফুলৰ চাকি পিন্ধাই দি তাক ৰূপহ কৰে, তামোল গছত ন-ডাবি মেলাই তাক শুৱনি কৰি দিপলিপ কৰি দিয়ে। পুঠি মাছক সেন্দূৰ পিন্ধাই ন-পানীত নচুৱাই, কদম গছত ঘূৰণীয়া থোপোৰ ফুল ফুলাই তাৰ ৰেণু বতাহেৰে সৈতে সাচি চৌদিশে

পঠিয়াই গোন্ধত আমোলমোল কৰি দিয়ে। ন-ধান-চাউল আৰু তিলৰ সান্দহ-চিৰা লাডু তোমাক খুৱাই ডেকা কৰি ডেকালি কৰিবলৈ দিয়ে।"

কেতেকী ফুলতে ৰেণু ভৰাই দিলা
গছতে মেলালা কুঁহি
কুলিটিৰ ডিঙিটি নিমজ কৰি দিলা
গাভৰুৰ বুলালা হাঁহি
আহা মোৰ কোঁৰৰ ঐ বহা মোৰ কোঁৰৰ ঐ
থইছো বৰপীৰা পাৰি
সান্দহ, চিৰা পিঠা তিলৰ লাডু খোৱা
ফুলাম পাটী থৈছো শুৱা।

(*বৰবৰুৱাৰ বিহুনাম*)

অসম এখন নানা জাতি-জনজাতিৰ মিলনভূমিৰ ৰাজ্য। গতিকে বসন্ত ঋতুৰ আগমনৰ লগে লগে সকলোৱে আনন্দ মনেৰে উৎসৱ পালন কৰে। যিহেতু বিহু কৃষিভিত্তিক উৎসৱ। সেয়ে কৃষি কৰ্মৰ আৰম্ভণিতে সকলোৱে মনৰ হেঁপাহেৰে ৰং, আনন্দ কৰি লয়। সেয়ে ৰঙৰ উৎসৱ ব'হাগ বিহুটি কোনেও এৰিব নোৱাৰে। এই অন্তৰৰ নিভৃত কোণৰ কথাটি কৈ গৈছে বিহুনামৰ যোগেদি এনেদৰে—

দিচাং নৈ এৰিব পাৰো মোৰ দেহা ঐ
দিখৌ নৈ এৰিব পাৰো
ব'হাগৰ বিহুটি এৰিব নোৱাৰো
নেখাই মই থাকিব পাৰো।

বিহু গীতত অসমীয়া জন-জীৱনৰ, চহা লোকৰ ৰীতি-নীতিৰ কথা সুন্দৰকৈ প্ৰকাশ পায়। ইয়াতে ডেকা-গাভৰুৰ প্ৰেম-পিৰীতি, মিলন-বিৰহ, সুখ-দুখৰ কথাও সুন্দৰকৈ প্ৰকাশ পায়। ৰং-আনন্দত মতলীয়া হৈ অন্তৰৰ গোপন কথাও যেন নাচনীৰ চকুৰ চাৱনিতে বুজি পাব পাৰি এই কথা বিহুগীতত ডেকাই গাইছে এনেদৰে—

"বাৰীৰ ঢাপৰে কজলা উৰহী
পাতে তিৰবিৰে কৰে,
নাচনীৰ মুখলৈ চাবকে নোৱাৰি
চকু ছাটে মাৰি ধৰে।"
উৰুঙা উৰুঙা নেপাওঁ মই সুৰুঙা ঐ
নেদেখো চেনাই ঐ তোক,
বৰটো ককাইয়ে জুইয়ে নো গড় মাৰিলে ঐ
নুবুজে ঐ পিৰীতিৰ ভোক।

আনহাতেদি এই বিহুনাম বিলাকত ফুটি উঠে অসমৰ লোক সংস্কৃতিৰ সুন্দৰ নিদৰ্শন তাঁতশালখনৰ কথা, লগতে অসমীয়া সমাজ আৰু ৰঙালী বিহুৰ অবিচ্ছেদ্য অংগ গামোচা বা বিহুৱানখনিৰ কথা। এই গামোচা বা বিহুৱানখনিৰ লগত জড়িত হৈ আছে অসমৰ জাতীয় জীৱনৰ ধৰ্ম, ঐতিহ্য আৰু পৰম্পৰাৰ কথাও। অসমৰ জীয়ৰী-বোৱাৰীয়ে সপোন ৰচনা কৰা তাঁতশালখন আৰু অতিকৈ চেনেহৰ বিহুৱানখনিকলৈও বহুতো বিহুনাম আছে—

খিটি খিটি কৰি তাঁতে বৈ আছিলো
দোৰপতিৰ শুৰলা মাত
পথাৰৰ মাজতে ঢোলৰ মাত শুনিলো
এৰিলো পেটৰ ভাত।
বৰঘৰৰ মূধতে
তাঁতে বৈ আছিলো
জেতুকাবুলীয়া আঁচু
চেনেহৰ দীঘেৰে
হেঁপাহৰ বাণীৰে
তোমালৈ বিহুৱান বাচোঁ।

তাহানি প্ৰকৃতিৰ বুকুতেই ক'ব নোৱাৰাকৈ মানুহে সংগীতৰ সন্ধান পাইছিল। সেয়ে বতাহত বাজি উঠা গছপাতখিলাৰ দৰে নাচোনৰ ভংগী হ'ল। হয়তো বাঁহে বাঁহে ঘহনা খাই ওলোৱা মাতটোত বাদ্যৰ সন্ধান পাইছিল। আৰু এদিন সৃষ্টিকাৰী মানুহে ইয়াৰ চানেকি লৈ থলুৱা পৰিৱেশৰ সমলেৰে বিভিন্ন বাদ্য সৃষ্টি কৰিলে। বিহুৰ এৰিব নোৱাৰা বাদ্য টকা, পেঁপা, গগনা এইদৰেই বিহুৱাই সাজি উলিয়াইছিল। বিহুৱাৰ গগনা আৰু পেঁপাৰ সুৰে প্ৰকৃতিৰ ৰাজ্যত অমিয়া লহৰ তোলে। যি সুৰ নাচনীৰ বুকুয়েদি সৰকি যায়। বিহুনামত গায়—

'ত'তে শুনিলো সুৰতে বুজিলো
মোৰ ধনে গগনা বায়,
কিনো অমাতৰ মাতে মোৰ চেনাই ঐ
বুকুয়েদি সৰকি যায়।'

বিহুনাম গাওঁতে আন এবিধ বাদ্য নহ'লেই নহয়। অৰ্থাৎ বিহু বুলি ক'লে বিহুনামৰ দৰে বাদ্য 'ঢোল' অপৰিহাৰ্য। ঢোলৰ

চাপৰ শুনাৰ লগে লগে জীয়ৰী, বোৱাৰী সকলোৰে মন আনন্দত মতলীয়া হয়। গাভৰুৱে ক'ব নোৱাৰাকৈয়ে এপাক নাচি দিয়ে। সেয়ে ঢোল বাদ্যক লৈও বিহুনাম কত যে আছে—

'ঢোলত চাপৰ মাৰি ঢুলীয়া ওলালে
কাৰ ঘৰৰ নাচনী নাচে,
ওচৰ চাপি চাপি নাহিবি নাচনী
হাতত ঢোলৰ মাৰি আছে।'

বিহুৱাই বজোৱা ম'হৰ শিঙৰ পেঁপাৰ সুৰে বিহুৰ আনন্দৰ উচ্ছাস আৰু গভীৰ কৰি তোলে। বিহুৱাই মনৰ কথা মুখেৰে ক'ব নোৱাৰাখিনি পেঁপাৰ সুৰেৰে যেন জগতক জনাই দিয়ে। সেয়ে পেঁপাৰ মাত শুনি মন উৰুঙা কৰে, হাতৰ বন সৰি পৰে, বিহুতলিলৈ ঢাপলি মেলি যায়।

'ম'হৰ শিঙৰ পেঁপাটি নবজোৱা ককাইটি
মোৰে মন উৰুঙা কৰে,
পেঁপাৰ মাত শুনি ৰ'বকে নোৱাৰি
হাতৰ বন সৰি পৰে।'

চহা কৃষকৰ মুকলি পথাৰত, জৰী গছৰ তলত গোৱা বিহু লাহেকৈ সময় বাগৰি ৰংঘৰৰ বাকৰি পালেহি। বুৰঞ্জীৰ মতে স্বৰ্গদেউ ৰুদ্ৰসিংহই প্ৰথম ৰংঘৰত বহি হুঁচৰি গোৱাইছিল। যিহেতু এই ৰংঘৰৰ পৰাই স্বৰ্গদেউসকলে বিহুৰ দিনত ম'হযুঁজ, বুলবুলি চৰাইৰ যুঁজ আনন্দ মনেৰে উপভোগ কৰিছিল। বিহুগীতত স্বৰ্গদেউৰ কথাও আছে এনেদৰে—

'স্বৰ্গদেউ ওলালে বাট চ'ৰাৰ মুখলৈ
দুলীয়াই পাতিলে দোলা
কাণত জিলিকিলে নৰা-জাংফাই
গাত গোমচেঙৰ চোলা।'

অসমীয়া জাতীয় জীৱনত বিহু মূল চালিকা শক্তি ৰূপে বৰ্তি আছে। অসমীয়া জাতিৰ কথা বিহু অবিহনে ভাবিবই নোৱাৰি। সেয়ে বিহুনামত গাইছে—

'বিহুটি আদৰৰ বিহুটি সাদৰৰ
বিহুটি আমাৰে প্ৰাণ
এই হেন বিহুটি নহ'ব লাগিলে
নেথাকে অসমৰ মান।'

কিন্তু ব'হাগ কেৱল ৰং, ধেমালি কৰাৰ মাহ নহয়। এই ব'হাগতে অসমৰ সকলো জাতি-উপজাতি, ধৰ্ম বৰ্ণৰ লোক লগ হৈ পুৰণিক পাহৰি, নতুনক আদৰি শান্তি-সম্প্ৰীতিৰ বতৰা বিলাই সমাজখনক সুন্দৰ কৰি লোৱাৰ সময়। কাৰণ আমি সকলোৱে সমন্বয়ৰ এনাজৰীৰে বান্ধ খাই আগবাঢ়ি যাব লাগিব। সমাজৰ আৰু দেশৰ প্ৰগতিৰ হকে। লগতে আমাৰ সাতামপুৰুষীয়া বিহু সংস্কৃতিৰ মান ৰাখিব লাগিব বুলি সংকল্প কৰিব লাগিব এই ব'হাগৰ বতৰতে। আমাৰ বুকুত বিহুটি সদায় জিলিকি থাকক।

বিহু আনন্দীয়া বিহু বিনন্দীয়া
বিহুৰে অমিয়া মাত
বিহুৰে তলিখন এৰিব নোৱাৰো
বনজুই জ্বলিছে গাত।

***সহায়ক গ্ৰন্থ ঃ***

গগৈ, লীলা - *বিহুগীত আৰু বনঘোষা*

❑❑

# দ্বীপৰাষ্ট্ৰ শ্ৰীলংকাৰ কাহিনী 'সিংহল সমুদ্ৰ সৈকত'

● ড° জুৰি ভূঞা
প্ৰাক্তন ছাত্ৰী

মানুহ স্বভাৱগতভাৱেই ভ্ৰমণ বিলাসী। উদ্দেশ্য পৃথক হ'লেও প্ৰতিজন মানুহৰেই ভ্ৰমণৰ আকাংক্ষা থাকে। এই ভ্ৰমণৰ আকাংক্ষা মানুহভেদে পৃথক হ'ব পাৰে। কোনোৱে চকুৰ তৃপ্তিৰ বাবে, কোনোৱে বিশেষ ঠাই একোখনৰ বিষয়ে জানিবলৈ হোৱা আগ্ৰহৰ বাবে, কোনোৱে শিক্ষাৰ বাবে, কোনোৱে জ্ঞান লাভৰ বাবে, কোনোৱে স্বাস্থ্যজনিত কাৰণত আকৌ কোনোৱে পুণ্য অৰ্জনৰ বাবে হ'লেও বিভিন্ন ঠাই ভ্ৰমণ কৰে। প্ৰকৃতাৰ্থত ক'বলৈ গ'লে ব্যক্তিয়ে নিজৰ সন্তুষ্টিৰ বাবেহে বেছিকৈ ভ্ৰমণ কৰে। এই ভ্ৰমণৰ যোগেদি লাভ কৰা অভিজ্ঞতাৰ স্বাদ নিজৰ মাজতে আৱদ্ধ নাৰাখি সাহিত্যৰ মাধ্যমেৰে আনকো জনাব বিচৰা হেঁপাহৰ ফলতেই সৃষ্টি হৈছে ভ্ৰমণ সাহিত্য। মূলতঃ ভ্ৰমণ সাহিত্য হৈছে কোনো দেশ-বিদেশ ভ্ৰমণৰ অভিজ্ঞতাক লেখনিৰ জৰিয়তে পাঠকক জনোৱাৰ এক প্ৰয়াস। বাস্তৱ তথা সমৃদ্ধ হোৱা বাবে এই শ্ৰেণীৰ সাহিত্যই সকলো ভাষাতে জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে। অসমীয়া ভ্ৰমণ সাহিত্যও এই ক্ষেত্ৰত ব্যতিক্ৰম নহয়। গুণাভিৰাম বৰুৱাৰ 'সৌমাৰ ভ্ৰমণ বৃত্তান্ত' নামৰ ভ্ৰমণমূলক গ্ৰন্থখন অসমীয়া ভ্ৰমণ বিষয়ক ৰচনাৰ প্ৰথম নিদৰ্শন। স্বাধীনতাৰ পৰৱৰ্তী কালছোৱাত অসমীয়া ভ্ৰমণ সাহিত্য বিশেষ চহকী হৈ উঠে। সেই সময়ছোৱাত হেম বৰুৱা ৰচিত 'সাগৰ দেখিছা' শীৰ্ষক ভ্ৰমণ গ্ৰন্থখন বিদেশ ভ্ৰমণ সম্পৰ্কীয় প্ৰথম অসমীয়া গ্ৰন্থ।

গল্পকাৰ অতনু ভট্টাচাৰ্যৰ ৰচিত সিংহল সমুদ্ৰ সৈকত গ্ৰন্থখন দ্বীপৰাষ্ট্ৰ শ্ৰীলংকা ভ্ৰমণক লৈ ৰচনা কৰা এখন উপন্যাসোপম ভ্ৰমণ কাহিনী। লেখকে গ্ৰন্থখনৰ পাতনিত উল্লেখ কৰিছে যে, আচলতে গ্ৰন্থখন সাধাৰণ অৰ্থত ভ্ৰমণ বৃত্তান্ত নহয়, সম্ভাৱনাৰে পূৰ্ণ মায়াময় ভ্ৰমণকালৰ অনুভৱ। ২০১৮ চনত ভ্ৰমণ কৰা সিংহল দ্বীপপুঞ্জ আৰু সেই ঠাইৰ মানুহ, ইতিহাস ইত্যাদি সামৰি অতনু ভট্টাচাৰ্যৰ ২০২১ চনত সিংহল সমুদ্ৰ সৈকত গ্ৰন্থখন প্ৰকাশ পায়। গ্ৰন্থখন প্ৰকাশ কৰে অসমৰ সম্ভ্ৰান্ত প্ৰকাশন গোষ্ঠী বনলতাই।

দ্বীপৰাষ্ট্ৰ শ্ৰীলংকা ভাৰতীয় ইতিহাস, পুৰাকথা অথবা বিভিন্ন সময়ৰ এক অভিন্ন অংগ আছিল। বিশেষভাৱে ৰামায়ণত ৰাৱণৰ স্বৰ্ণলংকাৰ বিশদ বিৱৰণ আছে। ভগৱান বুদ্ধৰ বাণী সিংহল দ্বীপলৈ নি বৌদ্ধধৰ্মৰ বিস্তৃতি কৰা, বুদ্ধৰ দাঁত, কেশৰ আদি সিংহললৈ নি সংৰক্ষণ কৰা, মহাবোধি বৃক্ষৰ পৰা নিয়া ঠাল ৰোপণ কৰি হোৱা বৃক্ষজোপাৰ মহত্ব ইত্যাদি কথাবোৰে শ্ৰীলংকা আৰু ভাৰতক অভিন্ন কৰি ৰাখিছে। তাত অৱস্থিত

মহাবোধি বৃক্ষৰ দৰ্শনৰ হেতু বিভিন্ন পৰ্যটক তালৈ ঢাপলি মেলে। কাৰণ সেই বৃক্ষজোপা মানুহে ৰোপণ কৰা আৰু নিৰৱচ্ছিন্ন ঐতিহাসিক তথ্যযুক্ত বৃক্ষসমূহৰ ভিতৰত আটাইতকৈ প্ৰাচীন।

সিংহল সমুদ্ৰ সৈকত শীৰ্ষক ভ্ৰমণ কাহিনীটো মুঠ বিছটা অধ্যায়ত বিভক্ত। ২০০৪ চনৰ ২৬ ডিচেম্বৰৰ নিশা হঠাতে অহা ক্ষয়ংকৰী চুনামীৰ ভয়াবহতাৰে কাহিনীটো লেখকে আৰম্ভ কৰি পাঠকক উৎকক কৰি তুলিছে। অতীতৰ শ্ৰীলংকাৰ প্ৰাচীন ৰাজধানী আছিল অনুৰাধাপুৰ। শ্ৰীলংকাৰ মাটিৰ গোন্ধ বুকুৰে উজাই কলম্বোৰপৰা অনুৰাধাপুৰলৈ যাত্ৰা কৰোঁতে লেখকে ঠাইভেদে সিংহলৰ নাম যে পৃথক পৃথক সেয়া উল্লেখ কৰিছে। প্ৰাচীন অনুৰাধাপুৰত থকা ইছুৰুমুনিয়া (বৌদ্ধমন্দিৰ), জহিবলৈ ধৰা ৰাজপ্ৰসাদ, উপাসনা গৃহ, মনোমোহা ম্যুৰাল, ৰহস্যময় গুহা আৰু খটখটীবোৰৰ বৰ্ণনাৰে লেখকে পাঠকক প্ৰতি মুহূৰ্ততে গ্ৰন্থখনৰ সৈতে সংযুক্ত কৰি ৰাখিছে। এটা মাথো বাক্যত লেখকে অনুৰাধাপুৰক তুলি ধৰিছে— 'অলেখ পুৰাকথা আৰু ইতিহাস বুকুত লৈ যেন এখন মৃত মহানগৰীৰ দৰে অনুৰাধাপুৰা শুই আছে।' ঠিক একেদৰে বোধিবৃক্ষৰ বৰ্ণনাও অতি চমৎকাৰী— 'ইমান গৰিমাময়, ইমান বিশাল! সেই বৃক্ষৰ কাষত আমি আমাৰ বিচৰা-নিবিচৰাবোৰ কিমান যে ক্ষুদ্ৰ, কিমান যে তুচ্ছ!' এই বৃক্ষজোপা ৰোপণ কৰিছিল সম্ৰাট অশোকৰ দুহিতা সংঘমিত্ৰাই। লেখকৰ বিৱৰণ মতে শ্ৰীলংকাৰ ছিগিৰিয়া নগৰৰ এক বৃহৎ প্ৰস্তৰখণ্ডৰ ওপৰত নিৰ্মাণ কৰা এটা ৰাজপ্ৰসাদেই হৈছে ৰাৱণৰ স্বৰ্ণলংকা।

ভগৱান বুদ্ধৰ লগতে প্ৰখ্যাত সাধু-সন্ত আৰু ধৰ্ম প্ৰৱৰ্তকসকলৰ জীৱন সাঙুৰি লেখকে বহুকেইটা কাহিনী গ্ৰন্থখনত উল্লেখ কৰিছে। বুদ্ধৰ মহাপ্ৰয়াণৰ পাছত শৱদেহ দহন কৰি অৱশেষ সিংহল দ্বীপৰ লগতে পৃথিৱীৰ বিভিন্ন প্ৰান্তলৈও পঠোৱা হৈছিল।

শ্ৰীলংকাৰ কেণ্ডী নগৰী ৰত্নৰ বাবে বিখ্যাত। লেখকৰ মতে পশ্চিমৰ চহকী লোকসকল ভ্ৰমণৰ গইনা লৈ ৰত্ন ক্ৰয় কৰিবলৈ সিংহললৈ আহে। আনফালে সিংহল প্ৰায় এশৰো অধিক বিষাক্ত আৰু বিষহীন সাপেৰে ভৰি আছে বুলি লেখকে উল্লেখ কৰিছে। প্ৰকৃতাৰ্থত দেশখন ভ্ৰমণ কৰিবলৈ যাওঁতে লেখকে ঠাইখনৰ বিভিন্ন তথ্যৰে নিজৰ মনটো সজীৱ কৰি লৈ গৈছিল। যাৰ বাবে প্ৰতিটো বস্তু আৰু ঠাইৰ বিৱৰণ অতি নিখুঁত হৈছে।

শ্ৰীলংকা ভ্ৰমণৰ এই গ্ৰন্থখনৰ নামটোৱেই ব্যতিক্ৰম। লগতে অধ্যায়সমূহৰ শিৰোনামো চমৎকাৰী। এই গ্ৰন্থখন এইবাবেই আলোচনাৰ যোগ্য কাৰণ সিংহল অবিহনে ভাৰতৰ মানচিত্ৰখন যেন অসম্পূৰ্ণ। চাৰিওফালৰপৰা সাগৰ-মহাসাগৰেৰে আগুৰা দেশখনৰ সৈকতসমূহৰো বিৱৰণ অতি সূক্ষ্ম। পাঠকৰ বিশ্বাসযোগ্য হোৱাকৈ লেখকে ভালেমান ফটো গ্ৰন্থখনৰ শেহৰফালে সন্নিৱিষ্ট কৰিছে। ইতিহাস বৰ্ণনা কৰা আৰু তাক হৃদয়ংগম কৰাৰ সমান্তৰালভাৱে লেখকে সিংহলৰ মানুহৰ সৰলতাৰ কথাও উল্লেখ কৰিছে। শেষত শ্ৰীলংকাৰ শান্ত-সৌম্য সৌন্দৰ্য আৰু নিৰৱতাক প্ৰতিজন পৰ্যটকে বুকুত বান্ধি সামৰি ৰখাৰ আশাৰে গ্ৰন্থখন সামৰণি মাৰিছে। ❑❑

# "কাঠনিবাৰী ঘাট" অথঃ মহিম বৰাৰ গল্প সাহিত্যত এভুমুকি

● তনয়া ৰাজখনিকৰ
পঞ্চম ষাণ্মাসিক, গণিত বিজ্ঞান বিভাগ

অসমীয়া সাহিত্যৰ জগতখনত ষাঠিৰ দশকটো এক বিৰল বিস্ময়ৰ বছৰ। এই সময়ছোৱাত অসমৰ সাহিত্যজগতৰ আকাশত যি কেইজন বিৰল প্ৰতিভাধৰ গল্পকাৰে ভুমুকি মাৰিছিল, তাৰ মাজত "মহিম বৰা" অন্যতম। সমসাময়িক সাহিত্যিৰ ভৱেন্দ্ৰ নাথ শইকীয়া, সৌৰভ কুমাৰ চলিহা, লক্ষ্মীনন্দন বৰাৰ দৰেই তেখেতেও অসমীয়া সাহিত্যক এক নতুন গতি প্ৰদান কৰিছিল।

"কাঠনিবাৰী ঘাট" মহিম বৰাদেৱৰ প্ৰথমখন গল্প সংকলন। বৰাদেৱৰ নিজৰ ভাষাতেই "১৯৪৭ ৰ পৰা ১৯৬০" লৈ ইয়াৰ ভিতৰত লিখা কেইটামান গল্প বা গল্পপ্ৰয়াস "কাঠনিবাৰী ঘাট।" মাটিৰ গোন্ধ থকা এই গল্পসমূহ অসমীয়া সাহিত্যৰ বাবে মূল্যবান অৱদান। গল্পসমূহৰ বৰ্ণনাৰ সজীৱতা তথা চিত্ৰধৰ্মিতাই মহিম বৰাদেৱক অসমীয়া সাহিত্যৰ এজন নিখুঁত কথাশিল্পী হিচাপে প্ৰতিষ্ঠিত কৰি থৈ গৈছে।

সংকলনখন প্ৰথমটি গল্প, "কাঠনিবাৰী ঘাট" যাৰ নামেৰে পুথিখনৰ নামকৰণ কৰা হৈছে। গল্পকাৰ ইয়াত এজন বাগানে বাগানে চাকৰি বিচাৰি ফুৰা 'ভেগাবণ্ড'। কাঠনিবাৰী ঘাটত জাহাজলৈ বাট চাই থাকোতে গল্পকাৰে বৰুণ আৰু তাৰ বাইদেৱেকক লগ পায়। মুখেৰে 'টু' এষাৰ নকৰাকৈয়ে নিজকে জীৱন্ত কৰিব পৰা অদ্ভুত গুণৰ অধিকাৰিণী বোৱাৰীজনীয়ে গল্পকাৰৰ মনটো জোকাৰি যায়। বোৱাৰীগৰাকী পৰিপূৰ্ণ দাম্পত্য জীৱনৰ প্ৰতিমূৰ্তিস্বৰূপ- "বিয়া হোৱা নিশ্চয় বেছিদিন হোৱা নাই, গাৰ মাহ-হালধিৰ বোল মমৰ ক্ষীণ পোহৰতে মই স্পষ্টকৈ দেখিছো। গাৰ 'দোলাই'খনৰ পৰা, চুলিৰ মাজৰ পৰা অহা বিয়াৰ মাহ-হালধি-তেলৰ মলমলীয়া গোন্ধৰ সোঁত এটাই মোৰ নাকত মেহানা পাতিছেহি।"

বৰুণহঁতৰ লগত চিনা-পৰিচয় হৈ গল্পকাৰে গম পাইছে বৰুণৰ ভিনিহিদেউৰ চাইকেলৰ এক্সিডেন্ট হোৱাত তেওঁলোকক টেলিগ্ৰাম কৰি মাতি পঠিয়াইছে। কিন্তু জাহাজ আহি নোপোৱাত বৰুণৰ বাইদেৱেক চিন্তাগ্ৰস্ত হৈ পৰিছে। কাঠনিবাৰী ঘাটৰ ৰহস্যময় আন্ধাৰৰ মাজত গল্পকাৰৰ মনতো বিচিত্ৰ ভাৱৰ উদয় হৈছে—"বাইদেৱেকৰ বিয়াৰ ডেৰ বছৰ হ'ল। এসপ্তাহ হওঁতেই মাতি পঠিয়াইছে। সামান্য আঘাত। কিন্তু কাম চাৰ্প যে! নেদেখিলে থাকিব নোৱাৰে। বৰ মিল... আজিৰ ৰাতিটো ডেৰ বছৰ আগত হোৱা হ'লে।"

অৱশেষত জাহাজ আহি পাইছেহি। জাহাজৰ পৰা নামি অহা সম্বন্ধীয় দেওৰেক মামুক দেখি বাইদেৱেক আতংকিত হৈছে; কিন্তু মামুৰ আশ্বাসবাণী শুনি তেওঁ আশ্বস্ত হৈছে। নাও

আহি শিলঘাট পাওঁ পাওঁ হওঁতে গল্পকাৰৰো মনটো উৰুঙা লাগিব ধৰিছে। গল্পকাৰে যেন এক অশনি ভৱিষ্যতৰ সংকেতও পাইছে— "হঠাৎ চকু পৰিল বৰুণৰ বাইদেৱেকৰ ফোঁটটো তেজৰ দৰে দগ্‌মগাবলৈ ধৰিছে। নাৱৰ পৰা মূৰটো হলাই দিয়াত ঢৌৰ প্ৰতিবিম্ববোৰ গোটেই মুখখনেদি চক্‌চকাই পাৰ হৈ গৈছে। ঢৌবোৰে যেন ফোঁটটো ভাগ-বাটি লৈ যাব।"

নাও ঘাট চাপিলত বিদায়পৰ্ব সমাপ্ত কৰি সকলো মটৰত উঠিল। কিন্তু দেখা গ'ল মামু চাহৰ দোকানৰ পৰা উঠাই নাই। গল্পকাৰে মামুক প্ৰায় ঠেলা মাৰিয়ে মটৰলৈ পঠায়। সেইক্ষণতে মামুৰ মুখে নিসৃত হৈছে ভৱিষ্যতৰ ভয়ানক বিপৰ্যয়— "যায়, যাম কেনেকৈ বাৰু? ককাইদেউৰ মটৰ এক্সিডেন্টহে, পিছদিনাই সকলো শেষ! মই অভিনয় কৰি আহিছোঁ।" ঘটনাৰ আকস্মিকতা আৰু ন-বোৱাৰীজনীৰ বাবে ভৱিষ্যতৰ গৰ্ভত লুকাই থকা মৰ্মান্তিক বেদনাই পাঠকৰো হৃদয়ভেদী গৈছে।

মহিম বৰাদেৱৰ 'অপৰাজিত" গল্পটিত ভূধৰ শইকীয়া নামৰ এজন ব্যক্তিৰ জীৱন-সংগ্ৰামৰ কাহিনী আমি পাওঁ। গল্পটি হাস্যৰসাত্মক যদিও অন্তৰ্নিহিত হৈ আছে জীৱনৰ কৰুণ বাস্তৱ। ভূধৰ শইকীয়াই জীৱনত বিচিত্ৰ কাম কৰিছে। "জোতা চিলাইৰ পৰা চণ্ডী পাঠলৈ"। কিন্তু কোনো কামতেই তেওঁ সফল হ'ব পৰা নাই। তথাপিও তেওঁ তল পৰি দিয়া মানুহ নহয়। কেনেদৰে চাহাবৰ লগত মনোমালিন্য ঘটি বাগানৰ চাকৰিটো হেৰুৱায়, কেনেদৰে তেওঁ চাহাবক ভাবুকি প্ৰদান কৰিছিল আদিৰ দৰে বীৰত্বৰ কাহিনী ঘৈণীয়েক আৰু ভতিজাক কণটিলৌৰ আগত শুনায়েই তেওঁ পৰমতৃপ্তি পায়।

সেই ভূধৰ শইকীয়াই অৱশেষত জীৱন সংগ্ৰাম চলাই নিবৰ বাবে দৰ্জীৰ কামত হাত দিয়ে যদিও তাতো তেওঁ বিফল হয়। তথাপিও তেওঁ হাৰ মনা নাই। কোনো কাম বন নথকাত তেওঁ চিলাই দোকানৰ বাবে ফলকখনকেই নিজহাতে আঁকিছে।

"তাৰ পাছত বহুদিনলৈ কাম নাই। ঘৰতো ফটা কাপোৰ নাই। নাই, নাই। ছবিখন আছে।

এসপ্তাহৰ মূৰত ছবিখন হৈ উঠিল। দদাই, খুৰী, ভতিজা মিলি ছবিৰ উদ্বোধনী কৰিলে।"

"ছবিখন বেৰত আঁৰি লৈ আঁতৰত চকী এখনত বহি হোকা হুঁপি হুঁপি একান্তমনে ছবিখন চাবলৈ ধৰিলে শ্ৰী ভূধৰ শইকীয়াই।"

জীৱনৰ অচলাৱস্থাৰ এই বৰ্ণনাই পাঠকৰ মনত চৰিত্ৰটোলৈ পুতৌ জগাই তুলিছে।

"টোপ" নামৰ গল্পটিৰ হৰিবল ককা এক বিচিত্ৰ চৰিত্ৰ। বুঢ়া খিংখিঙীয়া, 'অভইচ' মাত মাতে। তথাপি বুঢ়াক কোনেও বেয়া নেপায়ও কিয়নো ল'ৰাৰ স্কুলৰ সঁজুলি, তিৰোতাৰ তাঁতশালৰ সঁজুলি, ভাওনা-সবাহৰ কামত বুঢ়া নহ'লেই নহয়। হৰিবল বুঢ়া চফল ডেকা অৱস্থাতে গাঁৱলৈ আহিছিল আৰু অকলশৰীয়াকৈ তেওঁ দুকুৰি বছৰ পাৰ কৰিলে। বুঢ়াৰ অতীত কাহিনী গাঁৱৰ সকলোৰে বাবে ৰহস্য।

এদিন বৰশীৰ ডোল দুডাল বটাই নিবলৈ অহা বেণু আৰু চেনিৰ আগত আকস্মিকভাৱে বুঢ়াই নিজৰ জীৱনৰ কিছু ৰহস্য প্ৰকাশ কৰে- এবাৰ তেওঁ ডেকাকালত বৰশী বাবলৈ টোপ বিচাৰি যাওঁতে বাৰীৰ ভিতৰত টোকা পৰুৱাই আৱৰা কেঁচুৱাৰ মৃতদেহ দেখা পায়। কোনোবাই জন্মৰ পাছতেই কেঁচুৱাটো পেলাই থৈ গৈছিল। কেঁচুৱাটোৰ ঠৰঙা চকুহালে বুঢ়াৰ মনত এনে গভীৰ জোকাৰণি তুলিলে যে তেওঁ বৰশী বাবলৈও এৰিলে আৰু নিজ গাঁৱো ত্যাগ কৰিলে। বুঢ়াৰ এই ৰহস্যই সৰু ল'ৰা দুটাকও জোকাৰি যায়। দিনটোৰ কষ্টৰ অন্তত যেতিয়া সিঁহতে এটা শলমাছ ধৰে, দুয়োটাই মাছটো নিবলৈ অস্বীকাৰ কৰে।

"বেণুৱে চকু দুটা আঁতৰাই আনিলে। গাটো ভাঁজ কৰি উত্তৰ দিলে— "মোৰ ভাল লগা নাই। চকু দুটা... কেনেকুৱা ঠৰঙা...।"

"ফাদাৰ এণ্ড ছন এণ্ড কোম্পানী" নামৰ গল্পটিত এজন মানুহে এখন গেলামালৰ দোকান খুলিছে। পিছে দোকানখনত অধিক উৎসাহী তেওঁৰ পুত্ৰ গোপালহে। গোপালৰ আশা মহাজনৰ দোকানৰ গাদীত থকাৰ দৰেই তাহাঁতৰ দোকানতো চন্দুক এটা লাগিব, এদিন সিহঁত সদাগৰ হৈ পৰিব, ফাদাৰ এণ্ড ছন এণ্ড কোম্পানী গৈ 'ফাডাৰ এণ্ড ছন্স জেনেৰেল মাৰ্চেন্ট হ'বগৈ। কিন্তু মূৰকত গৈ তেওঁলোকৰ শেষ ভৰসাৰ থল দোকানখনত লালবাতি জ্বলিল, দোকানৰ চালিয়েদি আকাশ দেখা হ'ল। জীৱনে ইমান বেয়াধৰণে মাৰ শোধোৱাৰ পাছতো গোপালে সপোন দেখিবলৈ এৰা নাই। লগৰ দুটাই দোকানত

দীপান্বিতা পাতিবি নেকি সোধাত সি কৈছে ‘ওঁ, কল পুলি পুতিম। দোকানৰ বুট, চেনি সকলো বিলাই দিম। গেটৰ মুখত দুটা পিছবৰ্ডৰ বাকচৰ ভিতৰত দুটা ডাঙৰ মিঠাতেলৰ চাকি জ্বলাম। বাকচৰ চাৰিওফালে ৰঙাকাগজ মৰা থাকিব।”

“এচেৰেঙা স্মৃতিৰ জোনাক”ৰ নায়কে হঠাৎ এদিন স্কুলীয়া দিনৰ প্ৰেমিকা এজনীৰ ঘৰলৈ নিমন্ত্ৰণ পায়। তেওঁৰ পুৰণি প্ৰেমৰ পাত্ৰীজনীয়ে ইতিমধ্যে ঘৰ-সংসাৰ পাতিছেগৈ। নিমন্ত্ৰণ ৰক্ষা কৰিবলৈ প্ৰেমিকাৰ ঘৰলৈ গৈ তেওঁ যেন যৌৱনৰ ফেঁহুজালিৰ দিনবোৰ ঘূৰাই পাইছে— “নতুন সি একো পোৱা নাই, খন্তেকলৈ ঘূৰাই পালে পুৰণিটোকে, সেই মুহূৰ্তটো পেৰাৰ পৰা উলিওৱা সামৰণ সাজযোৰৰ দৰে সি পুৰণি সৈয়ো নতুন, যাৰ গাত এতিয়াও সেই মাদকতাৰ ফুৰফুৰীয়া গোন্ধ।”

“ওচৰ-চুবুৰীয়া” গল্পটি এটি খুহুতীয়া গল্প। গল্পকাৰৰ ঘৰৰ কাষলৈ অহা ভাৰাতীয়াৰ কৰ্ম-কাণ্ডৰ বৰ্ণনাই পাঠকক আমোদৰ খোৰাক যোগাইছে।

“চক্ৰৱৎ” গল্পটিত জীৱনৰ এক মৰ্মস্পৰ্শী কৰুণ ৰূপ ফুটি উঠিছে। হৰিনাথৰ জীৱনযুঁজৰ লগৰী তেওঁৰ ‘হাৰ্দ্দি’ চাইকেলখন; যাক লৈ তেওঁৰ গৌৰৱৰ অন্ত নাই। বেমাৰী চাইকেলখন মেৰামতি কৰি, তাৰেই হাট-বজাৰ কৰি তেওঁ ঘৰখন চলাই আছে। ক’ৰবাৰ বাগানত চাকৰিৰ খবৰ ওলালেই তেওঁ চাইকেলখন লৈ দৌৰ মাৰে। শেষত যেতিয়া বহু আকাংক্ষিত চাকৰিটো নেপাই, ভগা চাইকেলৰ সৈতে হৰিনাথ, ঘৈণীয়েক আৰু পুতেকহঁতৰ মাজলৈ উভতি আহে, গোটেই পৰিৱেশটো হৃদয়বিদাৰক হৈ উঠে।

“বাপেকে হোকা হুঁপি হুঁপি নিৰ্বিকাৰভাৱে কৈ গ’ল কথাবোৰ। বহুত চাকৰি, বহুত ঠিকা ওলাব। বহুত টকা হ’ব।”

“কিন্তু... কিন্তু কোঠাটোত পৰ্বত যেন হৈ পৰি থকা এই যন্ত্ৰপাতিবোৰ। এইবোৰ ফিট কৰি কেতিয়া শেষ হ’ব চাইকেলখন আকৌ আগৰ দৰে থিয় হ’ব পাৰিবনে?”

মহিম বৰাদেৱৰ “কেঞা আঙুলি” নামৰ গল্পটিত দৰা সোমেশ্বৰে আৱিষ্কাৰ কৰিলে তাৰ কইনাজনীৰ ভৰিৰ কেঞা আঙুলিটো দীঘল। তাকে লৈ কইনা চাবলৈ অহা মানুহবোৰৰ উদ্বিগ্নতাই সোমেশ্বৰকো চুই গৈছে। পিছে মৌজাদাৰণী আই সহজ ব্যৱহাৰে সকলো শাম কটাইছে। নাটকীয়ভাৱে সোমেশ্বৰে শেষত আৱিষ্কাৰ কৰিছে যে মৌজাদাৰণীৰো ভৰিৰ কেঞা আঙুলিটো দীঘল।

“নিঃসন্দেহ” গল্পটিত প্ৰেমত ব্যৰ্থ হোৱা আৰু বিবাহৰ পিছত সন্তান হেৰুওৱা এগৰাকী নাৰীৰ মনোজগতৰ ধুমুহাৰ উমান দিয়া হৈছে। গল্পটোৰ নায়িকা, তেওঁৰ স্বামী আৰু তেওঁৰ পূৰ্বৰ প্ৰেমিক পিক্‌নিকলৈ গৈছে। নায়িকা আৰু তেওঁৰ স্বামীৰ মাজৰ সম্পৰ্কটো সন্দেহৰ পোকে কুটি কুটি খোৱা বুলি পূৰ্বৰ প্ৰেমিকে গম পাইছে। গল্পটিৰ শেষত সন্দেহৰ ডাৱৰ আঁতৰি গৈছে আৰু স্থিতাৱস্থাৰ অন্ত পেলাই সম্পৰ্কটোৱে গতি ল’বলৈ আৰম্ভ কৰিছে।

“তৃতীয় শ্ৰেণীৰ যাত্ৰী” গল্পটিত নায়কে স্বাধীনতাৰ বাবে জে’ল খাটি আহি গম পাই তেওঁৰ প্ৰেমিকাৰ বিয়া ঠিক হৈছে। শেষত তেওঁ গম পাইছে ল’ৰা আন কোনো নহয়, তেওঁৰ নিজৰেই এসময়ৰ সহ-পাঠী বন্ধু, যি বৰ্তমান এজন ঠিকাদাৰ।

“ৰস” নামৰ গল্পটিৰ এটি চৰিত্ৰ “ৰত্ন” অত্যন্ত চালাক-চতুৰ, এক কথাত স্বাৰ্থপৰেই। সেই ৰত্নই গাঁৱৰ দেওলগা আঁহতজোপাত মৌবাহ আৱিষ্কাৰ কৰিছে। ওখ গছৰ আগৰ পৰা মৌবাহ পাৰি অনাৰ দৰে দুঃসাহসিক কাম কৰিবলৈ কোনো ডেকা আগবাঢ়ি অহা নাই। কিন্তু ৰত্ন আৰু আন সমনীয়াৰ উচটনিতে ভটাগুটি মৌ পাৰিবলৈ আগবাঢ়ি আহিছে। ভটাগুটি যেতিয়া গছৰ ওপৰলৈ উঠি গৈ আছে তেতিয়া ভটাক মৰণৰ মুখলৈ আগবাঢ়ি গৈ থকা দেখি ৰত্নৰ মনত আতংকৰ সৃষ্টি হৈছে। সি নিজৰ আৰু আন মানুহৰ স্বাৰ্থপৰ ৰূপতো আৱিষ্কাৰ কৰিছে।

“ৰত্ন মাটিত; অতি হীন, দীন, নীচ হৈ থিয় হৈ আছে সি। ভটা ওপৰত, বহুত ওপৰত সি। যেন ভটাগুটিয়ে সোঁশৰীৰে স্বৰ্গযাত্ৰা কৰিছে- সকলো মানুহে তাক হৰিধ্বনিৰে বিদায় দিবলৈ আহিছে।”

“তাৰ এটা কথাত, এষাৰ কথাতে, ভটাগুটিয়ে নিজৰ জীৱন ত্যাগ কৰি মৌ পাৰিবলৈ আহিল। কিন্তু সি ভটাক সেই পৰিমাণে অন্তৰেৰে ভাল পাই আহিছেনে?”

শেষত ৰত্নইও অন্তৰেৰে উপলব্ধি কৰিছে ভটাৰ জীৱনৰ মূল্য আৰু শৈশৱৰ বন্ধু ভটাৰ প্ৰতি মমতা। মৌ পাৰি নামি অহা ভটাৰ আগত তাকে ৰত্নই অকপটে প্ৰকাশ কৰিছে।

“ৰত্নই তাৰ বাহুত থাপ মাৰি ধৰি হাবিৰ পৰা বাহিৰলৈ টানি নিয়াদি লৈ গ’ল।

"তোৰ কাম মৌ পাৰি দিয়াহে। মৌ সিহঁতে খাওঁক। আৰু শুন, আজিৰ পৰা মোৰ সাক্ষাতত এনে প্ৰাণাত্মক কাম কৰিব নোৱাৰ কেতিয়াও।"

যাওঁতে কৈ গ'ল ৰত্নই।"

সংকলনখনৰ অন্তিমটো গল্প "মাছ আৰু মানুহ"ত নায়ক জীৱকান্তই ৰাইজৰ লগত বিলত মাছ ধৰিবলৈ গৈছে। জীৱকান্তৰ বৰ আশা সি আজি এটা ডাঙৰ মাছ ধৰিবই। সঁচাকৈয়ে জীৱকান্তৰ পলতেই এটা বৰ ডাঙৰ মাছ পৰে। কিন্তু প্ৰকাণ্ড মাছটোৱে পলৰে সৈতে জীৱকান্তক টানি লৈ যায় সাগৰহেন বিলৰ গহীন দ মাজপানীলৈ। প্ৰচণ্ড জেদত জীৱকান্তইও মাছটো এৰি নিদিয়ে; মাছটোৱে টানি নিয়াৰ ফালেই সিও ওপঙি গৈ থাকে। এনেদৰে মাছৰ লগত যুঁজোতে যুঁজোতে যেতিয়া সন্ধিয়া হ'বৰ হয় তেতিয়া জীৱকান্তই সম্বিৎ ঘূৰাই পায় আৰু অনুভৱ কৰে মৃত্যুৰ হিমশীতল স্পৰ্শ— "হঠাৎ এটা অকলশৰীয়া ভয়ে গোটেই মানুহটোক তালুৰ পৰা তলুৱালৈ কঁপনি দি গ'ল। বতাহত বিলৰ বুকুখন কঁপি থকাৰ দৰে তাৰ বুকুত কঁপিবলৈ ধৰিলে ভয় এটা। এই যে বহল পানীবিলাক তাৰ চাৰিওফালে, তাৰ ওপৰত এই যে মুকলি আকাশখন পল এটাৰ দৰে তাক চাব মাৰিবলৈ ৰৈ আছে, এয়েনে তাৰ মৃত্যু? মৰণ ইমান বহলনে? ইমান মুকলিনে? ইমান অকলশৰীয়ানে?

অৱশেষত মাছটোৱে যেতিয়া জীৱকান্তক টানি পাৰৰ ফাললৈ লৈ গৈছে, হঠাৎ তাৰ বুকুখন মাছটোৰ বাবে ধৰ্‌ফৰাবলৈ ধৰিলে। জীৱনৰ ওচৰলৈ পুনৰ ঘূৰি আহি, সি মাছটোৰ সৈতে অনুভৱ কৰিছে এক পৰম সহৃদয়তা "কালে যেতিয়া দুয়োটাৰে আগচুলিত ধৰিছিল, সেই মুহূৰ্তত তাৰ একমাত্ৰ লগ, একমাত্ৰ মিত্ৰ আছিল তাৰ পলৰ লগত গঁঠা এই মাছটো আৰু মাছটোৰো একমাত্ৰ মিত্ৰ আছিল, লগ-সংগ আছিল সি - মাছৰ শত্ৰুস্বৰূপ সি মানুহটো। ... তেনেহ'লে মাছটোহে তাৰ পৰম আত্মীয়।"

গল্পৰ শেষত জীৱকান্তই মাছটো এৰি দিয়ে আৰু প্ৰশান্ত মনেৰে পানীভাঙি পাৰলৈ উঠি আহে।

মহিম বৰাদেৱৰ গল্পসমূহৰ মাজত জিলিকি উঠিছে চহাজীৱনৰ অপাৰ সৌন্দৰ্য, জীৱনৰ অপ্ৰত্যাশিত খুন্দাত মানুহৰ নিৰুপায় অৱস্থা, নৰ-নাৰীৰ মনৰ জগতৰ বতৰা। গল্পসমূহৰ হাস্যৰসৰ তলে তলে বৈ আছে বেদনাৰ ধাৰ, যিয়ে পাঠকৰ অন্তৰতো খুন্দা মাৰিছে। বৰাদেৱৰ গল্পত বিদ্যমান মানৱীয় অনুভূতি আৰু তাৰ মৰ্মস্পৰ্শী আৱেদনে গল্পসমূহক কালজয়ী স্তৰলৈ উত্তীৰ্ণ কৰিছে। নিঃসন্দেহে পাঠকৰ মনত কেউটা গল্প নজহা-নপমা সুৰ হৈ ৰৈ যাব।

❑❑

# প্ৰেৰণা আৰু সফলতাৰ বাটত এগৰাকী শিক্ষাৰ্থীৰ যাত্ৰা

● ময়ূৰী দেৱী চেতিয়া
চতুৰ্থ ষাণ্মাসিক, ইংৰাজী বিভাগ

"সুন্দৰে যে ফুলাৰ মন্ত্ৰ অহো ৰাত্ৰি মাতে
সেয়েহে আজি ইমান ফুল প্ৰভাতে প্ৰভাতে..."

জীৱন হৈছে এক অসীম সম্ভাৱনাৰ ভঁৰাল, য'ত প্ৰতিজন ব্যক্তিয়েই নিজৰ পথ নিজেই নিৰ্ধাৰণ কৰিব লাগে। এই যাত্ৰাত প্ৰেৰণা হৈছে জোনাকী পৰুৱাৰ পোহৰৰ দৰে, যি অন্ধকাৰৰ ৰাতিতো পথ দেখুৱায়। আনহাতে, সফলতা হৈছে এক গন্তব্য, য'ত প্ৰতিজনে নিজৰ স্বপ্ন পূৰণৰ বাবে প্ৰেৰণা আৰু কঠোৰ পৰিশ্ৰমৰ প্ৰয়োজন। ড° এ.পি.জে আব্দুল কালামে কৈছিল, "সপোন সেয়া নহয়, যি মানুহে শুই শুই দেখে, সপোন সেয়াহে যাক পূৰ্ণ কৰাৰ প্ৰত্যাশাই মানুহক শুবলৈ নিদিয়ে।" এগৰাকী শিক্ষাৰ্থীৰ জীৱনত প্ৰেৰণা আৰু সফলতাৰ সংযোগ অতি গুৰুত্বপূৰ্ণ কাৰণ ই জীৱনৰ লক্ষ্য পূৰণৰ বাবে একাগ্ৰতা আৰু সাহস যোগায়। জীৱনৰ যিকোনো ক্ষেত্ৰত সফলতা পাবলৈ মনোবল আৰু প্ৰেৰণাই মূল ভূমিকা গ্ৰহণ কৰে। এই প্ৰবন্ধত আমি প্ৰেৰণা আৰু সফলতাৰ পৰিসৰ আৰু এগৰাকী শিক্ষাৰ্থীৰ জীৱনত ইয়াৰ প্ৰাসংগিকতা বৰ্ণনা কৰিম।

প্ৰেৰণাৰ উৎস শিক্ষাৰ্থীৰ জীৱনত বহুমুখী। পৰিয়ালৰ সাহস, শিক্ষকৰ মঙ্গলময় উপদেশ, বন্ধু-বান্ধৱীৰ সহমৰ্মিতা আৰু বিখ্যাত ব্যক্তিৰ জীৱন চৰিত এই সকলোবোৰ শিক্ষাৰ্থীৰ বাবে প্ৰেৰণাৰ আধাৰ।

একোজন শিক্ষাৰ্থীৰ সফলতাৰ বাটত পৰিয়ালৰ ভূমিকা অপৰিসীম। পৰিয়াল হৈছে একোজন শিক্ষাৰ্থীৰ প্ৰথম তথা প্ৰাথমিক প্ৰেৰণা। অভিভাৱকৰ সাহস আৰু উৎসাহেই শিক্ষাৰ্থীক আত্মবিশ্বাসী কৰি তোলে। উদাহৰণস্বৰূপে, এগৰাকী শিক্ষাৰ্থীয়ে পৰীক্ষাত ভাল ফলাফল লাভ কৰিবলৈ তেতিয়া প্ৰেৰণা পায় যেতিয়া অভিভাৱকে তেওঁক আগবঢ়াই দিয়ে। অভিভাৱকৰ প্ৰেম আৰু সমৰ্থনে শিক্ষাৰ্থীক কঠিন পৰিস্থিতিতো ধৈৰ্য্য ধৰি আগুৱাই যাবলৈ উৎসাহিত কৰে। আন কথাত ক'ব পাৰি যে, ঘৰখনেই হৈছে শিক্ষাৰ্থীৰ বাবে কঠীয়াতলী, য'ত অভিভাৱকসকলে নানা প্ৰকাৰৰ শস্যৰ খেতি কৰে আৰু সেই বীজসমূহ শিক্ষাৰ্থীসকলে আহৰণ কৰে।

পৰিয়ালৰ পাছতেই শিক্ষাৰ্থীসকলৰ জীৱনত শিক্ষকসকলৰ অৱদান যথেষ্ট গুৰুত্বপূৰ্ণ। একোজন শিক্ষক এগৰাকী শিক্ষাৰ্থীৰ জীৱনৰ দিশ নিৰ্দেশক। শিক্ষাগুৰুসকলেই শিক্ষাৰ্থীৰ মনত স্বপ্নৰ বীজ ৰোপণ কৰে। ড° এ.পি.জে আব্দুল কালামে কৈছিল," শিক্ষক এজনৰ হাতত আছে শিক্ষাৰ্থীৰ জীৱন গঢ়াৰ ক্ষমতা।" বিদ্যালয় হৈছে জ্ঞানৰ মন্দিৰ। য'ৰ পৰা শিক্ষাৰ্থীসকলে জ্ঞান প্ৰদান কৰা একোজন মহান আদৰ্শ। এজন সৎ আৰু নিষ্ঠাবান শিক্ষকৰ প্ৰেৰণাই শিক্ষাৰ্থীৰ জীৱনক সলনি কৰি তুলিব পাৰে।

শিক্ষাৰ্থীৰ জীৱনত বন্ধু-বান্ধৱীসকলৰ ইতিবাচক প্ৰভাৱে শিক্ষাৰ্থীৰ মনোবল বৃদ্ধি কৰে। একোজন ভাল বন্ধু-বান্ধৱীয়ে জীৱনৰ প্ৰতিটো পৰিসৰত সহায় কৰে। একোজন শিক্ষাৰ্থীয়ে দিনটোৰ অধিকাংশ সময় বিদ্যালয়, মহাবিদ্যালয়তেই অতিবাহিত কৰে। উক্ত সময়ছোৱাত বন্ধু-বান্ধৱীসকলেই শিক্ষাৰ্থীসকলৰ সাৰথি হয়। সেয়েহে বন্ধু-বান্ধৱীসকলৰ ব্যৱহাৰ, চিন্তাধাৰা ইত্যাদি দিশসমূহে ইজনে-সিজনক প্ৰভাৱিত কৰে। সেয়ে সংগ নিৰ্বাচন কৰাৰ সময়তো ভালদৰে চালি-জাৰি চাব লাগে, কিয়নো বন্ধু-বান্ধৱীসকল জীৱনৰ একো-একোটা অংশ হৈ পৰে। এজন শিক্ষাৰ্থীৰ জীৱনত সাফল্যপ্ৰাপ্তিত বন্ধু-বান্ধৱীৰ যি অৱদান সেয়া অতুলনীয়। তদুপৰি অধ্যয়নৰ সময়ত একে লক্ষ্যৰ বন্ধু-বান্ধৱীৰ সহযোগে শিক্ষাৰ্থীসকলক অধিক সংগঠিত কৰি তোলে।

বিখ্যাত ব্যক্তিৰ জীৱন চৰিত শিক্ষাৰ্থীসকলৰ বাবে অনুপ্ৰেৰণাৰ অন্যতম প্ৰধান উৎস। শিক্ষাৰ্থীসকলে নিজৰ জীৱনত একোজন বিখ্যাত তথা মহান ব্যক্তিসকলৰ জীৱন চৰিত্ৰসমূহ ভালদৰে বিশ্লেষণ কৰিলে তেওঁলোকৰ ত্যাগ, অপৰিসীম কষ্টৰ বিনিময়ত লাভ কৰা পৰ্যায় তথা সফলতাৰ উমান ল'ব পাৰি। তেনে কিছু মহান আদৰ্শৰ সফলতাৰ কাহিনী তলত উল্লেখ কৰা হ'ল—

লক্ষ্য স্থিৰ হ'লে যিকোনো বাধাই ব্যক্তিৰ জীৱনৰ যে হেঙাৰ হ'ব নোৱাৰে সেই কথা আমি অৰুণিমা সিনহাৰ জীৱনৰ পৰা বুজ ল'ব পাৰো। অৰুণিমা সিনহা ভাৰতৰ এগৰাকী পৰ্বতাৰোহী। তেওঁ জীৱনত বহুতো প্ৰত্যাহ্বান, কষ্টৰ সন্মুখীন হোৱাৰ পাছতো নিজ লক্ষ্যত উপস্থিত হৈছিল। ২০১১ চনত তেওঁ ৰে'লত যাত্ৰা কৰি থাকোতে হঠাতে ডকাইতৰ দল এটাই লুট-পাত কৰিছিল। তেওঁৰো প্ৰায় সকলো বস্তুৱেই কাঢ়ি লৈছিল কিন্তু তেওঁ মাকৰ শেষ স্মৃতিস্বৰূপ ডিঙিৰ চেইনডাল দিব বিচৰা নাছিল, সেয়ে চলন্ত ৰে'লৰ পৰা তেওঁক ঠেলি দিয়া হয়। তেওঁ ৰে'লপথত পৰি থকাৰ সময়ত এখন অন্য ৰে'লে তেওঁৰ বাঁও ভৰিৰ ওপৰত চলি যায়, যাৰ ফলত তেওঁৰ বাঁও ভৰিখন গভীৰভাৱে ক্ষতিগ্ৰস্ত হয়, শেষত চিকিৎসকৰ পৰামৰ্শত তেওঁৰ ভৰিখন কাটি পেলাব লগা হয়। এই দুৰ্ঘটনাই যদিও অৰুণিমাৰ জীৱনত এক গভীৰ আঘাত হানিছিল তথাপিও তেওঁ নিজৰ মনোবল হেৰুৱা নাছিল। তেওঁ নিজৰ জীৱনক নতুন উদ্দেশ্য দিয়া ঠিক কৰে আৰু মাউন্ট এভাৰেষ্ট জয় কৰিবলৈ সংকল্পবদ্ধ হয়। অৱশেষত ২০১৩ চনত, অৰুণিমাই মাউন্ট এভাৰেষ্ট জয় কৰি ইতিহাস ৰচে। তেওঁৰ কাহিনী হৈছে এক উদাহৰণ, যি দেখুৱাই যে সংকল্প আৰু সাহসেৰে যিকোনো বিপত্তি জয় কৰিব পাৰি।

ষ্টেফেন হকিং বিশ্বৰ অন্যতম প্ৰসিদ্ধ বিজ্ঞানী আৰু তাত্ত্বিক পদাৰ্থ বিজ্ঞানী আছিল, যাৰ জীৱন কাহিনী এক অনুপ্ৰেৰণা উৎস। ২১ বছৰ বয়সত হকিঙৰ শৰীৰত Amyotrophic Lateral Sclerosis (ALS) ৰোগ নিৰ্ণয় হয়। এই ৰোগে তেওঁক অস্থিৰ কৰি তোলে আৰু চিকিৎসকসকলে কয় যে তেওঁ মাত্ৰ কেইবছৰমানহে বাচিব। এইৰোগৰ ফলত তেওঁ সম্পূৰ্ণৰূপে শাৰীৰিকভাৱে সক্ষম হৈ পৰে। সময়ৰ সৈতে তেওঁ কথা ক'বলৈ আৰু চলিবলৈ অক্ষম হয় আৰু এটা বিশেষ কম্পিউটাৰ ব্যৱস্থাৰ সহায়ত কথা পাতিবলৈ আৰম্ভ কৰে। চিকিৎসকে বান্ধি দিয়া সময়সীমাৰ অতিক্ৰম কৰি তেওঁ ১৯৪২ চনৰ পৰা ২০১৮ চনলৈকে ৭৬ বছৰ কাল জীয়াই থাকিল কেলৰ মাত্ৰ তেওঁৰ মন আৰু মগজুৰ শক্তিৰ স্থিৰতাৰ বলত। "The mind, in it's own place, can make heaven of holl and a holl of heaven." অৰ্থাৎ ইয়াৰ পৰা ইয়াকে বুজিব পাৰি যে, সৎ সংকল্প আৰু জ্ঞানৰ ইচ্ছা শক্তিৰে অসাধ্যকো সাধ্য কৰিব পৰা যায়। যিকোনো শাৰীৰিক সীমাবদ্ধতাই মানৱ মনৰ শক্তিক ৰোধ কৰিব নোৱাৰে।

মেৰী কম মণিপুৰৰ এটা সাধাৰণ পৰিয়ালত জন্ম গ্ৰহণ কৰিছিল। তেওঁ জীৱনৰ আৰম্ভণিৰ পৰাই কঠিন পৰিস্থিতিৰ সন্মুখীন হৈছিল, কিন্তু তেওঁৰ অন্তৰীক্ষ দৃঢ়তা আৰু স্বপ্নৰ প্ৰতি অটল বিশ্বাসে তেওঁক বিশ্ব জয় কৰিবলৈ অনুপ্ৰাণিত কৰিছিল।

তেখেতৰ খেলৰ প্ৰতি আগ্ৰহ শৈশৱতে দেখা গৈছিল কিন্তু মণিপুৰত বক্সিঙৰ সুযোগ খুব সীমিত আছিল। তেখেতে বহু বাধা অতিক্ৰম কৰি ২০০০ চনত মণিপুৰৰ বক্সিং কোচৰ সৈতে প্ৰশিক্ষণ আৰম্ভ কৰে। ২০০১ চনত বিশ্ব মহিলা বক্সিং চেম্পিয়নশ্বিপৰ পদক লাভ কৰি আন্তঃৰাষ্ট্ৰীয় মঞ্চত নাম জিলিকাবলৈ সক্ষম হয়। তেওঁৰ কঠোৰ পৰিশ্ৰম আৰু প্ৰশিক্ষণৰ ফলত পাঁচবাৰ বিশ্ব চেম্পিয়ন হৈ ভাৰতবৰ্ষৰ নাম জিলিকাই তুলি ইতিহাসৰ সোণালী পাতত উজলাই তুলিবলৈ সক্ষম হয়। তেওঁ বিশ্ব অলিম্পিকত পদক লাভ কৰা প্ৰথমগৰাকী মহিলা বক্সাৰ। মেৰী কমে প্ৰমাণ কৰিছে যে মানুহৰ ইচ্ছাশক্তি আৰু পৰিশ্ৰমৰ দ্বাৰা অসম্ভৱও সম্ভৱ হৈ পৰে। তেওঁৰ জীৱন কাহিনী কেৱল খেলৰ সফলতাৰ কাহিনী নহয়, ই এক শিক্ষাৰ দৃষ্টান্ত। তেওঁৰ জীৱনৰ পৰা বুজ ল'ব পাৰি যে মনোবল আৰু ধৈৰ্যৰ জৰিয়তে যিকোনো স্বপ্ন পূৰণ কৰিব পৰা যায়।

আনন্দৰাম বৰুৱা অসমৰ এজন অন্যতম জ্ঞানী আৰু প্ৰগতিশীল চিন্তাধাৰাৰ ব্যক্তিত্ব আছিল। তেওঁক 'আদিকবি' আৰু 'ৰাওবাহাদুৰ' উপাধিৰে সম্বোধন কৰা হয়। তেওঁৰ জীৱনৰ সফলতা প্ৰত্যাহ্বান এক অনন্য সংমিশ্ৰণ। তেওঁৰ শৈশৱত শিক্ষা ব্যৱস্থাৰ প্ৰয়োজনীয় সুবিধাৰ অভাৱ আছিল। তদুপৰি, সেই সময়ত সমাজ কু-সংস্কাৰ আৰু অন্ধবিশ্বাসেৰে পৰিপূৰ্ণ আছিল। উচ্চ শিক্ষা গ্ৰহণৰ বাবে তেওঁ ইংলেণ্ডলৈ যাব লগা হৈছিল; সেই সময়ত তেওঁ নানা প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল। তাৰ ভিতৰত জাত যোৱাৰ ভয়, তথা অদূৰ সাগৰীয় পথ অভিক্ৰম কৰি যাব লগীয়া হৈছিল। এই বাধাসমূহৰ পাছতো তেওঁ ইংলেণ্ডত থাকোতে সাংস্কৃতিক আৰু ভাষাগত বাধাসমূহৰ সন্মুখীন হ'ব লগা হৈছিল। এইসমূহ বাধা তথা প্ৰত্যাহ্বান অতিক্ৰম কৰি তেওঁ ভাৰতীয় লোকসেৱা আয়োগত সফলতা অৰ্জন কৰি ভাৰতৰ পঞ্চমগৰাকী আৰু আমাৰ প্ৰথমগৰাকী প্ৰশাসনিক বিষয়া হিচাপে খ্যাতি লাভ কৰে। তেওঁ অগাধ সহিষ্ণুতা, ধৈৰ্য্য, কষ্ট আৰু অধ্যৱসায়ৰ ফলত বহুতো প্ৰত্যাহ্বান অতিক্ৰম কৰি সফলতাৰ উচ্চ শিখৰত উপস্থিত হয়। তেওঁ অসমীয়া জাতিৰ এক দ্বীপশিখা। তেওঁৰ জীৱন আৰু কৰ্মই অসমীয়া জাতিক আগুৱাই নিয়াৰ অনুপ্ৰেণা যোগায়। তেওঁ বিশ্বাস কৰিছিল। 'কৰ্মই প্ৰকৃত ধৰ্ম'। তেওঁৰ জীৱন ভালদৰে বিশ্লেষণ কৰিলে বুজাব পাৰি যে, সমাজ, জাতি ইত্যাদিৰ পৰা অহা নানান প্ৰত্যাহ্বানৰ পাছতো সৎ সাহস আৰু আত্মবিশ্বাসেৰে বাটত সেয়া কেতিয়াও হেঙাৰ হ'ব নোৱাৰে।

ওপৰত উল্লেখিত মহান আদৰ্শসমূহৰ উপৰিও ভাৰতৰ 'মিছাইল মেন' হিচাপে পৰিচিত ড° এ.পি.জে আব্দুল কালামৰ জীৱন শিক্ষাৰ্থীসকলৰ বাবে এক অনন্য অনুপ্ৰেৰণা। তেওঁ ভাৰতৰ ১১ তম্ ৰাষ্ট্ৰপতি আৰু অন্যতম মহান বিজ্ঞানী আছিল। তামিলনাডুৰ ৰামেশ্বৰমত এক মৎস্যজীৱী পৰিয়ালত তেওঁ জন্ম গ্ৰহণ কৰিছিল। দৰিদ্ৰতাই তেওঁক শৈশৱৰ পৰা কঠোৰ পৰিশ্ৰমী হ'বলৈ শিকাইছিল। শৈশৱত পঢ়াৰ লগতে বাতৰি কাকত বিক্ৰী কৰি পৰিয়ালক সহায় কৰিব লগা হৈছিল। SLV-B ৰ প্ৰথম প্ৰক্ষেপণ বিফল হৈছিল কিন্তু এই বিফলতাই তেওঁক দৃঢ় আৰু অধ্যৱসায়ী হ'বলৈ অনুপ্ৰাণিত কৰিছিল। তদুপৰি নানা সময়ত তেওঁৰ উচ্চাভিলাষী প্ৰকল্পসমূহৰ বাবে কেতিয়াবা সমালোচনাৰ সন্মুখীন হৈছিল। তথাপি, তেওঁ নিজৰ লক্ষ্যত অটল আছিল। এ.পি.জে আব্দুল কালামৰ জীৱন প্ৰতিবাদ আৰু সফলতাৰ এক উদাহৰণ। তেওঁ শিকাইছে যে, কঠোৰ পৰিশ্ৰম, অধ্যৱসায় আৰু স্বপ্নৰ প্ৰতি আস্থা থাকিলে সকলো বাধা অতিক্ৰম কৰিব পাৰি। সফলতা তথা লক্ষ্যৰ বাটত দৰিদ্ৰতা কেতিয়াও হেঙাৰ হ'ব নোৱাৰে।

এই মহান আদৰ্শসকলৰ উপৰিও শচীন তেণ্ডুলকাৰ, মেৰী কুৰী, কল্পনা চাওলা, নেলচন মেণ্ডেলা, ড° ভূপেন হাজৰিকা, থমাচ ইডিচন, মালালা ইউছাফজাই, ষ্টিভ জবছ, ৰতন টাটা ইত্যাদি অন্যান্য ক্ষেত্ৰৰ ব্যক্তিসকলৰ জীৱন সংগ্ৰামৰ অসাধাৰণ কাহিনী তথা সংঘৰ্ষসমূহে শিক্ষাৰ্থীৰ জীৱনৰ ইতিবাচক প্ৰভাৱ বিস্তাৰ কৰি সাহসৰ সঞ্চাৰ কৰে।

সফলতা মানে কেৱল বাহ্যিক অৰ্জনেই নহয়, বৰঞ্চই এক মানসিক শান্তি, আত্মবিশ্বাস আৰু জীৱনৰ লক্ষ্যপূৰণৰ আনন্দ। সফলতাৰ সংজ্ঞা বিভিন্ন স্তৰত বিশ্লেষণ কৰিব পাৰি। উদাহৰণস্বৰূপে, ব্যক্তিগত সফলতা এগৰাকী শিক্ষাৰ্থীৰ বাবে লক্ষ্য পূৰণৰ আনন্দ। যেনে— পৰীক্ষাত ভাল ফলাফল লাভ কৰা একাডেমিক কৃতিত্ব আৰু নিজৰ দক্ষতা বিকাশ। এনে ব্যক্তিগত সফলতাই শিক্ষাৰ্থীসকলক অধিক অনুপ্ৰাণিত কৰে। এনে সফলতাই শিক্ষাৰ্থীসকলক অধিক আশাবাদী আৰু আগ্ৰহী

কৰি তোলে। এনে ব্যক্তিগত সফলতাই শিক্ষাৰ্থীসকলক সামূহিক সফলতাৰ প্ৰতি আকৰ্ষিত তথা অধিক আগ্ৰহী কৰি তোলে, যি সমাজৰ উন্নতিৰ হকে কিছু কাম কৰাৰ মনোভাৱৰ বিকশিত কৰে। সফলতাৰ বাটত প্ৰেৰণাৰ ভূমিকা অমূল্য। প্ৰেৰণাই শিক্ষাৰ্থীক নিজৰ লক্ষ্য স্থিৰ কৰিবলৈ সহায় কৰে। তদুপৰি কঠিন পৰিস্থিতিতো সাহসেৰে যুঁজ দি আগবাঢ়ি যোৱাৰ মনোভাৱ গঢ়ি তোলে।

সফলতাৰ মূলমন্ত্ৰ হৈছে অধ্যৱসায়। সময়ৰ ব্যৱহাৰ সঠিক ৰূপত কৰিলে জীৱনত সফলতা অৰ্জন কৰিব পাৰি। সেয়ে সময়ৰ টিকনিডাল সদায় আগফালে ধৰি ৰাখিব লাগে, কিয়নো সময় হৈছে কালৰ বিপৰীত। এবাৰ পাৰ হৈ যোৱা সময় জীৱনত আৰু দুনাই পোৱা নাযায়। একোজন শিক্ষাৰ্থীৰ প্ৰথম কৰ্মই হৈছে শিক্ষা গ্ৰহণ কৰা। আগৰ দিনসমূহত হিন্দুধৰ্মত চাৰি আশ্ৰম— ব্ৰহ্মচৰ্য, বাণপ্ৰস্থ, গৃহস্থ্য আৰু সন্ন্যাসৰ ব্যৱস্থা আছিল। গুৰুৱে শিক্ষাৰ্থীসকলৰ এই চাৰি আশ্ৰমৰ বৰ্ণনা দিছিল। এই সময়ত শিক্ষাৰ মূল উদ্দেশ্য আছিল জ্ঞান আহৰণ কৰা। শিক্ষা মৌখিকভাৱে প্ৰদান কৰা হৈছিল তথা বৃক্ষৰ তলত মুকলিকৈ শিক্ষা গ্ৰহণৰ ব্যৱস্থা আছিল। শিক্ষাৰ মূল বিষয়সমূহ আছিল, যেনে— ধৰ্মীয় শিক্ষা- বেদ, উপনিষদ; সাংস্কৃতিক শিক্ষা- সংগীত, নৃত্য; বিজ্ঞান আৰু গাণিতিক জ্ঞান- জ্যোতিষ শাস্ত্ৰ, গণিত, চিকিৎসা, যুদ্ধ বিদ্যা, নৈতিক শিক্ষা ইত্যাদি। প্ৰাচীন শিক্ষা ব্যৱস্থাই শিক্ষাৰ্থীসকলক আধ্যাত্মিক দিশবোৰৰ লগতে আত্মনিয়ন্ত্ৰণ আৰু আত্মসাধনাৰ জ্ঞানো প্ৰদান কৰিছিল। চাৰি আশ্ৰম ব্যৱস্থাৰ প্ৰথম পৰ্যায় আছিল ব্ৰহ্মচৰ্য, এই সময়ত শিক্ষাৰ বাবে শিষ্য হৈ গুৰুৰ আশ্ৰমত বাস কৰিব লগা হৈছিল। দ্বিতীয় পৰ্যায়- গৃহস্থ্য আশ্ৰম, য'ত পৰিয়াল, সমাজ আৰু ধৰ্মীয় কৰ্তব্য পালন কৰিবলগীয়া হৈছিল। বানপ্ৰস্থ আশ্ৰম, তৃতীয় পৰ্যায়; য'ত ধীৰে ধীৰে সংসাৰৰ দায়িত্ব ত্যাগ কৰি আধ্যাত্মিক জীৱনলৈ আগবাঢ়িব লাগিছিল। চতুৰ্থ আৰু শেষৰ পৰ্যায় আছিল সন্ন্যাস। য'ত সংসাৰত সকলো বন্ধন ত্যাগ কৰি, মায়াৰ মোহৰ পৰা মুক্ত হৈ ঈশ্বৰ প্ৰাপ্তিৰ বাবে সাধনা কৰি ধৰ্ম প্ৰচাৰ আৰু জনকল্যাণত মনোনিৱেশ কৰিছিল। এই চাৰি আশ্ৰম ব্যৱস্থাই আদিম যুগত শিক্ষাৰ্থীৰ পূৰ্ণতাৰ পথ দেখুৱাইছিল আৰু ব্যক্তি জীৱনলৈ শৃংখলা আৰু উদ্দেশ্য আনিছিল। বৰ্তমানৰ যান্ত্ৰিক যুগত শিক্ষাৰ কৌশলসমূহ, উদ্দেশ্যসমূহ যদিও সলনি হৈছে তথাপিও শিক্ষাৰ্থীৰ লক্ষ্য সদায় স্থিৰ হোৱা উচিত। ঘৰ তথা শিক্ষা অনুষ্ঠানসমূহেই শিক্ষাৰ্থীৰ অনুপ্ৰেৰণাৰ উৎস। শিক্ষাৰ্থীসকলৰ শিক্ষা গ্ৰহণৰ উদ্দেশ্য ব্যক্তিগত হোৱাৰ উপৰিও মানৱ কল্যাণ তথা জনকল্যাণমুখী হোৱা উচিত। শিক্ষাৰ্থীসকলক গঢ় দিয়াত অভিভাৱক তথা শিক্ষাগুৰুসকলে পথ প্ৰদৰ্শক ৰূপে কৰ্তব্য পালন কৰিব লাগে। তেওঁলোকক উদ্দেশ্য, লক্ষ্য নিৰ্ধাৰণ কৰি সেয়া সফল কৰি তোলাত আৰু সঠিক দিশ নিৰ্ণয় কৰাত সহায়কৰ ভূমিকা গ্ৰহণ কৰিব লাগে। বৰ্তমানৰ শিক্ষাৰ্থীসকল তথা নৱপ্ৰজন্মই হৈছে অনাগত দেশৰ ভৱিষ্যত। আনকথাত তেওঁলোকৰ উদ্দেশ্য আৰু লক্ষ্যসমূহেই দেশৰ ভৱিষ্যত গঢ় দিয়ে বুলিব পাৰি। সেয়ে শিক্ষাৰ্থীসকলৰ উদ্দেশ্য সৎ আৰু সঠিক হ'ব লাগে। সফলতা তেতিয়া অৰ্থপূৰ্ণ হয়, যেতিয়া ই নিজক আৰু আনক উপকাৰ কৰে।

প্ৰেৰণা আৰু সফলতা এগৰাকী শিক্ষাৰ্থীৰ জীৱনৰ দুখন পাখিৰ দৰে। প্ৰেৰণাই শিক্ষাৰ্থীক আকাশৰ ওপৰত উৰিবলৈ শক্তি তথা সাহস প্ৰদান কৰে আৰু সফলতাই তেওঁক সেই ধৰণৰ সাৰ্থকতা উপলব্ধি কৰায়। কঠোৰ পৰিশ্ৰম, ধৈৰ্য, অধ্যৱসায় আৰু প্ৰেৰণাৰে ভৰপূৰ মনোভাৱে শিক্ষাৰ্থীসকলক জীৱনৰ সাফল্য প্ৰাপ্তিৰ পথ প্ৰশস্ত কৰে। সেয়ে ক'ব পাৰি, প্ৰেৰণা আৰু অধ্যৱসায়ৰ সঞ্চালনাই শিক্ষাৰ্থীক সফলতাৰ উচ্চ শিখৰত উপনীত কৰে।

"মহা মহা পুৰুষৰ চানেকীৰে জীৱনৰ
আমিও কৰিব পাৰো জীৱন গঢ়িত
অভিনয় শেষ হ'লে আয়ু-বেলি মাৰ গ'লে
থৈ যাব পাৰো খোজ সময় বালিত।।"

❑❑

# প্ৰাক্-স্বাধীন ভাৰতৰ নাৰী শিক্ষা

● জয়শ্ৰী বৰা
ষষ্ঠ যাণ্মাসিক, শিক্ষাতত্ত্ব বিভাগ

পৃথিৱীত বসবাস কৰা প্ৰতিজন ব্যক্তিৰ বাবে শিক্ষা হৈছে এটা অতি প্ৰয়োজনীয় উপাদান। শিক্ষা হৈছে এক জীৱনজোৰা প্ৰক্ৰিয়া। শিক্ষাই মনৰ অজ্ঞতা দূৰ কৰি বৌদ্ধিক দিগন্ত মুকলি কৰে, জগতৰ সৰ্বতোপ্ৰকাৰৰ মংগলৰ বাবে নিজকে যোগ্যবান কৰি তোলাৰ একমাত্ৰ মাধ্যম হ'ল শিক্ষা। সু-শিক্ষাই মানুহক পশুত্বৰ পৰা দেৱত্বৰ শাৰীলৈ উন্নীত কৰে। এখন দেশ বা সমাজ আগুৱাই যোৱাত শিক্ষাৰ ভূমিকা যথেষ্ট। শিক্ষাই মনৰ অজ্ঞতা দূৰ কৰি বৌদ্ধিক দিশ মুকলি কৰে। সেয়ে মানুহক শিক্ষা গ্ৰহণৰ প্ৰয়োজনীয়তা আছে। নাৰী শিক্ষা সন্দৰ্ভত পণ্ডিক জৱাহৰলাল নেহৰুৱে কৈছে, "এজন ল'ৰাক শিক্ষা দিয়া মানে এজন পুৰুষক শিক্ষিত কৰি তোলা; কিন্তু এজনী ছোৱালীক শিক্ষা দিয়া মানে এটা পৰিয়ালক শিক্ষিত কৰি তোলা।" সেয়ে পুৰুষৰ সমানে সমানে নাৰী শিক্ষাৰ ওপৰত গুৰুত্ব দিয়া উচিত।

ভাৰতবৰ্ষত মহিলা শিক্ষাৰ বিকাশ অতি প্ৰাচীন কালৰে পৰা আৰম্ভ হৈছিল। ভাৰতৰ নাৰী শিক্ষাৰ ইতিহাসলৈ মন কৰিলে দেখা যায় নাৰী শিক্ষাৰ বিকাশৰ ধাৰা মূলতঃ বহলভাৱে চাৰিটা ভাগত ভাগ কৰিব পাৰি— বৈদিক শিক্ষা ব্যৱস্থা, বৌদ্ধ শিক্ষা ব্যৱস্থা, মধ্যযুগৰ শিক্ষা ব্যৱস্থা আৰু বৃটিছ যুগৰ শিক্ষা ব্যৱস্থা। বৈদিক যুগত পুৰুষৰ সমানেই মহিলাসকলক সম্পূৰ্ণ মৰ্যাদা প্ৰদান কৰিছিল। ছোৱালীৰ বাবেও উপনয়ন অনুষ্ঠান সমাপন কৰা হৈছিল আৰু ইয়াৰ পাছত শিক্ষাৰ সুবিধা প্ৰদান কৰিছিল। পুৰুষৰ নিচিনাকৈ মহিলাসকলেও বেদ আৰু অন্যান্য ধৰ্মীয় আৰু দাৰ্শনিক গ্ৰন্থ অধ্যয়ন কৰাৰ সুযোগ লাভ কৰিছিল। গুৰুকুলৰ শিক্ষা ব্যৱস্থাত গুৰুসকলে ল'ৰা-ছোৱালীক একে আচৰণ কৰিছিল আৰু কোনোধৰণৰ বৈষম্য নাৰাখিছিল। এই শিক্ষিতা মহিলাসকলক ব্ৰহ্মবাদিনী বা ঋষিকা বোলা হৈছিল। বৈদিক যুগত বাল্য বিবাহ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছিল। পুৰুষ শিষ্যৰ নিচিনাকৈ মহিলা শিষ্যয়ো ব্ৰহ্মচায্য ব্ৰত পালন কৰিছিল। সেই সময়ত কিছুমান মহিলাই শিক্ষয়িত্ৰী হিচাপেও কৰ্ম কৰিছিল। মহিলাসকলক বিশেষকৈ নৃত্য, সংগীত, সুকুমাৰ ক'লা আদিত প্ৰশিক্ষণ দিয়া হৈছে। সেই সময়ত শিক্ষিতা নাৰীক সমাজত উচ্চ আসন দিয়া হৈছিল আৰু তেওঁলোকক 'দেৱী' স্বৰূপে গণ্য কৰা হৈছে।

বৈদিক শিক্ষা ব্যৱস্থাৰ শেষৰ ফালে বুদ্ধবাদৰ প্ৰসাৰ আহিল আৰু শিক্ষা ব্যৱস্থাতো ইয়াৰ প্ৰভাৱ পৰিলক্ষিত হ'ল। বৌদ্ধ শিক্ষা ব্যৱস্থাত প্ৰথম অৱস্থাত মহিলাসকলক বৌদ্ধ বিহাৰত প্ৰৱেশৰ অনুমতি দিয়া হোৱা নাছিল যদিও ভিক্ষুণীসকলৰ অনুৰোধ মৰ্মে পৰৱৰ্তী সময়ত মহিলাসকলকো বৌদ্ধ বিহাৰত প্ৰৱজ্য গ্ৰহণৰ জৰিয়তে প্ৰৱেশৰ অনুমতি দিয়ে। অৱশ্যে মহিলাসকলকো কিছুমান চৰ্ত সাপেক্ষেহে প্ৰৱজ্যা গ্ৰহণৰ অনুমতি দিয়ে। মহিলাসকলে বৌদ্ধ সংঘৰ স্থায়ী সদস্য হ'বৰ বাবে দুবছৰৰ শিক্ষানবীশ হিচাপে কটাব লাগিছিল। একোগৰাকী সন্ন্যাসীয়ে অন্য ভিক্ষুসকলৰ উপস্থিতিত মহিলা ভিক্ষুণীসকলক আধ্যাত্মিক শিক্ষা তথা তেওঁলোকৰ সংস্কৃতি আৰু সামাজিক উন্নয়নৰ প্ৰতি বিশেষ মনোযোগ দিয়া হৈছিল। বৌদ্ধ শিক্ষা ব্যৱস্থাত অতি ধৰ্মপৰায়ণ নাৰীসকল, যিসকলে সাংসাৰিক যন্ত্ৰণাৰ পৰা নিবৃত্তি পাব বিচাৰে তেওঁলোককহে বৌদ্ধ ধৰ্ম আৰু বৌদ্ধ সংঘত শৰণ দিয়া হৈছিল। সেই মহিলাসকলৰ মাজৰ পৰাই কবি, সাহিত্যিক, শিক্ষক, দাৰ্শনিক আৰু ৰাজনীতিবিদৰ সৃষ্টি হৈছিল। ৰজা অশোকৰ ভগ্নী সংঘমিত্ৰাই

বৌদ্ধ ধৰ্ম প্ৰচাৰৰ বাবে লংকালৈ গৈছিল। শীলভট্টাৰিকা, প্ৰভুদেৱী আৰু ভিয়ংকা আছিল সাহিত্যিক। শোভা, অনুপমা, সুমিধা, আদি ভিক্ষুণীয়ে সমগ্ৰ জীৱন অধ্যয়ন কৰি কটাইছিল। বিম্বিসাৰৰ ধৰ্মগুৰুৰ কন্যা সোমাই ইচ্ছাকৃতভাৱে সংঘৰ ভিক্ষুণী জীৱন বাছি লৈছিল। মুঠৰ ওপৰত বহু উচ্চ বংশৰ মহিলাই নিজৰ যোগ্যতা প্ৰয়োজন আৰু ইচ্ছা অনুসৰি সংঘত ভিক্ষুণী জীৱন কটাই শিক্ষা গ্ৰহণ কৰিছিল।

মধ্যযুগত ভাৰতবৰ্ষত নাৰী শিক্ষাই মূলতঃ মুছলমান যুগৰ নাৰী শিক্ষাক সাঙুৰি লৈছে। মুছলমানসকলৰ ৰাজত্বকালত স্ত্ৰী শিক্ষাৰ সুবিধা লাভ কৰা নাছিল। সেই সময়ত মহিলাসকলৰ বাবে পৰ্দা প্ৰথা আছিল। বোৰ্খা পৰিধান কৰিব লগা হেতুকে সামাজিকভাৱেও মহিলাসকলৰ বাধাগ্ৰস্ত হৈছিল। পুৰুষসকলেও মহিলাসকল শিক্ষিত হোৱাটো বিচৰা নাছিল। ইয়াৰোপৰি সেই সময়ত হিন্দু সমাজত প্ৰচলিত বাল্য বিবাহ প্ৰথাইও নাৰী-শিক্ষাৰ ক্ষেত্ৰত অন্তৰায় সৃষ্টি কৰিছিল। মুছলমান যুগত নাৰী শিক্ষা কেৱল সম্ভ্ৰান্ত আৰু ৰাজকীয় পৰিয়ালৰ ছোৱালীৰ বাবেহে ব্যৱস্থা কৰা হৈছিল। সৰ্বসাধাৰণ আৰু পিছপৰা অঞ্চলৰ মহিলাসকলে শিক্ষাৰ সুবিধাৰ পৰা বঞ্চিত হৈছিল। ৰাজকীয় পৰিয়ালৰ ছোৱালীৰ বাবে আছুতীয়া গৃহ শিক্ষক নিযুক্তিৰ ব্যৱস্থা আছিল। মহিলাসকলক ঘাইকৈ ধৰ্মীয় গ্ৰন্থ আৰু গাৰ্হস্থ্য বিজ্ঞান অধ্যয়ন কৰিবলৈ দিছিল। কিন্তু কিছুমান ৰাজকুমাৰীয়ে সাহিত্য আৰু সংগীত অধ্যয়ন কৰি দক্ষতা অৰ্জন কৰিছিল। ৰজা বাবৰৰ জীয়েক গুলবদনে হুমায়ুনামা গ্ৰন্থ ৰচনা কৰিছিল। চুলতানা ৰেজিয়াই যুদ্ধৰ কৌশল, অস্ত্ৰ চালনা আৰু ৰাজ্য প্ৰশাসনত দক্ষতা লাভ কৰিছিল। সেইদৰে চুলতানা চেলিমা, নুৰজাহান আদি শিক্ষিতা মহিলাই কলা-সাহিত্য চৰ্চা কৰিছিল।

মধ্যযুগৰ শেষত আৰু বৃটিছ যুগৰ প্ৰথম সময়ছোৱাত নাৰী শিক্ষাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হোৱা নাছিল। বৃটিছসকলে প্ৰশাসনীয় কামকাজৰ বাবে মহিলা কেৰাণী বা বিষয়া বিচৰা নাছিল। কিন্তু খৃষ্টান মিছনেৰীসকলে মহিলাৰ শিক্ষাৰ বিকাশৰ বাবে কাম কৰিছিল। ১৮৪৯ চনত বৃটিছ চৰকাৰৰ চুপ্ৰিম কাউন্সিলৰ আইন সদস্য মি.ই.ডি. বেথুনৰ প্ৰচেষ্টাত বেথুন স্কুল স্থাপন হোৱাৰ পাছৰে পৰাই নাৰী শিক্ষাৰ বিকাশ আৰম্ভ হয়। ইয়াৰ পাছত ১৯৫৪ চনৰ উডৰ প্ৰেৰণ পত্ৰৰ যোগেদি কোম্পানীয়ে নাৰী শিক্ষা আৰু নিয়োগৰ দিশত দৃষ্টি নিক্ষেপ কৰে। নাৰী শিক্ষাৰ ক্ষেত্ৰত চৰকাৰে পোনপটীয়া দায়িত্ব ল'ব লাগে বুলি কোৱা হৈছিল। ইয়াৰ পৰামৰ্শ অনুসৰি কিছুমান ৰাজ্যত নাৰীৰ বাবে পৃথক বিদ্যালয় খোলা হৈছিল। ইয়াৰ উপৰিও কিছুমান মহিলাক শিক্ষয়িত্ৰী হিচাপে নিযুক্তি কৰিবৰ বাবে প্ৰশিক্ষণ প্ৰদান কৰা হৈছিল। ঠিক সেইদৰে ১৮৮২ চনত গঠিত হান্টাৰ আয়োগেও নাৰী শিক্ষাৰ প্ৰতি মনোযোগ প্ৰদান কৰে। হান্টাৰ আয়োগৰ পৰামৰ্শৰ আধাৰতে স্ত্ৰী শিক্ষাৰ অৰ্থে চৰকাৰী সাহায্য প্ৰদান কৰাৰ ব্যৱস্থা কৰা হৈছিল আৰু স্থানীয় কৰ্তৃপক্ষসমূহে শিক্ষাৰ শিতানত অধিক মঞ্জুৰী কৰি স্ত্ৰী শিক্ষাৰ উন্নয়নৰ পথ সুগম কৰে। কুৰি শতিকাৰ প্ৰাৰম্ভিক কালত লৰ্ড কাৰ্জনে আমাৰ দেশত শিক্ষা পুনৰ গঠন আন্দোলনৰ সূচনা কৰে। তেওঁ নাৰী শিক্ষাৰ বিকাশৰ প্ৰতি গুৰুত্ব প্ৰদান কৰিছিল। ১৯০৪ চনত এনি বেচান্তে বেনাৰসত কেন্দ্ৰীয় হিন্দু বালিকা বিদ্যালয় স্থাপন কৰিছিল। ৰাজা ৰামমোহন ৰায় আৰু ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰে বাল্যবিবাহ আৰু পৰ্দা প্ৰথাৰ বিৰোধিতা কৰি জনমত গঢ়ি তোলে আৰু স্ত্ৰী শিক্ষা বিকাশৰ প্ৰতি জনসাধাৰণক সচেতন কৰি তোলে। মহিলাসকলৰ শিক্ষা বিকাশৰ বাবে ১৯১৭ চনত এনি বেচান্তৰ নেতৃত্বত ভাৰতীয় মহিলা সংস্থা গঠন কৰা হয়। ১৯১৭-১৯ চনৰ কলিকতা বিশ্ববিদ্যালয় আয়োগৰ প্ৰতিবেদনত নাৰী শিক্ষাৰ বিকাশৰ বাবে পৰামৰ্শ আগবঢ়ায়। ১৯২৫ চনত সৰ্বভাৰতীয় নাৰী পৰিষদ গঠন কৰা হয়। মহাত্মা গান্ধীয়েও নাৰী শিক্ষাৰ বিকাশৰ বাবে প্ৰচেষ্টা আগবঢ়াইছিল। তেওঁ স্বাধীনতা আন্দোলনত অংশ গ্ৰহণৰ বাবে মহিলাসকলক আহ্বান জনাইছিল।

শেষত ক'ব পাৰি যে এটা পৰিয়াল, সমাজ আৰু সামগ্ৰিকভাৱে জাতিটোৰ উন্নতি বহুলাংঘে নিৰ্ভৰ কৰে পুৰুষ-মহিলা উভয়ৰে বিকাশৰ ওপৰত। গতিকে শৈক্ষিক বিষয়কে ধৰি বিভিন্ন কাম-কাজত মহিলাৰ অংশগ্ৰহণ গ্ৰামাঞ্চল আৰু চহৰাঞ্চল উভয়তে অতি প্ৰয়োজনীয় বুলি বিবেচিত হৈছে। নাৰী শিক্ষাৰ মূল্য অতি উল্লেখযোগ্য। মানৱ সম্পদৰ বিকাশত, ঘৰুৱা কাম-কাজ উন্নত কৰাত আৰু শিশু চৰিত্ৰ গঢ়ি তোলাত মহিলাসকলে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সেয়ে, অতীজৰে পৰা অৰ্থাৎ প্ৰাক্ স্বাধীন ভাৰতৰ শিক্ষা ব্যৱস্থা লক্ষ্য কৰিলে বিভিন্ন ধৰণৰ উত্থান-পতন দেখিবলৈ পোৱা যায়। বিশেষকৈ বৈদিক যুগৰ তুলনাত মধ্যযুগ আৰু বৌদ্ধযুগত নাৰীসকল শিক্ষাৰ ক্ষেত্ৰত অৱহেলিত হৈছিল। ❑❑

# The Role and Significances of Field Study Trips in Students' lives:

সত্য ঃ ৰ'ব মামা। (Phone লগায়- 9678243...) Hello দাদা। আপুনি আহিব পাৰিব নেকি। .....অ' বিপদ বুলিয়ে ক'ব পাৰি। ঠিক আছে আহক। হ'ব। .....দাদাজন আহি আছে।

মৃদুল ঃ কথাবোৰ কিবা সাঁথৰ সাঁথৰ লাগিছে।

নিতু ঃ সকলো বুজি পাব মামা।

সত্য ঃ এই অঞ্চলত এটা ল'ৰাৰ উৎপাতত বেছি ভাগ ল'ৰাই থাকিব নোৱাৰা হৈছে। বিশেষকৈ মেধাৱী ছাত্ৰ আৰু ধনী ঘৰৰ ছাত্ৰবোৰক সি টাৰ্গেট কৰি লয়।

মৃদুল ঃ তাৰ মানে Three Star মালিকৰ ল'ৰা?

নিতু/সত্য ঃ আপুনিও জানে?

মৃদুল ঃ মই কিয়, পৃথিৱীয়ে জানে। (গাড়ীৰ শব্দ)

সত্য ঃ অ' দাদা জন পালেহি। আহক দাদা।

প্ৰকাশ ঃ (আহে) হঠাৎ মাতিলা যে।

সত্য ঃ হয়। মাতিবলৈ বাধ্য হ'লোঁ।

প্ৰকাশ ঃ এখেত?

নিতু ঃ ৰাজুৰ মামা।

প্ৰকাশ ঃ নমস্কাৰ।

মৃদুল ঃ নমস্কাৰ।

প্ৰকাশ ঃ বাৰু কোৱাচোন।

সত্য ঃ চাওকচোন ৰাজুক কি অৱস্থা কৰিলে। তাক সেই ধুৰন্দৰটোৱে মাটি নি মদ খোৱাই মাৰি পিটি পঠাইছে।

ৰাজু ঃ মোৰ গাত একো দুখ নাই। মই সিহঁতৰ কথা নুশুনা বাবেই মোক জুৰ কৰি গাত মদ বাকি দিছে। খাবলৈ দিছে। নোখোৱা কাৰণে পিঠিত ঘোচা মাৰিছে।

প্ৰকাশ ঃ ইয়াত নিশ্চয় কিবা কাৰণ থাকিব পাৰে।

ৰাজু ঃ সিহঁতে ড্ৰাগচ্ ব্যৱসায় কৰে দাদা। সিহঁতে মোক বন্ধা কবিৰ ভিতৰত কণ্টেইনাৰ সোমোৱাই এখন দোকানত দিবলৈ কৈছিল মই অমান্তি হোৱাত মোক মাৰিছিল।

মৃদুল ঃ তাৰ গাতো এতিয়াও গোন্ধাই আছে।

প্ৰকাশ ঃ Oh I see! বাৰু দেখা যাওঁক।

নিতু ঃ ইয়াক পুলিচত দিবই লাগিব দাদা। নহ'লে Collegeৰ বহুত ল'ৰাৰ সি সপোন ভাঙিব।

সত্য ঃ ব'লক আমি থানালৈ যাওঁ।

ৰাজু ঃ সিহঁত হাত দীঘল মানুহ দাদা। দেউতাকৰ টকা আছে। Police-ক মেনেজ কৰিব পাৰে।

মৃদুল ঃ আমি যদি একে মুখে কওঁ তেতিয়াতো পুলিচে অন্ততঃ মানি ল'ব।

প্ৰকাশ ঃ তাক কিবা প্ৰকাৰে মাতিব পৰা যাব নেকি।

নিতু ঃ মাতিব নালাগে। যি নিজে আহি যাব। আমাৰ ওপৰত বোলে প্ৰতিশোধ ল'ব।

সত্য ঃ কাৰণ অলপ আগতে সি আমাৰ লগত তৰ্ক কৰি গৈছে।

ৰাজু ঃ মোক সি এদিন হ'লেও চাই লোৱা কথা কৈছে।

মৃদুল ঃ এনেকে এৰি দিব পাৰি জানো তাক? (বুলেটৰ শব্দ)

প্ৰকাশ ঃ আহিছে যেন পাইছো। এটা কাম কৰো। মই ইয়াতে লুকাই থাকো। তোমালোক কোনেও নক'বা। পাছত দেখা যাব।

নিতু ঃ হ'ব দাদা।

সত্য ঃ প্ৰয়োজন হ'লে গবা মাৰি ধৰি মৰ ঠেকেছ দুটামান দিম।

প্ৰকাশ ঃ একো কৰিব নালাগে। মই কৰিম মাত্ৰ তোমালোকে পৰিস্থিতি চম্ভালিবা। OK

নিতু/ৰাজু/সত্য ঃ OK দাদা (প্ৰকাশ লুকাই থাকে)।

মৃদুল ঃ চাবি কিন্তু, সি অন্যবস্তু লৈ আহিব পাৰে। গতিকে সাৱধান হৈ থকাটো ভাল। (অপূৰ্ব আহে)

অপূৰ্ব ঃ ঐ কোনটোৱে বৰবৰ মাত দিছিলি?

সত্য ঃ মই দিছিলোঁ কিয়?

অপূৰ্ব ঃ তই দিছিলি। তই কাৰ লগত খেলা কৰিছো বুলি ভাবিছ। মই Three Star Hotel-ৰ মালিকৰ পুত্ৰ হয়। মোৰ পদূলি পাৰ হওঁতে ডাঙৰকৈ উশাহ ল'বলৈ ভয় কৰে, তই মোক ডাঙৰ মাত দিয়।

সত্য ঃ মাত দিয়াই নহয়...
প্ৰয়োজনত...

অপূৰ্ব ঃ কি কৰিবি?

নিতু ঃ থাপৰ দিম, থাপৰ।

ৰাজু ঃ পুলিচক বন্ধাম।

মৃদুল ঃ ৰুটি বেলাদি মোহাৰি সামৰি চেপেটা কৰি পেলাম। চাল্লা বাপেৰৰ টকাৰ অহংকাৰ দেখুৱাই এচাম ল'ৰাক নষ্ট কৰিছে।

অপূৰ্ব ঃ ঐ..... মাত নামাতিবি। এইটো মোৰ Business.

সত্য ঃ তোৰ এই ক'লাবজাৰ ধ্বংস কৰি দিম।

অপূৰ্ব ঃ (সত্যক ডিঙিত ধৰে ডেগাৰ উলিয়াই) তোক মই ডিঙি কাটি চিৰদিনৰ কাৰণে মাত বন্ধ কৰি দিম। ২৬ নম্বৰ ৰোমত ভেঁটিত তিতা লাও গজাম।

মৃদুল ঃ ঐ হাত এৰ।

অপূৰ্ব ঃ এটাও ওচৰলে নাহিবি কাৰ পেটত সোমাই ঠিকনা নাই। (ডিঙিত ধৰি এপাক কথা কৈ কৈ ঘূৰাব, তোক মই বুলি মাৰিবলৈ লওঁতে প্ৰকাশ ওলাই আহি পাছ ফালৰ পৰা Pistol লগাব।)

প্ৰকাশ ঃ Hands up (হাত এৰে)

অপূৰ্ব ঃ কোন তই।

প্ৰকাশ ঃ মই CID প্ৰকাশ বৰুৱা। (Card দেখুৱাই)

ৰাজু/নিতু/সত্য ঃ দাদা!

প্ৰকাশ ঃ Yes, you are under arrest.

সকলো ঃ দাদা!

প্ৰকাশ ঃ ব'ল থানালৈ ব'ল। তোৰ সকলো Phone call interception কৰা আছে। তই সাৰি নাযাৱ, ব'ল।

সকলো ঃ দাদা!

❑❑

# ছোটগল্প

# সংক্ৰান্তি

● ড° ৰীতা দত্ত
মুৰব্বী আৰু সহযোগী অধ্যাপিকা
অসমীয়া বিভাগ

সদায় সন্ধ্যা ধূপ-ধূনাৰ সুবাসেৰে গন্ধময় হৈ থকা নিজৰ কোঠালিত প্ৰৱেশ কৰা হেমধৰে আজি বাৰাণ্ডাত জুপুকা মাৰি বহি আছে। সন্ধিয়াৰ চিকিমিকি আন্ধাৰত তেওঁ যেন হেৰাই গৈছে। বাৰাণ্ডাৰ লাইটটো নজ্বলাকৈয়ে ওলমি আছে— যেন তাৰ কেৱল ওলমি থকা অধিকাৰকণহে বাকী ৰৈছেগৈ— জ্বলাৰ অধিকাৰ শেষ হৈ গৈছে। অৱসৰ লোৱাৰ পিছৰ পৰাই হেমধৰে এনেদৰে সংগোপনে-অকলশৰে যেন সৰহভাগ সময়েই পাৰ কৰি দিয়ে। তেওঁ যেন ওৰে ৰাতি জ্বলি থকা আৰু পুৰা ক'লা পৰা এটি লেম্পৰ চিম্‌নিহে!

আজি চ'ত মাহৰ শেষ দিন— মহা বিষুৱ সংক্ৰান্তি। অসমীয়া মানুহৰ বাবে 'গৰুবিহু'। কাইলৈ 'মানুহ বিহু'। হেমধৰে আন্ধাৰত অকলে আৰামী চকীখনত বহি বহি এইবোৰকে ভাবি আছিল। মনটো মৃতা পত্নী সুমিত্ৰাৰ কাষলৈ ল'ৰৰি গৈছিল। গোহালি শুৱাই থকা সেই ৰঙা-পখৰাহঁতলৈ মনত পৰিছিল। ল'ৰা দুটিক লগত লৈ তেওঁ তেতিয়া হাতে হাতে 'চাত' লৈ দীঘলতিৰ ঠাৰিৰে কোবাই সিহঁতক কাষৰ নৈৰ কাষলৈ লৈ গৈছিল। সুমিত্ৰাই সাজি 'চাত'বোৰত দিয়া লাউ, কেৰেলা, বৰথেকেৰা, হালধি, বেঙেনা, তিয়ঁহ আদি ভৰাবলৈ ধন আৰু ৰণৰ কিযে হেতাওপৰা লাগিছিল। জাকৰুৱা গৰুবোৰলৈ পানী ছটিয়াই, চাতৰ পৰা ইটো-সিটো দলিয়াই 'লাও খা-বেঙেনা খা, মাৰ সৰু বাপেৰ সৰু তই হ' বৰ বৰ গৰু' বুলি চিঞৰা কণকণহঁতৰ কোলাহলত বুঢ়া-মেথাসকলৰ মাত হেৰাই গৈছিল। প্ৰতিটো গৰু বিহুতেই সুমিত্ৰাই ঘৰমুখী গৰুকেইটাৰ বাবে নতুন পঘা, পিঠাগুড়ি-জাতিলাউৰ লাউপিঠা, ভোগ আদি সাজু কৰি ৰাখিছিল। গোহালিত সোমাওঁতে মাখিয়তীৰ ঠালেৰে গৰুৰ গাত লঘুভাৱে কোবাই গোৱা- 'মাখিয়তী মাখিচাত, মাখি মাৰোঁ জাত জাত'— কণ্ঠস্বৰ হেমধৰে যেন শুনিবলৈ পালে। ধন-ৰণৰ ন-কইনাৰ সৈতে উঠি অহা গাড়ীৰ মাত যেন তল পৰি গ'ল...। হেডলাইটৰ পোহৰত তেওঁ চকুহাল মুদি দিলে।

দেউতা, বাহিৰত এই আন্ধাৰত কিয় বহি আছে? যাওক, নিজৰ কোঠালৈ যাওক মাতটো যেন তাৰ অলপ টানকৈ ওলাইছিল। বাহিৰত এনেদৰে বহি থকা দেখিলে যেন চুবুৰীয়া মানুহে সিহঁতক হাঁহিব!

এই আৰামী চকীখন তেওঁ গুৱাহাটীৰ পৰা আনিছিল। তেতিয়া সুমিত্ৰা আছিল এইখন ঘৰৰ কইনা। এটা মূঢ়াৰ ওপৰত বেতেৰে বোৱা ঘূৰণীয়া আকৃতিৰ এই চকীখনতে বহি সুমিত্ৰাই তোলা ক'লা-বগা ফটোখন তেওঁ এতিয়াও ফ্ৰেমত বন্ধাই থৈছে।

আজিৰ দিনটোতেই এদিন তেওঁৰ হাতত হাত ধৰি এইখন ঘৰত সোমাইছিলহি সুমিত্ৰা। সুমিত্ৰাৰ ককায়েক ৰজনীৰ লগত হেমধৰে একেলগে শিক্ষকতা কৰিছিল। গাঁৱৰ হুঁচৰিযোৰাত জাকত জিলিকা হৈ পৰা সুমিত্ৰাৰ দুনয়ন ঢুলীয়া হেমধৰৰ চকুত আবদ্ধ হোৱাৰ পিছৰ বছৰৰ প্ৰথম বিহুৰ দিনাই হেমধৰে সুমিত্ৰাক পলুৱাই আনিছিল। বৰলা হেমধৰ কোঠালৈ

ঠিক তেতিয়াই এখন বিছনা, দুখন চকী, এখন মেজ, এডাল আল্‌না আৰু এযোৰ কাঁহীবাটিৰ প্ৰয়োজন আহি পৰিছিল। সেয়ে গুৱাহাটীৰ পৰা এই বেতৰ চকী দুখন হেমধৰে লৈ আনিছিল।

সুমিত্ৰাই প্ৰায়েই কৈছিল— 'এই চকী দুখন মোৰ বৰ মৰমৰ। তুমি, মই নাথাকিলেও যেন এই চকী দুখন তোমাৰ কোঠাত ৰাখা।' কথাষাৰ হেমধৰে ৰাখিব নোৱাৰিলে। ধন-ৰণ তথা বোৱাৰী দুজনীৰ পৰিচালনাত এই চকী দুখন এতিয়া বাহিৰৰ বাৰাণ্ডাত বনকৰা মানুহ বহা হ'ল। হেমধৰক তেনেদৰে বহি থকা দেখি সেয়ে ধনে লজ্জা বোধ কৰিলে।

হেমধৰে কালি পুৱাৰ পৰাই কি যে আনন্দত পাৰ কৰিছিল দিনটো। বাকচৰ পৰা ফুলাম গামোচাখন আৰু ন বোৱাৰীহঁতে ন-কইনাতে দিয়া দুয়োখন ধুতীয়েই তেওঁ উলিয়াই থৈছিল। বনকৰা ল'ৰা নৰেনৰ হতুৱাই ধোবাৰ ঘৰত ইস্ত্ৰি কৰোৱাইছিল। সুমিত্ৰাই পুৱাতেই গা ধুই তেওঁক সদায় 'নতুন গামোচাৰে সেৱা কৰিছিল। যোৱা বছৰ বিহুৰ দিনত শাৰীৰিক অসুস্থতাৰ বাবে দুয়োটা ল'ৰালৈ একেলগে দুজনী বোৱাৰী আনি ইহলীলা সামৰিলে। সুমিত্ৰাহীন এইটোৱেই হেমধৰৰ প্ৰথম বিহু আছিল বাবে মনত এক কিযে শূন্যতাই আগুৰি ধৰিছিল হেমধৰে প্ৰকাশ কৰিব নোৱাৰিছিল যদিও সুমিত্ৰাৰ সেই কথাষাৰ তেওঁৰ কাণত অহৰহ বাজি উঠিছিল—

—'উঠা, উঠা'— বুলি হেমধৰে সেৱা কৰি থকা সুমিত্ৰাৰ বাউসীত ধৰি জোকাৰি পুনৰ কৈ উঠিছিল— 'তোমাৰ এই শ্ৰদ্ধা-স্নেহ সহযোগিতাই সংসাৰখন বৰ সুন্দৰ কৰি তুলিলে সুমিত্ৰা, কিন্তু মোৰ পৰা তুমি কি পালা কি নেপালা মই একো নুবুজিলোঁ'— সুমিত্ৰাই হাঁহি মাৰি কৈছিল— 'কিয়'? ধন আৰু ৰণ? এখন পৰিপূৰ্ণ ঘৰ, দুজনী বোৱাৰী, কণ কণ নাতিবোৰ আহিলে— বাহ্ কি সুন্দৰ হৈ পৰিব এই ঘৰখন— তুমিয়েই কোৱাচোন মানুহক সুখী হৈ জীয়াই থাকিবলৈ আৰু কি লাগে?'

—'লাগে লাগে সুমিত্ৰা, মৰম-স্নেহ, সহায়-সহযোগ, বুজা-পৰা— এই সকলোবোৰেহে এখন ঘৰ পৰিপূৰ্ণ কৰিব পাৰে'— হেমধৰৰ মাতত যেন কিবা এটা নোপোৱাৰ ক্ষোভহে যেন প্ৰকাশ পাই উঠিল।

—'লাহে লাহে সকলো ঠিক হৈ যাব। এতিয়া ধন-জ্যোৎস্না, ৰণ-তৃষ্ণাহঁত সংসাৰ জ্ঞানত অপৰিপক্ক। এদিন চাবা সকলো ঠিক হৈ যাব। তোমাক বিহুৰ দিনা পুৱাতেই শৰাই ভৰাই সেৱা কৰিবহি, জা-জলপান বিধে বিধে কৰি খুৱাব, এহাত দীঘল ওৰণিৰে আলহী-অতিথিক আপ্যায়ন কৰিব— চাবা, সকলো ফালে জয়জয়-ময়ময় হ'ব।

'দেউতা, শুলে দেখোন। গা-চা বেয়া লগা নাইতো। ৰণৰ মাতত হেমধৰে হা-না একো নকৈ পুনৰ বিছনাত বাগৰ সলালে। মাত্ৰ নৰেনে 'দেউতা অমুক দেউতা তমুক' কৰি ওচৰে-পাঁজৰে মাজে মাজে বিচৰণ কৰি ফুৰিল।

এতিয়াও বিছনাতেই পৰি থাকিল ধুতী দুখন গামোচা-বনিয়নকেইটা। আজি পুৱা তেওঁ আনদিনাতকৈ সোনকালে বিছনা এৰিছিল। নৰেনে কৰা ৰঙা চাহ এবাটি খাই গৰম পানীৰে গাটো তিয়াই সুমিত্ৰাই আগতে ব্যৱহাৰ কৰা নতুনকৈ অনা গোন্ধ তেলৰ বটল খুলি দুই হাতেৰে অলপ সানি চুলি ফণিয়াই ধুতী-গামোচা-বনিয়ন পিন্ধি এবাৰ আইনাখনত নিজকে চাইছিল। কাণ দুখন উনাই আছিল-বোৱাৰীয়েকহঁতৰ মাতবোৰলৈ। সিহঁতো চাগে পুৱাই বাহীবন কৰি গা-ধুই শৰাই যতনাইছে। সুমিত্ৰাই কৈছিল— 'পো-বোৱাৰীৰ মান খোৱাৰ ভাগ্য চাগে মোৰ নহ'ব। গাটো বৰ কেনেবা লাগিছে। এটামান নাতিৰ মুখ দেখিবলৈ পোৱা হ'লে বৰ শান্তিত মৰিব পাৰিলোঁহেঁতেন।'— হেমধৰে নেভাবোঁ বুলিও বাৰে বাৰে সুমিত্ৰাৰ কথাকেই ভাবিলে। অৱশ্যে বোৱাৰী তেওঁ দেখিলে। 'সুমিত্ৰাৰ বৰ মন আছিল ৰূপামণিক ধনৰ বাবে ধৰিবলৈ। পিছে যুগৰ সলনি হ'ল। ল'ৰাই গাঁৱৰ ছোৱালী নানো বুলি স্পষ্ট কৰি দিয়াৰ পিছত নিৰ্বিবাদে আদৰি আনিলে জ্যোৎস্নাক। জ্যোৎস্নাই চাকৰি কৰে। নগৰৰ ছোৱালী। নিজে স্কুটাৰ চলাই অফিচলৈ অহা-যোৱা কৰে। দেখনিয়াৰ। চহকী ঘৰৰ দুহিতা। ডাঙৰ ল'ৰাৰ মনত সুখ দি সুমিত্ৰাই ৰণলৈও দূৰ সম্বন্ধীয়া ৰত্নেশ্বৰৰ বি.এ. পাছ কন্যা তৃপ্তিক পছন্দ কৰি থৈছিল। সি পিছে ঘৰত নজনোৱাকৈয়ে একে অফিচৰে জে.ই. তৃষ্ণাক কথা দিলে। হেমধৰ আৰু সুমিত্ৰাৰ মনত সেইবাবে অকণো দুখ নাই। কাৰণ নিজেও এদিন মনে বিচৰা মানুহজনক পাই কিমান সুখী হৈছিল বুজাব নোৱাৰি।

পিছে গণ্ডগোলখন হ'ল দুয়োজনী বোৱাৰীয়েই ঘৰত থাকিবলৈ মন নকৰাৰ পৰাহে।

হেমধৰৰ কোঠাৰ ফালে কোনোবা অহা যেন লগাত তেওঁ আইনাৰ কাষৰ পৰা আঁতৰি আহিল। নিশ্চয় বৰবোৱাৰীয়েই আহিছে। সদায় মেক্সি, চুৰিদাৰ পিন্ধি থকা বোৱাৰীয়েকক তেওঁ আজি চাদৰ-মেখেলা পিন্ধা খোপাত ওৰণি লোৱা অৱস্থাত দেখা পাব। ঢৰা এখন পাৰি দি ক'বহি 'দেউতা, ইয়াতে বহকচোন।' তেওঁ 'নেলাগে, নেলাগে— এইবোৰ কিয় কৰিব লাগে' বুলি মৃদু প্ৰতিবাদ কৰি উঠিব। ধনেও 'দেউতা আহক, বহক' বুলি কোৱাৰ লগে লগে তেওঁ বহি পৰিব আৰু আশীৰ্বাদ দিব। তাৰ পিছত তেওঁ উঠিব খোজোঁতেই আকৌ ৰণ-তৃষ্ণাই জোৰ দি উঠিব 'নুঠিব, দেউতা, বহক, আমি আহিছোঁ। 'ৰণক ধুতী-গামোচাৰে বৰ সুন্দৰ দেখে হেমধৰে। আজি তেওঁ দুয়োটা ল'ৰাৰ পৰা সেৱা ল'ব। হেমধৰৰ চকুহাল সেমেকি উঠিল যেন সিহঁতে বৰৰ সাজেৰে এইমাত্ৰ কইনা আনিবলৈ ওলাইহে যাব! 'আজি এই দৃশ্য সুমিত্ৰাই দেখা হ'লে!'

হেমধৰে পৰ্দাৰ ফালে চালে। কোনো অহা নাই। খিৰিকীৰে বাহিৰলৈ চালে— ধন আৰু ৰণ দুয়োটাই গাড়ী দুখন গেৰেজৰ পৰা উলিয়াই আনিছে। 'এৰা, বিহুৰ দিনা গাড়ী দুখনেও পানী অকণৰ মুখ দেখিব লাগেতো!' হেমধৰে নিজকে নিজে ক'লে। খটপ্ খটপ্ জোতাৰ শব্দ তেওঁৰ কাণত পৰি থাকিল। 'কিনো দৰকাৰ এইবোৰ কৰাৰ, পিঠা-পনা খুন্দিবলৈ পুৰিবলৈ আছেই। আলহী-অতিথিও পাবহিয়েই লাগে; হাতৰ ঘড়ীটোলৈ চাই তেওঁ উচুপিচাই উঠিল— 'চেহ ন বাজিবৰেই হ'লহিচোন'— তেওঁ আকৌ এবাৰ পৰ্দাখন আঁতৰাই বাহিৰৰ ফালে ওলাই আহিল।

দুৱাৰ বন্ধ কৰাৰ শব্দ শুনি তেওঁ এবাৰ বোৱাৰীয়েকহঁতৰ কোঠাৰ ফালেও চাই পঠিয়ালে। নৰেনহে ওলাই আহিল পাকঘৰৰ পৰা— 'দেউতা, লুচি আনিছিলোঁ' কওঁ-নকওকৈ কৈ সি বৈ গ'ল। —হঁ? লুচি? —অ' মই বোলো জলপান-তলপান হ'বলা। নেখাও নৰেন, আজি মোৰ একো খাবলৈ মন যোৱা নাই। এ— বোৱাৰীহঁতনো ক'লৈ গ'ল অ'— কিবা চিৰা-পিঠা, জলপান-চলপান নাই জানো?— হেমধৰৰ মাতষাৰ অলপ টানকৈয়ে ওলাইছিল যদিও শেষৰ ফালে থোকাথুকি হ'ল। নৰেন ঠাইতে থৰ লাগিল।

নৰেন উলটি গ'ল। বছৰ বছৰ ধৰি এইখন ঘৰত বন কৰি থকা নৰেনৰ বুজিবলৈ আৰু একো বাকী নাথাকিল। সি চুৰিয়াৰ আগেৰে চকুহাল মচি লৈ খট্‌খট্‌কৈ পাকঘৰলৈ সোমাই গ'ল।

'নৰেন, দেউতাক কৈ দেচোন— আমি এফালে যাবলৈ ওলাইছোঁ। তই কি খায় সময় মতে দি থাকিবি। আমি মাহঁতৰ ঘৰ পামগৈ।'— সৰু বোৱাৰীয়েকৰ কথাবোৰ হেমধৰৰ কাণত বজ্ৰপাতৰ দৰে পৰিল। তেওঁ বুকুৰ কোনোবাখিনি জোৰেৰে হেঁচি ধৰিলে। ভিতৰত বাজি থকা ডেক্‌ৰ হিন্দী গানৰ কেছেটবোৰ হেমধৰৰ ভাঙি পেলাবলৈ মন গ'ল, তেওঁ কিবা এডাল লাঠীজাতীয় বস্তু পাওঁ নেকি বুলি ইফালে-সিফালে চাবলৈ ধৰিলে। 'নৰেন', বুলি তেওঁ জোৰেৰে চিঞৰি উঠিল।

—দেউতা ধৈৰ্য ধৰক দেউতা, ধৈৰ্য নেহেৰুৱাব। আজি বিহুৰ দিনা এনেখন কৰিব নেপায়, দেউতা, আপুনি বহক দেউতা, শান্ত হওক দেউতা'— ধন-ৰণৰ গাড়ীৰ শব্দত সেই মাত-কথা তল পৰিল। হেমধৰক আৰামী চকীখনত বহুৱাই নৰেনে হেমধৰৰ ভৰি দুটি সাবটি হুক্‌হুকাই কান্দি উঠিল।

পো-বোৱাৰীহঁত ওলাই যোৱাৰ পিছত হেমধৰে বহুত সময় নিশ্চুপ হৈ একেখন চকীতে বহি থাকিল। অতীত স্মৃতিয়ে তেওঁক কন্দুৱাই থাকিল। সুমিত্ৰালৈ বাৰে বাৰে মনত পৰিল। সুমিত্ৰা ঢুকুৱাৰ পিছতে 'ৰঙা-পখৰা'হঁতক বেচি দি ধন-ৰণহঁতে পিছফালে থকা গোহালিটোৰ ঠাইতে এটা ডাঙৰ পকীঘৰ সজালে। তাত এতিয়া দুটা 'ভাৰা' পৰিয়াল। আগফালে সুমিত্ৰাই নিজ হাতে ৰোৱা তগৰ-গোলাপ-খৰিকাজাঁই ফুলবোৰ কাটি তাত দুটা গেৰেজ সজালে। হাতীহেন প্ৰকাণ্ড চোফা ড্ৰয়িং ৰুমত ভৰাই বেতৰ চকীবোৰ বাহিৰলৈ উলিয়াই দিলে। ড্ৰয়িংৰুমৰ ফুলদানিৰ পৰা পাতাবাহাৰবোৰ পেলাই দি তাত প্লাষ্টিকৰ ফুল গুঁজিলে। ঢেঁকীটো মানুহ লগাই উঠাই গেৰেজৰ খুঁটা কৰিলে। সুমিত্ৰাৰ গোসাঁইঘৰত ইলেক্‌ট্ৰিক লাইট দি চাকিগছি আঁতৰাই পেলোৱা হ'ল। হেমধৰে চকুহাল মচি ল'লে।

হেমধৰে ভবাৰ দৰে পো-বোৱাৰীহঁতে তেওঁক সেৱা নকৰি আনকি 'যাওঁ' বুলিও নোকোৱাকৈয়ে বিহুৰ দিনা মাকৰ ঘৰলৈ ওলাই গুচি গ'ল। 'ৰঙা-পখৰা'হঁতৰ দৰেই এতিয়া হেমধৰৰ অস্তিত্ব। প্ৰয়োজন শেষ হ'ল যেতিয়া এতিয়া হেমধৰকো সিহঁতৰ দৰকাৰ নাই। সুবিধা পালে তেওঁকো সিহঁতে বেচিব। কিনিবনে নৰেনে তেওঁক, কিনিবনে?

—'নৰেন'— হেমধৰে নৰেনকেই যেন বুকুৰ কাষলৈ চপাই আনিব। তেওঁ চিঞৰি মাতিলে।

—'দেউতা' —নৰেন ল'ৰি আহিল।

—'কি কৰিছ ভিতৰত?'

—'দেউতা, এনেদৰে বহি বহি মনক দুখ দি কি লাভ হ'ব। বলক দেউতা, আমিও পুৰণি গাঁৱলৈকে এপাক গৈ আহোঁ?' তাৰ প্ৰস্তাৱত হেমধৰে তাৰ মুখলৈ চাই ৰ'ল।

কিন্তু আজি বিহুৰ দিনা ঘৰখন উকা কৰি—'

'থাকক, দেউতা, এতিয়া ঘৰখন ৰখি থাকিলে বুকুখন বেছিহে গধুৰ হৈ পৰিব। গাঁৱলৈ গৈ বকুল বৰাধানৰ চিৰা, এঠা দৈ, গুড়েৰে জলপান, তিলপিঠা, তেলপিঠা হেঁপাহ পূৰাই খাবলৈ পাম। সেৱা-সৎকাৰ, মৰম-স্নেহেৰে উভৈনদী হৈ থকা গাঁওখনে আপোনালৈকে বাট চাই আছে দেউতা। দূৰৰ পৰাই তগৰ-গোলাপৰ গোন্ধ পাম, ডালৰ কপৌফুলে আমাক আদৰণি জনাব, কুলি-কেতেকীৰ মাত শুনিবলৈ পাম, জেতুকাৰে দুহাত বোলোৱা, খমখমীয়া মুগাৰ মেখেলা পিন্ধি খোজকে কাঢ়িব নজনা জাক জাক গাভৰুৰ নাচ চাম... ব'লক দেউতা ইয়াত একো নাই দেউতা, একো নাই, মই অ'টৰিক্সাখন মাতি থৈয়ে আহিছোঁ।'

—'এৰা, নৰেন, তই ঠিকেই কৈছ।'

'ইয়াত থাকিলে উশাহ বন্ধ হৈ যাব নৰেন। ব'ল, ব'হাগৰ মিঠা মিঠা ৰাগী লগা শব্দবোৰ আমাৰ বাবে বাস্তৱ হৈ ৰৈ আছে। ব'ল।' হেমধৰ যেন হঠাৎ ঢুলীয়াটোহে হৈ পৰিল।

থৰক-বৰক খোজটো পোনাবলৈ, ভাৰাক্ৰান্ত মনটো পাতলাবলৈ হেমধৰে চেষ্টা কৰিলে।

সন্ধিয়া আহি পুনঃ শূন্যঘৰখনত সোমাই হেমধৰ বহি আছিল বাৰাণ্ডাতে। পুতেক ধনৰ আদেশত নিজৰ কোঠাত সোমাই ওৰে ৰাতি কান্দি থাকিল হেমধৰ। কাষত পকী মজিয়াত ধৰফৰাই থাকিল নৰেন। ধন-জ্যোৎস্না-ৰণ-তৃষ্ণাহঁতৰ হাঁহি ঢাকিবলৈ নৰেনে খুব জোৰেৰে চলাই দিলে ফেনখন। তথাপি, তথাপি জ্বৰ ঘমাদি ঘামি থাকিল নৰেন আৰু হেমধৰ। দুয়ো যেন আজি একেটি গুহাতে বন্দী দুটি আদিম মানুহ।

❑❑

# সুৰ

● **সমীৰণ বৰগোহাঁই**
প্ৰাক্তন ছাত্ৰ, অসমীয়া বিভাগ

কঁপা কঁপা হাতেৰে যাঠিৰোৰ্ধৰ বৃদ্ধজনে পুথিখন মেলি ল'লে; আৰু এটা নিৰ্দিষ্ট পৃষ্ঠাত ৰৈ গ'ল। কাষতে থকা কেৰাচিনৰ চাকিটোৰ ধিমিক ধামাক পোহৰৰ লগত তালত তাল মিলাই, তেওঁৰ কঁপি উঠা মাতটো ক্ৰমশঃ বিলীন হৈ পৰিল চেঁচা বতাহজাকত।

অতীত-বৰ্তমান একো নাভাবি সি মাথো দৌৰিছে আৰু দৌৰিছে। তাৰ ভৰিৰ তলৰ সৰা পাতবোৰৰ অদ্ভুত মাতে দুগুণে বঢ়াই তুলিছে তাৰ ভয়টো। তাৰ এনে লাগিছে; এই সময়খিনিক ফাঁকি দিব পাৰিলেই যেন সি ৰক্ষা পৰে! কাষতে থকা গছ এডালত ভেজা দি, দীঘলকৈ উশাহ দুটামান লৈ সি ইফালে সিফালে চালে। হঠাতে মন কৰিলে, ঘন হাবিখন আগুৰাই আহি, হঠাতে থমকি ৰৈছে জুপুৰি এটাৰ কাষত। তাৰ আগলৈ আৰু কেইটামান জুপুৰি। সন্মুখৰ জুপুৰিটোৰ ভগা বেৰখনেৰে ওলাই অহা সামান্য পোহৰত সি বুজিব পাৰিলে; তাত কোনোবা আছে।

টক্-টক্। অকস্মাৎ দুৱাৰত হোৱা শব্দটোত চিলমিলকৈ অহা টোপনিটো ভাগি গ'ল মানুহগৰাকীৰ। ইমান ৰাতি! কোন? আউল-বাউল হৈ পৰা চুলিকোছা বান্ধি তেওঁ উঠি আহিল।

- কোন? পোনা, তই নেকি?

- নহয়। ম... মইহে!

- কোন মই? কাক লাগে?

- মই ৰাগ। দুৱাৰখন খোলকচোন। বৰ বিপদত পৰিছোঁ।

- বাৰু বাৰু ৰ'ব।

দুৱাৰখন খুলি দিয়াৰ লগে লগে হুৰমূৰকৈ সোমাই আহিল ৰাগ। চকু-মুখত ভয়ৰ চাপ সুস্পষ্ট। কান্ধত ওলমাই ৰখা বিশেষধৰণৰ বেগটো জোৰকৈ সাবটি, সি মজিয়াতে বহি পৰিল। মানুহগৰাকীলৈ চালে। মলিয়ন এযোৰ বগা কাপোৰ, অবিনস্ত্য চুলি। বয়সে চাগে পঞ্চাশ পাৰ কৰিলে। মানুহগৰাকীয়েও আচৰিত হৈ তালৈ চালে। প্ৰায় চৌবিশ-পঁচিশ বছৰীয়া এজন চফল ডেকা। পিন্ধনত এটা জিনছ আৰু টি-চাৰ্ট। ফটা টি-চাৰ্টৰ মাজেৰে নিগৰি থকা তেজৰ কৰালবোৰ দেখিলেই অনুমান কৰিব পাৰি যে নিশ্চয় কিবা বিপদত পৰিছে।

- কি হ'ল তোমাৰ? কোন তুমি? ইমান ৰাতি ইয়াত কি কৰিছা? - তাক প্ৰশ্নবোৰ সুধি-সুধি মানুহগৰাকীয়ে আলেঙে-আলেঙে বাহিৰলৈ চালে। গোটেইখন ঘোপমৰা আন্ধাৰ।

- সকলো ক'ম। কিন্তু আগতে এগিলাচ পানী পাম নেকি? - কাতৰ স্বৰেৰে সি সুধিলে।

- পাবা পাবা। তুমি অলপ ৰ'বা। মই আনোঁগৈ। - কথাষাৰ কৈয়ে ততাতৈয়াকৈ দুৱাৰখন জপাই, বাঁহৰ দাঙডাল লগাই, কোঠাটোৰ লগতে লাগি থকা পাকঘৰটোৰ ফালে আগবাঢ়িল মানুহগৰাকী। ভয় আৰু বিষত কোঙা হৈ মজিয়াতে বহি থাকিল ৰাগ।

- লোৱা। পানীগিলাচ খাই লোৱা। - গিলাচটো ৰাগৰফালে আগবঢ়াই দি মানুহগৰাকীয়ে ক'লে। দুয়োখন হাতেৰে গিলাচটো ধৰি সি মানুহগৰাকীলৈ ধন্যবাদৰ দৃষ্টিৰে চালে।

- মই অলপ পুৱা হ'লেই ইয়াৰ পৰা যামগৈ। এইখিনি সময় ইয়াতে থাকিব পাৰিম নে? - পানীখিনি খাই সেপ ঢুকি সি সুধিলে।

- তুমি মোৰ ল'ৰাৰ দৰে। বিপদত পৰি আহিছা। কিয়নো নোৱাৰিবা। কিন্তু কি হৈছে কোৱাছোন।

- আচলতে, মই এজন সাংবাদিক। বহু দিনৰ পৰাই এই অঞ্চলত সংঘটিত হৈ থকা চোৰাং বেহাৰ কথা শুনি আছিলোঁ। সেই সংক্ৰান্ততে আজি ইয়ালৈ আহিছিলোঁ। এতিয়া এইয়া মোৰ সৌভাগ্য বুলিয়েই কওক বা দুৰ্ভাগ্য; সিহঁতক আজি চোৰাংকৈ গছ কাটি থকা অৱস্থাতে পালোঁহি। প্ৰমাণৰ বাবে ফটো দুখনমানো ল'লো। কিন্তু হঠাতে কোনোবা এজনে মোৰ অৱস্থিতিৰ কথা গম পালে, আৰু.....! কেইবাজনো লোকে হাতত দা-কুঠাৰ লৈ খেদি আহিছিল। কিবাকৈ আন্ধাৰৰ সুযোগ লৈ পলাই আহি এইখিনি পালোঁহি।

- ইয়াত এইবোৰ চলিয়েই থাকে বাবা। তোমাকনো কি মিছা ক'ম, কেতিয়াবা আমিও সিহঁতক সহায় কৰিবলগীয়া হয়। কি কৰিম কোৱা? পেটৰ তাড়না ।

- কিন্তু এইবোৰতো অপৰাধ। আপোনালোকে বন বিভাগৰ লোকক বা পুলিচত কিয় খবৰ নিদিয়ে?

- হেঃ হেঃ! তুমি কি ভাবিছা? এইবোৰ দেখি-শুনি আমাৰ ভাল লাগে? আগতে এই জংঘলখন আৰু গভীৰ আছিল। বহুত জীৱ-জন্তুও আছিল। কিন্তু এতিয়া.....! আমি সাধাৰণ মানুহ বাবা। চেষ্টা কৰিছিলোঁ এইবোৰ কাম বন্ধ কৰিবলৈ। কিন্তু যেতিয়া সমাজৰ ডাঙৰ মানুহবোৰেই এইবোৰত জড়িত হৈ থাকে, আমিনো কি কৰিব পাৰোঁ!

- বুজিছোঁ।

- তুমি কিবা খাবা?

- নাই নাই, হ'ব ।

- একো নহয়। মোৰ ল'ৰাটোলৈ ভাত বাঢ়িয়েই থৈছোঁ। তাৰে কেইটামান আনো। তুমি খাই ল'বা।

- নাই, সেয়া তালৈ থাকক। ক'ৰবালৈ গৈছে সি?

- কামলৈ। একো নহয় হে, ৰ'বা। —কথাষাৰ কৈ তাৰ উত্তৰলৈ অপেক্ষা নকৰি মানুহগৰাকী পাকঘৰত সোমালগৈ। খন্তেক পাছতে কাঁহী এখনত কেইটামান ভাত, অকণমান আলু পিটিকা আৰু বাটি এটাতে কচু শাকৰ তৰকাৰী অলপ আনি তাৰ আগত থ'লে।

- লোৱা, খাই লোৱা। হাতখন এই বাটিটোতে ধুব পাৰিবা। —কাষতে থকা বাটি এটা তালৈ আগবঢ়াই মানুহগৰাকীয়ে ক'লে।

- বাৰু। - আবেলিৰ আগতেই এই জংঘলত সোমোৱা। এতিয়া নিশা দুপৰ। ভোক নলগাৰ কথাই নাহে। মাথোঁ কাম আৰু শেষলৈ জীৱনৰ ভয়ে যেন তাক ভোকৰ কথা পাহৰাই আছিল। এতিয়া সন্মুখত ভাতসাঁজ দেখি তাৰ ভোকটোৱে কলমলাই উঠিল।

- ল'ৰাজনে ক'ত কাম কৰে? —ভাত এগৰহা মুখলৈ নি সি সুধিলে।

- হাজিৰা কাম আৰু; য'ত যি পায়।

বিশেষ একো নকৈ মূৰটো জোকাৰি শলাগ লৈ সি ভাত খোৱাত লাগিল।

টক্ টক্! দুৱাৰত হঠাৎ হোৱা শব্দত সি উচপ্ খাই উঠাত, ভাতৰ কাঁহীখন হাতৰ পৰা পৰি মজিয়াখন ভাতেৰে সিঁচৰতি হৈ পৰিল। সি মানুহগৰাকীলৈ সন্তৰ্পনে চালে।

- ৰ'বা ৰ'বা। ভয় কৰিব নালাগে। মোৰ ল'ৰাটো আহিছে চাগে। —মানুহগৰাকীয়ে তাক আশ্বাস দি দুৱাৰৰ ফালে আগবাঢ়িল। সি খোৱাৰ পৰা উঠি তাৰ বেগটো লৈ পাকঘৰৰ বেৰখনৰ আঁৰ হৈ দুৱাৰখনৰফালে চাই থাকিল।

- আহিলি। - দুৱাৰখন খুলি আগন্তুকলৈ চাই মানুহগৰাকীয়ে সুধিলে।

- আহিলোঁ মা। তই শোৱা নাই নেকি?

- শুইছিলোঁ। কিন্তু... বাৰু তই সোমাই আহচোন। ক'ম বাৰু। —ল'ৰাজন সোমাই আহিল। ডিঙিত এখন গামোচা, হাতত এটা মোনা আৰু এখন দা। মোনাটো মানুহগৰাকীলৈ আগবঢ়াই দি, বেৰৰ ফাঁকতে দাখন গুজমাৰি থৈ সি ভিতৰলৈ সোমাই আহিল। ধিমিক-ধামাককৈ জ্বলি থকা চাকিৰ পোহৰত তাৰ মুখখন ক্ৰমে জিলিকি উঠিল। ল'ৰাজনৰ মুখখন দেখি ৰাগৰ অণ্ঠকণ্ঠ শুকাই গ'ল। এইজনচোন সেই ভীৰৰ মাজৰে এজন ল'ৰা যিয়ে তাক খেদি আহিছিল। কি কৰিব কি নকৰিব ভাবি সি ঠাইতে শিলপৰা কপৌৰ দৰে থৰ হৈ ৰ'ল।

- ক'ত? ক'ত আছে সি? চাল্লা আমাৰ ফটো তোলে! তাক মই! —ল'ৰাজনৰ কঠোৰ মাত শুনি তাৰ সম্বিত আহিল। মাক-পুতেকৰ কথাৰ কটা-কটি চলি থকাৰ সমানে বাঢ়ি আহিল ৰাগৰ বুকুৰ ঢপঢপনি।

- বাবা, চাওঁ এইফালে আঁহাচোন। একো নকৰে ই। মই আছোঁ নহয়। —মানুহগৰাকীৰ মাত শুনি কিছু সাহস গোটাই বেৰৰ আঁৰৰ পৰা ওলাই আহিল ৰাগ। ল'ৰাজনলৈ চালে। খঙত ফোপাই-জোপাই কাষতে থকা বিছনাখনত বহি আছে সি।

- চাওক দাদা, আপোনালোকৰ লগত মোৰ কোনো ব্যক্তিগত শত্ৰুতা নাই। বিপদত পৰি আহোঁতে আপোনাৰ মায়েই মোক আশ্ৰয় দিছে। কিন্তু আপোনালোকে যি কৰি আছে, সেয়া.....! —ৰাগৰ কথাখিনি শেষ হোৱাৰ পূৰ্বেই ল'ৰাজনে খঙত তিঙিৰি তুলা হৈ ৰাগলৈ চোঁচা ল'লে।

- কি হ'ল? কি হ'ল তোৰ? আমি অপৰাধী? অপৰাধ কৰিছোঁ আমি? আৰে যি কৰিছোঁ আমিতো পেটটোৰ কাৰণে কৰিছোঁ। সাহস আছে যদি সেই ডাঙৰ মানুহবোৰক ধৰগৈ যা। চাল্লা, সেইবোৰৰ পৰা টকা খাবি আৰু আমাৰ বাতৰি কৰিবি।

- চাওক। টকাৰ লোভত সাংবাদিকতা কৰা হ'লে আজি ইমান জীৱনকো নেউচি কাম নকৰিলোঁহেঁতেন। আপুনি যিবোৰ মানুহৰ কথা কৈছে, সিহঁতক সহায় কৰি ৰক্ষা কৰা মানুহবোৰ কিন্তু আপোনালোকেই।

- কি হ'ল, কি হ'ল তোৰ। তোক আজি....! —কথাষাৰ কৈয়ে বেৰত গুজি থোৱা দাখন লৈ ল'ৰাজনে ৰাগক খেদি আহিল। কথাবোৰে ক্ৰমে বেয়াৰ ফাললৈ গতি কৰিবলৈ ধৰিলে। ঘটনাৰ উমান পাই মাক আহি দুয়োৰে মাজত সোমাল। তিনিওৰে হেঁচা-ঠেলা, টনা-আঁজোৰাত হঠাতে কাষতে থকা টেবুলখন মানুহগৰাকীৰ ভৰিত বাগৰি পৰিল। খন্তেকৰ বাবে সকলো যেন স্থবিৰ হৈ পৰিল। ল'ৰাজনে মাকক দাঙি বিছনাখনলৈ লৈ গ'ল। ৰাগেও কি কৰোঁ কি নকৰোঁকৈ টেবুলৰ বস্তুবোৰ সামৰিবলৈ ধৰিলে। খেলিমেলি হৈ পৰি থকা কিতাপ এখনৰ মাজৰ পৰা ওলাই পৰা ফটো এখন দেখি ৰাগ ৰৈ গ'ল।

- এই... এই ফটোখন? —বস্তুবোৰ তেনেকৈয়ে এৰি ফটোখন নি মানুহগৰাকীক দেখুৱাই সি সুধিলে।

- এইখন বহু পুৰণি ফটো বাবা। তুমি চিনি নাপাবা। —শুই থকাৰ পৰা উঠি বেৰতে ভেঁজা দি বহি মানুহগৰাকীয়ে সামান্য সেহাই সেহাই ক'লে।

- নহয় নহয়। মই চিনি পাইছোঁ বাবেই আপোনাক সুধিছোঁ। এই ফটোখন ইয়াত কেনেকৈ! —ৰাগ আচৰিত হ'ল।

- চিনি পাইছা? কিন্তু কেনেকৈ? কি সম্পৰ্ক আছে তোমাৰ এই ফটোৰ লগত! —এইবাৰ যেন ৰাগৰ সমানেই আচৰিত হ'ল মানুহগৰাকী।

- এই ফটোত থকা মানুহ দুগৰাকীতো মোৰ মা-দেউতা।

- কি? তুমি অনুৰাগ শইকীয়া? অভয় শইকীয়াৰ ল'ৰা? —চিঞৰি প্ৰশ্নটো সুধিয়েই মানুহগৰাকীয়ে হুকহুকাই কান্দি উঠিল।

- হয়। কিন্তু আপুনি..... আপুনি কান্দিছে কিয়? কেনেকৈ চিনি পাই আপুনি মোৰ মা-দেউতাক? কেনেকৈ!

- .....! —কোনো উত্তৰ নিদি মানুহগৰাকীয়ে মাথোঁ উচুপি থাকিল।

- আপুনি কিয় একো নকয়? কওক। কেনেকৈ চিনি পাই আপুনি মোৰ মা-দেউতাক।

- পোনা, তই আজি যিজন ল'ৰাক মাৰপিট কৰিবলৈ লৈছিলি; তই জাননে সি আচলতে কোন হয়? —ৰাগৰ কথাক আওকাণ কৰি মানুহগৰাকীয়ে এইবাৰ তেওঁৰ ল'ৰাজনক সুধিলে।

- মই! মই কেনেকৈ জানিম কোন। মই মাত্ৰ ইমানেই জানো যে ই আমাৰ অপকাৰ কৰিবলৈ চেষ্টা কৰিছে আৰু সেইকাৰণে মই ইয়াক....! —খং আৰু আচৰিত হৈ সি ক'লে।

- নহয় পোনা। তেনেকৈ নক'বি। এই ল'ৰাজন.... এই ল'ৰাজন তোৰ নিজৰেই ভাই অ'।

- কি? - ৰাগৰ লগতে ল'ৰাজনো সমানে আচৰিত হৈ মাকক সুধিলে।

খন্তেক সময়ৰ বাবে তিনিওৰে মুখৰ পৰা এটাও শব্দ ওলাই নাহিল। তাৰপাছত লাহে লাহে মাকে ক'বলৈ ধৰিলে, প্ৰায় তেইশ-চৌবিশ বছৰৰ পূৰ্বৰ সেই কাহিনী, যি কাহিনী কোনোদিনেই ৰাগ বা তেওঁৰ ল'ৰাজনে শুনা নাছিল। এফালৰ পৰা কৈ গ'ল; আৰ্থিক দুৰ্বলতাৰ বাবে কেনেকৈ তেওঁৰ কণমানি সন্তান অনুৰাগক সেই বনাঞ্চলতে তেতিয়া চাকৰি কৰা নিঃসন্তান দম্পতী অভয় শইকীয়া আৰু অন্তৰা শইকীয়াৰ হাতত তুলি দিছিল আৰু তাৰ শেষৰটো চিন হিচাপে থৈ দিছিল তাক কোলাত লৈ থকা তেওঁলোকৰ সেই ফটোখন!

কথাবোৰ শেষ হোৱালৈ ক্ৰমে দুৰ্বল হৈ পৰিছিল ৰাতিটো। পাতল হৈ আহিছিল আন্ধাৰৰ আৱৰণ। জুপুৰিটোৰ ভিতৰত বিৰাজ কৰিছিল এমুঠি মৌনতাই। অথচ আঁতৰৰ পৰা বতাহত তেতিয়াও ভাঁহি আহিছিল কোনোবা বৃদ্ধই পুথি পাঠ কৰি থকা এটা ক্ষীণ সুৰ। খুব কৰুণ..... খুব কৰুণ। ❑❑

# খা বাপেকে ভীমকলটো

● ত্রিভূবন গগৈ
প্ৰাক্তন ছাত্ৰ, অসমীয়া বিভাগ, সোণাৰি মহাবিদ্যালয়

গাঁৱৰ এচলীয়া চালিৰ তলত চেলপাৰ্ক চিয়াঁহীৰ বটলৰ মুখনিত পামচাৰ হোৱা চাইকেলৰ টিউবৰ পেলনীয়া ভলটিউবটো লগাই চাকি বনাই বাপেকে কামৰ পৰা অহাৰ পৰত হেমেনা দোকানৰ পৰা অনা কেৰ্চিন (কেৰাচিন) তেলকণ ঘৈণীয়েকৰ হাতত তুলি দিয়াত ঘৈণীয়েকৰ মুখখন ডাৱৰৰ ফাঁকৰ মদৰুৱা বিজুলী পোহৰৰ দৰে কিছু উজ্জ্বল হ'ল। পৈয়েক মদাহী। বেছিও নেখায়, সেইবুলি ঘৈণীয়েক আৰু তাৰ দুজনী ছোৱালীক নোখোওৱা নেমেলাকৈ থকা নাই। সপ্তাহত ২/৩ দিনৰ মূৰত পুতু দোকানৰ পৰা ব্ৰইলাৰ ১ পুৰা নহ'লেও পেতু আধা কেজি প্ৰায়ে সি আনে। ডাঙৰ ছোৱালীয়ে যোৱাবাৰ মেট্ৰিক পাছ কৰিলে। ছেকেণ্ড ডিভিজন। কোনো কথা নাই বাপেকৰ তাতেই ফূৰ্তি। উমনিত বহি থকা হাঁহকেই মাৰিবলৈ উদ্যত হৈছিল। লোকৰ ঘৰত কাম কৰি কাপোৰে-কানীয়ে, কিতাপে-বহীয়ে যথা সময়ত যোগাৰ দি সি তাৰ বাপেকী দায়িত্ব ভালদৰে পালন কৰি গৈছে। আনে মদাহী বুলিলে কি হ'ল? মদ খাইতো সি ক'তো অভদ্ৰামী নকৰে বা কাৰোৰে লগত হাই-কাজিয়া নকৰে। এটুপি বেছি হোৱা দিনাখন তাৰ মুচনহে অলপ বেলেগ হয়।

সৰু ছোৱালীজনী তাৰ গছে-পাতে ডাঙৰ হৈছেই। গাত কাপোৰ লৈছে। তুলনি বিয়াখন ওলাইহে লাগে!! তাকে লৈও বাপেকৰ চিন্তা; আজিকালি আকৌ দেখাক দেখি যিহে ৰমক-জমক। ৰাজহাঁহবোৰৰ খোজ দেখি ঘৰচিৰিকাকেইটাৰ বেছিহে উৎপাত। সেইবোৰ ভাবি-শুনি ওপৰলৈ মুখ কৰি তাৰ বাঁহৰ চাংখনত সি যেতিয়া বাগৰ মাৰে; বাৰে বিংকতি চিন্তাই তাক জুমুৰি দি ধৰেহি। সেয়ে সি দুখবোৰৰ পৰা কিছু পৰিত্ৰাণ পাবলৈ সি এটুপি খাব লগা হয়। আনৰ দৰে তাৰ ঘৈণীয়েকক মুগাৰ-পাটৰ হাজাৰ হাজাৰ টকীয়া কাপোৰ দিব নোৱাৰে যদিও বহাগৰ বিহুত সস্তীয়া-মস্তীয়া এযোৰকে দিয়ে। কেতিয়াবা এযোৰ কৰিও দিব নোৱাৰে; চাদৰ এখন বা ব্লাউজ এখনকে দিয়ে। তাকে পাই দেহি তাইৰ মুখত সুখৰ হাঁহি এটি বিৰিঙি উঠে।

একালত তাৰ ঢোলৰ দীঘলীয়া চাপৰে এই মানুহজনীকেই সি মতলীয়া কৰিছিল। বিহুত সি ঢোলৰ চাপৰেহে সিহঁতৰ সংসাৰ গঢ়ালে। তাইৰ দেউতাকৰ তাইক এই টোকোনাটোলৈ দিবলৈ মন নাছিল। শেষত পলাই আহিহে এই সংসাৰ পাতিলে। এতিয়াবাৰো সিহঁতক সুখী যেনেই লাগে; তথাপি কেতিয়াবা খুট-খাট লাগি ২/৩ দিন মাতবোল বন্ধ থকাও দেখা যায়।

তাই যে ধনী ঘৰৰ আছিলি, এই সুবিধাকণৰ সৎ ব্যৱহাৰ কৰিয়ে তাই গিৰিয়েকক কেতিয়াবা লেংটো নমৰাকৈ নাথাকে। বুলে— "ঢোলৰ চাপৰ শুনি কঁকাল ভাঙি আহিছিলো নহয়, এতিয়া ঢোলৰ চাপৰকে মঙহ-মাছ বুলি খা।" সি আৰু কি ক'ব! মনে মনে শুনি থাকে, কেতিয়াবা নিচা লাগি থাকিলে শেল এপাত সিও নমৰাকৈ নেথাকে। লাগেও-ভাগেও। কেতিয়াবা অলপ বেছি হ'লে ১ বা ৩ দিন মাতবোল বন্ধ। তেতিয়া সৰু ছোৱালীজনীয়ে মধ্যস্থতাকাৰী হৈ সংসাৰ সাগৰত নাওখন আগুৱাই লৈ গৈ থাকে।

এদিন হঠাতে কিবা সৰু কথাত লাগি ঘপহকৈ মাতবোল বন্ধ হ'ল। ইতিমধ্যে মহিলা পৰিষদৰ চৰু চোৰা বন্ধ হ'ল। পুৱাৰ পৰা বেলি উঠি দুপৰ হ'লহি। পুৰুষ পাৰ্টিৰ ভোকে কলমতিয়াব ধৰিলে। শেষত মৌন ব্ৰত ভংগ কৰি উপায়ন্তৰ হৈ সৰুক ভাত খুজিলত সৰুৱে চৰু চুব নোৱাৰু বুলি ক'লে। ইফালে পৰিবাৰৰ লগত মাতবোল বন্ধ। অৱশেষত ক'লে— "ঐ সৰু, চৰুৰ মালিকক কৈ দে ভোকে কলমতিয়াইছে বুলি।" সিফালৰ পৰাও তৎক্ষণাত প্ৰত্যুত্তৰ আহিল— "ঐ সৰু কাঁহীৰ মালিকক কৈ দে সৰুৰ আজি যি অৱস্থা, চৰুৰ মালিকৰো একেই অৱস্থা।" ❑❑

# ছাত্ৰ একতা সভাৰ
# বিষয়ববীয়াসকলৰ
# প্ৰতিবেদন



# Vice-President report (2023-24)

As the vice president of the students union of Sonari College, I had the opportunity to serve the student body and contribute to the development of our institution. As I reflect on my tenure as the vice president of the students union of Sonari College, I remind the invaluable lessons I learned and the Significant impact we made on our college community. This experience was a transformative journey that helped me develop essential skills, forge lasting relationships, and discover my passion for leadership.

One of the most significant challenges with my duties as vice president, managing my time effectively and prioritizing tasks were crucial in ensuring that I fulfilled my obligations to both my studies and the 'Students Union'. The experience taught me the importance of discipline, organization and effective time management.

As representative of the student body, I had to navigate diverse opinions and interests to build consensus on key issues. This required strong communication and interpersonal skills which I developed through active listening, empathy and conflict resolution. I warned to approach challenged with a solution- oriented mindset, seeking common ground and finding creative solutions that benefited all parties involved. Working with the college administration was another significant aspect of my role. I had to effectively communicate and negotiate with administration to achieve mutually beneficial outcomes. This experience taught. Me the importance of building relationship, understanding different perspective, and finding ways to collaborate and compromise. Despite the challenged, our team achieved several notable successes during my tenure. We established a student mentorship program, which paired senior students with freshmen to provide guidance and support. We also organised a highly successful sports week including cultural festival, which brought together students from diverse backgrounds to celebrate their heritage.

This experience has had a profound impact on my personal growth and development I owned my leadership skills by managing teams, making tough decisions and navigating complex situations. I improved my communication and interpersonal skills by corking with students faculty and administrations. I also developed essential skills in time management prioritization and problem solving.

In conclusion, my experience as vice-president of the students' union of Sonari College was a transformative and enriching journey. I developed essential skills, forged lasting relationships, and discovered my passion for leadership. I am proud of the impact we made on our college community and I am grateful for the lessons I learned, which will stay with me for the rest of my life.

By-
**Farhad Saminur Rahman**
Vice President
Sonari College Students Union (2023-24)

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

নীলাভ দিগন্তৰ, শুকুলা মেঘৰ তলত সোণাৰু কৃষ্ণচূড়াৰ সুবাসত ৫৪টা বৰ্ষৰে গৰকা ঐতিহ্যমণ্ডিত চৰাইদেউ জিলাৰ সোণাৰি নগৰৰ গৌৰৱৰ প্ৰতীক সোণাৰি মহাবিদ্যালয়।

প্ৰতিবেদনৰ আৰম্ভণিতে স্বদেশ আৰু স্বজাতিৰ হকে প্ৰাণ বিসৰ্জন দিয়া বীৰ শ্বহীদসকলৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। লগতে যিসকল মহা মনীষীৰ শ্ৰম আৰু ত্যাগৰ বেদীত জ্ঞানৰ শলিতা জ্বলিল, যাৰ উদাৰতাই আমাৰ পৰিচয়ৰ আধাৰ দিলে, সোণাৰি মহাবিদ্যালয়ৰ ৰূপকাৰ সেইসকলৰ পুণ্যাত্মাক নতশিৰে প্ৰণাম জনাইছোঁ। স্কুলীয়া দিনৰ পৰাই সপোন আছিল সোণাৰি মহাবিদ্যালয়ত অধ্যয়ন কৰাৰ। মহাবিদ্যালয়ত ভৰি দিয়াৰ প্ৰথম বৰ্ষৰে পৰা মই মহাবিদ্যালয়ৰ শৈক্ষিক, সামাজিক, সাহিত্যিক, ক্ৰীড়া আদি দিশৰ লগত জড়িত হৈ পৰিছিলোঁ। মহাবিদ্যালয়ৰ বিভিন্ন কাম-কাজত নিজকে নিয়োজিত কৰিছিলোঁ। মোৰ অগ্ৰজসকলৰ মোৰ প্ৰতি যথেষ্ট সদয় আছিল। হয়তো কৰ্মস্পৃহা দেখিয়ে তেওঁলোক সকলোৱে মোক ২০২৩-২০২৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ দৰে এটা গুৰু দায়িত্ব পালন কৰিবলৈ উৎসাহিত কৰিছিল আৰু ২০২৩-২৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে মই এক নতুন যাত্ৰা আৰম্ভ কৰোঁ।

সঁচা কথা ক'বলৈ গ'লে মই ক্ৰীড়া ক্ষেত্ৰখনৰ লগতো জড়িত আছিলোঁ। যোৱা ৪ আৰু ৫ তাৰিখে দিল্লীত হৈ যোৱা অপেন ইণ্টাৰনেচনেল টাইকোৱানডো প্ৰতিযোগিতাত মই ২ টাকৈ পদক ক্ৰমে সোণৰ আৰু ৰূপৰ পদক পাবলৈ সক্ষম হৈছিলো। কেৱল এয়াই নহয় ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আন্তঃমহাবিদ্যালয় টাইকোৱানডো আৰু কিক্ বক্সিং প্ৰতিযোগিতাত মই সোণাৰি মহাবিদ্যালয়ৰ হৈ ৪ বাৰকৈ মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিবলৈও সক্ষম হৈছোঁ।

এগৰাকী সাধাৰণ সম্পাদক হিচাপে হয়তো আপোনালোকে মোৰ পৰা বহুতো নতুনত্ব আশা কৰিছিল; কিন্তু আপোনালোকৰ সেই সপোন কিমানখিনি বাস্তৱত পৰিণত কৰিব পাৰিলোঁ সেয়া নাজানো, কিন্তু মই আপোনালোকৰ আশাবোৰ সফল ৰূপায়ণ কৰাৰ চেষ্টা কৰিছিলো। সৌভাগ্য যে মোৰ কাৰ্যকালত NAAC Peer team আমাৰ মহাবিদ্যালয়লৈ দৰ্শনৰ বাবে আহে আৰু আমাৰ সোণাৰি মহাবিদ্যালয়ে B++ গ্ৰেড পাবলৈ সক্ষম হয়। মহাবিদ্যালয়ৰ ইতিহাসৰ পাত লুটিয়ালে দেখা পাব যে মোৰ কাৰ্যকালৰ সময়ত আমাৰ ছাত্ৰ একতা সভাৰ কোঠাটো নতুন ঠাইলৈ নিওঁ। কাৰণ পুৰণা কোঠাটো অলপ সৰু হোৱাৰ বাবে আমাৰ ছাত্ৰ একতা সভাৰ সকলো বিষয়ববীয়াই যিকোনো ধৰণৰ আলোচনা-বিলোচনা কৰিবলৈ কিছু অসুবিধাৰ সন্মুখীন হওঁ। মোৰ প্ৰথম কাম আছিল যে মহাবিদ্যালয়খনৰ পৰিৱেশটো সদায় পৰিষ্কাৰ কৰি ৰখাৰ লগতে সুন্দৰ কৰি ৰখা। সেয়েহে মই মোৰ প্ৰথম কাম হিচাপে মহাবিদ্যালয় চৌহদত গছ-গছনিৰ লগতে বাগিচাবোৰত ফুল আদি ৰোপণ কৰাৰ লগতে সপ্তাহটোৰ প্ৰত্যেকটো শনিবাৰে মহাবিদ্যালয় চৌহদটো চাফ-চিকুণ কৰা। মোৰ কাৰ্যকালতেই অসমীয়াৰ (DTP) এটি নতুন পাঠদান আৰম্ভ কৰা হৈছিল। মোৰ কাৰ্যকালতেই মহাবিদ্যালয় ছাত্ৰ জিৰণি কোঠাত ছাত্ৰসকলৰ সুবিধাৰ্থে বহিবলৈ বেঞ্চ আৰু ডেস্কৰ নতুনকৈ সুবিধা কৰি দিয়া হৈছিল। মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে আমি মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ছাত্ৰ একতা সভাৰ তৰফৰ পৰা ফোনত এটা গ্ৰুপ খুলি দিছিলো য'ত নেকি মহাবিদ্যালয়ৰ সকলো তথ্য সেই গ্ৰুপটোত লাভ কৰে। মহাবিদ্যালয়ৰ বাবে গৌৰৱৰ কথা যে মোৰ কাৰ্যকালতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আন্তঃমহাবিদ্যালয় বিভিন্ন প্ৰতিযোগিতাত সৰ্বমুঠ ১৪টা পুৰস্কাৰ লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছিলো। মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাত প্ৰথমবাৰৰ

বাবে অসমৰ জনপ্ৰিয় কণ্ঠশিল্পীৰ 'নিতুল দাধৰা'ৰ গীতৰ শৰাই আগবঢ়াবলৈ সক্ষম হৈছিলো। এই বছৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত যি ফলাফল দেখুৱালে তাক আমি ছাত্ৰ একতা সভাই গৌৰৱ কৰো। অনাগত দিনত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অধিক সুনাম কঢ়িয়াই আনিব বুলি আমি আশাবাদী।

**মোৰ কাৰ্যকালত অনুষ্ঠিত কৰা মুখ্য অনুষ্ঠানসমূহ আৰু কামসমূহ ঃ-**

১. প্ৰতিষ্ঠা দিৱস উদ্‌যাপন।

২. বিশ্বকৰ্মা পূজা উদ্‌যাপন।

৩. মহাবিদ্যালয় সপ্তাহ (৫-১০ ফেব্ৰুৱাৰী)।

৪. মহাবিদ্যালয় সপ্তাহৰ শেষৰ দিনত বঁটা বিতৰণীৰ লগতে সাংস্কৃতিক অনুষ্ঠান।

৫. সৰস্বতী পূজা উদ্‌যাপন।

৬. অগ্ৰজসকলৰ বিদায় সম্বৰ্দ্ধনা অনুষ্ঠানৰ লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আন্তঃমহাবিদ্যালয় প্ৰতিযোগিতাসমূহত পুৰস্কাৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীক শুভেচ্ছা।

৭. ছাত্ৰ দিৱস উদ্‌যাপন।

৮. সোণাৰি মহাবিদ্যালয়ৰ অসমীয়া বিভাগ আৰু ছাত্ৰ একতা সভাৰ উদ্যোগত ১১ সংখ্যক ৰঙালী বিহু আদৰণি অনুষ্ঠান উদ্‌যাপন।

৯. "HAR GHAR TIRANGA" কাৰ্য্যসূচী হাতত লোৱা হয়।

১০. প্ৰয়াত ড° মৌমিতা দেৱনাথলৈ একাঁজলি শ্ৰদ্ধাঞ্জলি।

১১. নৱাগত আদৰণি সভা (নিতুল দাধৰা গীতৰ শৰাই)।

**কৃতজ্ঞতা স্বীকাৰ ঃ-**

মোৰ কাৰ্যকালত বিভিন্ন দিশত দিহা-পৰামৰ্শ তথা গঠনমূলক পৰামৰ্শ আগবঢ়োৱাৰ বাবে মহাবিদ্যালয়ৰ মোৰ শ্ৰদ্ধাৰ অধ্যক্ষ ড° বিমল চন্দ্ৰ গগৈ ছাৰ আৰু শ্ৰদ্ধাৰ সকলো শিক্ষাগুৰু আৰু সকলো দিশতে সহায় কৰা মোৰ মৰমৰ বন্ধুবৰ্গ তথা মৰমৰ ভাইটি-ভণ্টীসকলক অশেষ ধন্যবাদ জ্ঞাপন কৰিছো।

'জয়তু সোণাৰি মহাবিদ্যালয়'

'জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা'

**বিৰাজ বৰুৱা**

সাধাৰণ সম্পাদক

২০২৩-২৪ বৰ্ষ

# সংগীত বিভাগৰ সম্পাদিকাৰ বাৰ্ষিক প্ৰতিবেদন

অচিন বাটৰ বাটৰুৱা আমি
ভয় শংকা নকৰো সমূলি
যাওঁ আগবাঢ়ি যাওঁ।।

এটি অচিন বাটত এজন বাটৰুৱাই যেনেকৈ কোনো ভয় শংকা নকৰি আগবাঢ়ি গৈ থাকে, তেনেদৰে আমি শিক্ষাৰ্থীসকলেও আমাৰ বাবে ভৱিষ্যতে কি আছে, কি হ'বলৈ গৈ আছে; সেই সম্পৰ্কে একো নজনাকৈ মাত্ৰ নিজ লক্ষ্যত উপনীত হৈ সমাজৰ একোজন ব্যক্তিত্বসম্পন্ন লোক হিচাপে গঢ় লৈ উঠিবলৈ যত্নপৰ হওঁ।

এক সুস্থ সবল পৰিৱেশে ব্যক্তিৰ ব্যক্তিত্ব বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শিক্ষাৰ্থীসকলৰ ব্যক্তিত্ব বিকাশ আৰু তেওঁলোকক সমাজৰ একো একোজন দায়িত্বশীল ব্যক্তি হিচাপে গঢ় দিয়াৰ অৰ্থে যিসকল মহান ব্যক্তিয়ে চৰাইদেউ জিলাৰ ঐতিহ্যমণ্ডিত সোণালী বৰ্ষৰে গঢ়কা সোণাৰি মহাবিদ্যালয়ৰ দৰে এক উজ্জ্বল আৰু অগ্ৰণী শিক্ষানুষ্ঠান গঢ়ি তুলিছিল, সেই মহান ব্যক্তিসকললৈ মই আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সোণাৰি মহাবিদ্যালয়ৰ দৰে এখন অতি গৌৰৱময় শিক্ষানুষ্ঠানত কৰ্মৰ দ্বাৰা নতুন নতুন অভিজ্ঞতা বুটলাৰ মানসেৰে মই ২০২৩-২৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সংগীত বিভাগৰ সম্পাদিকা পদত জয়লাভ কৰিবলৈ সক্ষম হৈছিলো। সংগীত বিভাগৰ সম্পাদিকা পদত জয়লাভ কৰাৰ পাছতেই মই মোৰ কাৰ্যসমূহ অতি নিয়াৰিকৈ পালন কৰাত সক্ষম হৈছিলো। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক এখন সুস্থ মঞ্চ দি আগবঢ়াই নিবলৈ চেষ্টা কৰিছিলো। এই ক্ষেত্ৰত মই কিমানদূৰ সফল হ'ব পাৰিলো সেয়া মই নাজানো। কিন্তু সদায় সেই প্ৰচেষ্টাৰে নিজৰ দায়িত্ব পালন কৰি গৈছিলো।

সংগীত বিভাগৰ সম্পাদিকা হিচাপে মই মোৰ দায়িত্ব পালন কৰিছিলো ২০২৪ বৰ্ষৰ LTK মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা যুৱ মহোৎসৱত প্ৰেৰণ কৰা প্ৰতিযোগীসকলৰ বাচনি পৰীক্ষা অনুষ্ঠিত কৰি। ইয়াৰ পিছতেই বাৰ্ষিক ক্ৰীড়া সমাৰোহত মোৰ বিভাগীয় উপদেষ্টা লিণ্ডি গডউইন বাইদেউৰ পৰামৰ্শ অনুসৰি প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে আগবঢ়াই নিয়াত সক্ষম হৈছিলো। ইয়াৰ লগতে ২০২৪ বৰ্ষৰ ৩ মাৰ্চ তাৰিখে NAAC Peer Team মহাবিদ্যালয়লৈ অহাত অনুষ্ঠিত হোৱা সভাত ড° ৰীতা দত্ত বাইদেউৰ সহায়-সহযোগিতাত মহাবিদ্যালয়ৰ সংগীতটি প্ৰদৰ্শন কৰিবৰ বাবে প্ৰস্তুত কৰি উলিয়াইছিলো।

সোণাৰি মহাবিদ্যালয়ৰ দৰে এখন পৱিত্ৰ স্থানত এটা বছৰ সমূহ শিক্ষাৰ্থী আৰু ছাৰ বাইদেউসকলৰ পৰামৰ্শ আৰু উপদেশ অনুসৰি মহাবিদ্যালয়ৰ বাবে কাম কৰিবলৈ পাই অতি গৌৰৱান্বিত অনুভৱ কৰিছো।

জয়তু সোণাৰি মহাবিদ্যালয়
জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা

**সুশ্ৰী গগৈ**
সংগীত বিভাগৰ সম্পাদিকা
২০২৩-২৪ বৰ্ষ

# লঘু ক্ৰীড়া বিভাগৰ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন

ইতিহাসে গৰকা চৰাইদেউ জিলাৰ সদৰ সোণাৰি। গীতিকবি পাৰ্বতিপ্ৰসাদ বৰুৱাদেৱে সুৰ নিগৰোৱা আৰু কবিতা কোঁৱৰ, অম্বেশ্বৰ চেতিয়া ফুকনদেৱে জীপাল কৰা এই সোণাৰিবাসীৰ অন্তৰত খোদিত হৈ আছে সোণাৰুৰ দেশ সোণাৰি মহাবিদ্যালয়। পঞ্চাছটা বসন্ত গৰকা এই সোণাৰি মহাবিদ্যালয়খনে জন্মলগ্নৰে পৰা কলা, বিজ্ঞানৰ দুগচি বন্তিৰে বিশ্বৰ বিভিন্ন প্ৰান্তত জিলিকাই তুলিছে অজস্ৰ সোণাৰিয়ানক।

যোৱা ২০২৩-২৪ বৰ্ষত ময়ো এই মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ লঘু ক্ৰীড়া সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ সৌভাগ্য লাভ কৰি মহাবিদ্যালয়ৰ উত্তৰণৰ ক্ষেত্ৰত কাম-কাজ কৰি গৈছিলো।

আপোনালোকক মোৰ কাৰ্যসূচীসমূহ প্ৰতিবেদন আকাৰে অৱগত কৰিব বিচাৰোঁ—

২০২৩-২৪ বৰ্ষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আন্তঃমহাবিদ্যালয়ৰ প্ৰতিযোগিতাসমূহত সোণাৰি মহাবিদ্যালয় হৈ প্ৰতিনিধিত্ব কৰাইছিলো।

যোৱা ১৫ আৰু ১৬ অক্টোবৰ, ২০২৩ তাৰিখে মৰাণ মহিলা মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় টাইকোৱাণ্ডো (Taekwondo) প্ৰতিযোগিতাত সোণাৰি মহাবিদ্যালয়ে অংশগ্ৰহণ কৰি এটা ব্ৰঞ্জৰ পদক অৰ্জন কৰিবলৈ সক্ষম হওঁ।

যোৱা ২৭ ডিচেম্বৰ, ২০২৩ তাৰিখে আন্তঃমহাবিদ্যালয় কাৰাটে (Karate) প্ৰতিযোগিতা ডিব্ৰু মহাবিদ্যালয়ত অনুষ্ঠিত হয়। উক্ত প্ৰতিযোগিতাত সোণাৰি মহাবিদ্যালয়ে অংশগ্ৰহণ কৰি দুটাকৈ স্বৰ্ণ পদক অৰ্জন কৰিবলৈ সক্ষম হওঁ।

যোৱা ২৯ আৰু ৩০ জানুৱাৰী, ২০২৪ তাৰিখে সৰুপথাৰ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় উশ্বু (Wushu) প্ৰতিযোগিতাত সোণাৰি মহাবিদ্যালয় হৈ অংশগ্ৰহণ কৰি এটা ব্ৰঞ্জৰ পদক অৰ্জন কৰিবলৈ সক্ষম হওঁ।

যোৱা ৫ আৰু ৬ জানুৱাৰী, ২০২৪ তাৰিখে ধেমাজিৰ গোগামুখ মহাবিদ্যালয়ত হৈ যোৱা আন্তঃমহাবিদ্যালয় কিক্-বক্সিং (Kick-boxing) প্ৰতিযোগিতাত সোণাৰি মহাবিদ্যালয়ে অংশগ্ৰহণ কৰি দুটাকৈ ব্ৰঞ্জৰ পদক অৰ্জন কৰিবলৈ সক্ষম হওঁ।

লগতে যোৱা ২০২৩-২৪ বৰ্ষৰ মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহত সকলো লঘু খেল অনুষ্ঠিত কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক আগবঢ়াই নিয়াত যৎপৰোনাস্তি চেষ্টা কৰিছিলো।

এই কাৰ্যসূচী ৰূপায়ণ কৰোতে মোক প্ৰতিটো সময়ত সহায় কৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমল চন্দ্ৰ গগৈ ছাৰৰ লগতে মোৰ বিভাগৰ তত্ত্বাৱধায়ক হিচাপে থকা ড° বিকাশ শৰ্মা ছাৰ আৰু সমূহ শিক্ষাগুৰু, কৰ্মচাৰীসকল, ছাত্ৰ একতা সভাৰ সভাপতি চিত্ৰৰঞ্জন সন্দিকৈ আৰু সাধাৰণ সম্পাদক বিৰাজ বৰুৱাৰ লগতে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। ধন্যবাদ জ্ঞাপন কৰিছো সমূহ সোণাৰিয়ানক, আপোনালোকৰ বিশ্বাস আৰু আস্থাৰ বাবে মই এই পদত অধিষ্ঠিত হৈ আপোনালোকৰ বাবে কাম কৰাৰ সুযোগ লাভ কৰিলোঁ।

সদৌ শেষত অজানিতে বৈ যোৱা ভুল-ভ্ৰান্তিসমূহৰ ক্ষমা বিচাৰি মোৰ লঘু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ইমানতে সমাপ্তি কৰিলোঁ।

।। জয়তু সোণাৰি মহাবিদ্যালয়।।
।। জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।।

**হিৰকজ্যোতি ডেকা**
লঘু ক্ৰীড়া বিভাগৰ সম্পাদক
সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০২৩-২৪ বৰ্ষ

# ছাত্ৰী জিৰণি চ'ৰা বিভাগৰ সম্পাদিকাৰ বাৰ্ষিক প্ৰতিবেদন

" যাৰ তেজত তিৰবিৰাইছিল তৰালী
বুকুত গুণগুণাইছিল মেঘালী
শীতানত তাৰ তেজে ধুৰা মাটি "
— হীৰুদা

নমস্কাৰ গ্ৰহণ কৰিব।

প্ৰাৰম্ভণিতে স্বদেশ আৰু স্বজাতিৰ হকে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদসকলৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

সোণালী বৰ্ষই গৰকা এই জ্ঞানৰ মন্দিৰ, মিলনৰ মহাক্ষেত্ৰ সোণাৰি মহাবিদ্যালয়ৰ লগত জড়িত প্ৰত্যেকজন মহান ব্যক্তিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। ২০২৩-২৪ বৰ্ষত ছাত্ৰী জিৰণি চ'ৰাৰ সম্পাদিকাৰ দায়িত্ব পালন কৰাত যিসকলে মোক সহায়-সহযোগিতাৰ লগতে দিহা-পৰামৰ্শ আগবঢ়ালে তেওঁলোক সকলোলৈ মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

২০২৩-২৪ বৰ্ষত ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণি চ'ৰাৰ সম্পাদিকাৰ পদবীত হাজাৰ যৌৱনে জয়লাভ কৰোৱায় আৰু মই সকলোৰে বিশ্বাস-মৰমেৰে ২০২৩ চনৰ ২৮ ছেপ্টেম্বৰ তাৰিখে সতীৰ্থসকলৰ লগত মহাবিদ্যালয়ৰ স্বাৰ্থত সততা আৰু নিষ্ঠাৰে একত্ৰিতভাৱে আমি আগবাঢ়ি যাবলৈ শপত গ্ৰহণ কৰো। শপত গ্ৰহণ কৰাৰ পাছতেই ছাত্ৰী জিৰণি চ'ৰাত দেখি অহা সমস্যাবোৰৰ ওপৰত ভিন্ন সমস্যা দৃষ্টিগোচৰ হয়। সমস্যাবোৰ সমাধানৰ বাবে ছাত্ৰ একতা সভাৰ সভাপতি 'চিত্ৰৰঞ্জন সন্দিকৈ', সাধাৰণ সম্পাদক 'বিৰাজ বৰুৱাকে' প্ৰমুখ্য কৰি প্ৰতিজন সদস্য-সদস্যাৰ লগত আলোচনা কৰা হয় আৰু কিছু সিদ্ধান্ত গ্ৰহণ কৰা হ'ল।

ইয়াৰ পিছতে ছাত্ৰ-ছাত্ৰী জিৰণি চ'ৰাটো পৰিষ্কাৰ কৰি ৰাখিবৰ বাবে ঝাড়ু, ৰুমটো মোহাৰিবৰ বাবে Stick, দাজবিন, বাল্টি, মগ, Toilet Brush আদিৰ ব্যৱস্থা কৰা হৈছিল। তদুপৰি 'NAAC' ৰ সময়ত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° বিমল চন্দ্ৰ গগৈ ছাৰ তথা ড° প্ৰণতি গগৈ বাইদেউৰ সহায়ত জিৰণি চ'ৰাটোত বেয়া হৈ থকা প্ৰয়োজনীয় সামগ্ৰীসমূহ যেনে— Pad Vending Machine, পানীৰ ফিল্টাৰ আদি সকলোবোৰ ভাল কৰা হৈছিল। লগতে ৰুমটোত ৰং কৰাৰ ব্যৱস্থাও কৰা হৈছিল। তদুপৰি 'বাৰ্ষিক ক্ৰীড়া সপ্তাহ'ত ছাত্ৰী জিৰণি চ'ৰাৰ আলোচনী অৰ্থাৎ 'প্ৰতিবিম্ব'খন 'Girl's hygiene and safety' ৰ ওপৰত উন্মেষণ কৰাত মোৰ শ্ৰদ্ধাৰ তত্বাৱধায়ক ড° প্ৰণতি গগৈ বাইদেউৰ পৰামৰ্শ আৰু সহযোগিতাত সুন্দৰভাৱে অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছিল।

সঁচা অৰ্থত সোণাৰু দেশখনক মই ভাল পাওঁ। যাৰ অৰ্থত সদায় মই মোৰ ১০০ শতাংশ কৰিবলৈ চেষ্টা কৰো। তথাপিও কোনোখিনিত মোৰ বহুত ভুল-ত্ৰুটি ৰৈ গৈছে। সেইসমূহৰ বাবে এই প্ৰতিবেদনৰ দ্বাৰাই সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছো।

সদৌ শেষত মহাবিদ্যালয়খনৰ উত্তৰোত্তৰ কামনাৰে প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

"জয়তু সোণাৰি মহাবিদ্যালয়
জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা।"

**ঈশা গগৈ**
ছাত্ৰী-জিৰণি চ'ৰাৰ সম্পাদিকা
ছাত্ৰ-একতা সভা ২০২৩-২৪ বৰ্ষ
সোণাৰি মহাবিদ্যালয়

# সম্পাদনা সমিতি



ড° বিমল চন্দ্ৰ গগৈ
মুখ্য পৃষ্ঠপোষক



ড° সুনীল দত্ত
উপদেষ্টা



ড° ৰঘুনাথ কাগ্‌য়ুং
উপদেষ্টা



পদ্মা কুমাৰী গগৈ
উপদেষ্টা



ড° লিপ্তী গুডউইন
উপদেষ্টা



গীতিকা তালুকদাৰ
উপদেষ্টা



ড° পৰানন গগৈ
তত্ত্বাৱধায়ক



মানশ্ৰী কোঁৱৰ
সম্পাদিকা



জেচমিন গগৈ
সদস্যা



চয়নিকা চেতিয়া
সদস্যা

# বৰ্তমান কৰ্মৰত শিক্ষক-শিক্ষয়িত্ৰীসকল



ড° ৰীতা দত্ত
মুৰব্বী, অসমীয়া বিভাগ



ড° ৰঘুনাথ কাগ্‌য়ুং
সহযোগী অধ্যাপক, অসমীয়া বিভাগ



পদ্মা কুমাৰী গগৈ
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ



মিণ্টু গগৈ
মুৰব্বী, অৰ্থনীতি বিভাগ



ড° পৰানন গগৈ
সহযোগী অধ্যাপক, অৰ্থনীতি বিভাগ



মৃদুস্মিতা পাটোৱাৰী
সহকাৰী অধ্যাপিকা, অৰ্থনীতি বিভাগ



ড° প্ৰণিতা কলিতা
মুৰব্বী, শিক্ষাতত্ত্ব বিভাগ



কাব্যশ্ৰী হাজৰিকা
সহকাৰী অধ্যাপিকা, শিক্ষাতত্ত্ব বিভাগ



গীতিকা তালুকদাৰ
সহকাৰী অধ্যাপিকা, শিক্ষাতত্ত্ব বিভাগ

# বৰ্তমান কৰ্মৰত শিক্ষক-শিক্ষয়িত্ৰীসকল



ড° সুনীল দত্ত
মুৰব্বী, ইংৰাজী বিভাগ



ড° দীপাঞ্জলি গগৈ
সহযোগী অধ্যাপিকা, ইংৰাজী বিভাগ



ড° অনিতা কোঁৱৰ
সহকাৰী অধ্যাপিকা, ইংৰাজী বিভাগ



সুশীল কুমাৰ চুড়ী
মুৰব্বী, বুৰঞ্জী বিভাগ



ড° লিণ্ডি গুডউইন
সহকাৰী অধ্যাপিকা, বুৰঞ্জী বিভাগ



দিব্যজ্যোতি কোঁৱৰ
সহকাৰী অধ্যাপক, বুৰঞ্জী বিভাগ



বিনোদ ৰাজখনিকৰ
মুৰব্বী, ৰাজনীতি বিজ্ঞান বিভাগ



ড° চক্ৰপাণি পাতিৰ
সহকাৰী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ



ড° লাকী চেতিয়া
সহকাৰী অধ্যাপিকা, ৰাজনীতি বিজ্ঞান বিভাগ

# বৰ্তমান কৰ্মৰত শিক্ষক-শিক্ষয়িত্ৰীসকল



সুমন গগৈ
মুৰব্বী, উদ্ভিদ বিজ্ঞান বিভাগ



ড° প্ৰণতি গগৈ
সহকাৰী অধ্যাপিকা, উদ্ভিদ বিজ্ঞান বিভাগ



ড° মৃগাংক নাৰায়ণ কুমাৰ
সহকাৰী অধ্যাপক, উদ্ভিদ বিজ্ঞান বিভাগ



অমৃত কুমাৰ বৰপূজাৰী
মুৰব্বী, ৰাসায়ন বিজ্ঞান বিভাগ



সুচিত্ৰ নাৰায়ণ ৰাজখোৱা
সহযোগী অধ্যাপক, ৰাসায়ন বিজ্ঞান বিভাগ



ড° বিকাশ কুমাৰ শৰ্মা
সহকাৰী অধ্যাপক, ৰাসায়ন বিজ্ঞান বিভাগ



মনোৰঞ্জন কোঁৱৰ
মুৰব্বী, গণিত বিভাগ



ড° কৌশিক দিহিঙ্গীয়া
সহকাৰী অধ্যাপক, গণিত বিভাগ



ড° বাৰ্বী চুতীয়া
সহকাৰী অধ্যাপিকা, গণিত বিভাগ

# বৰ্তমান কৰ্মৰত শিক্ষক-শিক্ষয়িত্ৰীসকল



অংকিতা ভাগৱতী
মুৰব্বী, পদাৰ্থ বিজ্ঞান বিভাগ



ৰাণা কোঁৱৰ
মুৰব্বী, প্ৰাণী বিজ্ঞান বিভাগ



জ্যোতি প্ৰসাদ ফুকন
সহকাৰী অধ্যাপক, প্ৰাণী বিজ্ঞান বিভাগ



ড° অমৃতা মেচ
সহকাৰী অধ্যাপিকা, প্ৰাণী বিজ্ঞান বিভাগ



ভেনিলা বাইলুং
সহকাৰী অধ্যাপিকা, প্ৰাণী বিজ্ঞান বিভাগ



মহাবিদ্যালয়ৰ কৰ্মচাৰীসকল



মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ কৰ্মচাৰীসকল

# সোণাৰি মহাবিদ্যালয় ছাত্র একতা সভা ২০২৩-২৪ বৰ্ষ



চিত্ৰৰঞ্জন সন্দিকৈ
সভাপতি



ফাৰহাদ চেমিনুৰ ৰহমান
উপ-সভাপতি



বিৰাজ বৰুৱা
সাধাৰণ সম্পাদক



নয়নমণি চেতিয়া
সহকাৰী সাধাৰণ সম্পাদক



ক্ষীৰোদ দাস
সম্পাদক, গুৰু খেল বিভাগ



হীৰকজ্যোতি ডেকা
সম্পাদক, লঘু খেল বিভাগ



সন্দীপ লামা
সম্পাদক, সাংস্কৃতিক বিভাগ



মানশ্ৰী কোঁৱৰ
সম্পাদিকা, আলোচনী বিভাগ



দীপশিখা চেতিয়া
সম্পাদিকা, সাহিত্য বিভাগ



সুশ্ৰী গগৈ
সম্পাদিকা, সংগীত বিভাগ



মানস প্ৰিয়ম বসুমতাৰী
সম্পাদক, শৰীৰ চৰ্চা বিভাগ



শিখামণি বসুমতাৰী
সম্পাদিকা, সমাজ সেৱা বিভাগ



বিশাল বাউৰী
সম্পাদক, তৰ্ক বিভাগ



বিতোপন ফুকন
সম্পাদক, ছাত্ৰ জিৰণি চ'ৰা



ঈশা গগৈ
সম্পাদিকা, ছাত্ৰী জিৰণি চ'ৰা

# মহাবিদ্যালয়ৰ গৌৰৱ




জিলা ভিত্তিত সৃষ্টিশীল নৃত্য প্ৰতিযোগিতাত সোণাৰি মহাবিদ্যালয়ৰ প্ৰথম স্থানপ্ৰাপ্ত দলটি



১১ সংখ্যক ৰঙালী বিহু আদৰণী অনুষ্ঠান




৫৩ সংখ্যক মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক শোভাযাত্ৰা




৫৩ সংখ্যক মহাবিদ্যালয় সপ্তাহৰ মাৰাথন দৌৰ



প্ৰাচীৰ পত্ৰিকা উন্মোচনী অনুষ্ঠান

# ২০২৩-২৪ বৰ্ষৰ মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহত স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকল



শ্ৰেষ্ঠ নাটক ঃ ধানটো পতানটো



শ্ৰেষ্ঠ অভিনেত্ৰী গায়ত্ৰী গগৈ



নিকিতা গগৈ, শ্ৰেষ্ঠ কৌতুক অভিনেত্ৰী



মৌপ্ৰিয়া গগৈ, শ্ৰেষ্ঠ গায়িকা




প্ৰথম স্থানপ্ৰাপ্ত প্ৰাচীৰ পত্ৰিকা
অৰ্থনীতি বিজ্ঞান বিভাগ




দ্বিতীয় স্থানপ্ৰাপ্ত প্ৰাচীৰ পত্ৰিকা
ৰাজনীতি বিজ্ঞান বিভাগ

# NAACৰ প্ৰতিনিধিসকল মহাবিদ্যালয়লৈ আহোতে অনুষ্ঠিত কৰা অনুষ্ঠানবিশেষ





















SONARI COLLEGE
সোণাৰি মহাবিদ্যালয়
স্থাপিত : ১৯৭০ চন